Librarian. 22

নৱজ্যোতি মহাবিদ্যালয়

# আলোচনী

দ্বাদবিংশতিতম্ সংখ্যা

২০০৩-০৪ ইং বৰ্ষ

Nabajyoti College, Kalgachia
Estd. 1971
(Assam)

NABAJYOTI COLLEGE
KALGACHIA
ESTD. 1971
LEARN LABOUR & SERVE

তত্বাৱধায়ক
অধ্যাপক, ড° শ্ৰীভগীৰথ চন্দ্ৰ নাথ

সম্পাদক
জাহিৰুল ইছলাম আহমেদ (বাবুল)

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী।

*দ্বাদবিংশতিতম সংখ্যা।*

২০০৩-০৪ বৰ্ষ

Nabajyoti College, Kalgachia
Estd. 1971
(Assam)

NABAJYOTI COLLEGE KALGACHIA
ESTD. 1971
LEARN LABOUR & SERVE

# NABAJYOTI COLLEGE MAGAZINE

## 22nd Issue

2003-04

*To,*

মোঃ মজিবৰ ৰহমান, বি.এ (গ্ৰন্থাগাৰিক)
নৱজ্যোতি কলেজ কলগাছিয়া
প্ৰাণী [illegible] বিভাগ।

With thanks
**Editor**

*তত্ত্বাৱধায়কঃ*
অধ্যাপক, ড° ভগীৰথ চন্দ্ৰ নাথ
*সম্পাদকঃ*
জাহিৰুল ইছলাম আহমেদ (বাবুল)

*Incharge*
**Pro. Dr. Bhagirath Chandra Nath**
*Editor*
**Jahirul Islam Ahmed (Babul)**

## সম্পাদনা সমিতি

**সভাপতি**

অধ্যক্ষ, আব্দুছ ছাত্তাৰ আহমেদ

**সম্পাদক**

জাহিৰুল ইছলাম আহমেদ (বাবুল)

**তত্ত্বাৱধায়ক**

অধ্যাপক ড° ভগীৰথ চন্দ্ৰ নাথ

অধ্যাপক শ্ৰীঘনশ্যাম ভৰালী (সদস্য)

অধ্যাপক মাচুদ হাচান (সদস্য)

অধ্যাপক কায়ুম কবীৰ (সদস্য)

মাফিজুৰ ৰহমান খান (সাধাৰণ সম্পাদক ছাঃ এঃ সঃ)

**বেটুপাত পৰিকল্পনা**

অধ্যাপক ড° ভগীৰথ চন্দ্ৰ নাথ

অধ্যাপক ড° মোঃ শ্বাহাজামাল শ্বেইখ

**অংকণ**

মোজাম্মেল হুছেইন (দেৱান এন্টাৰ প্ৰাইজ, কলগাছিয়া)

**অলংকৰণ**

শ্ৰীত্ৰৈলোক্য দাস

আলী আহমেদ

**ডিটিপি**

শ্ৰীসঞ্জীৱ শৰ্মা, শ্ৰীচন্দন নাথ,

শ্ৰীপ্ৰণৱ কলিতা, শ্ৰীকৰুনা দাস

**মুদ্ৰন**

মিলন প্ৰেছ, কলগাছিয়া। (নুৰ মহম্মদ)

## উছৰ্গা

নৰজ্যোতি মহাবিদ্যালয়ৰ ভেঁটি স্থাপনৰ পৰা ৰাষ্ট্ৰীয় পৰ্য্যায়লৈ উন্নীত হোৱাত ছাঁৰ দৰে লাগি থকা অগ্ৰণী সমাজকৰ্মী মৰহুম জনাব কৰিম দেৱানী আৰু নৰজ্যোতি মহাবিদ্যালয়ত অধ্যয়ন কৰি নশ্বৰ দেহ ত্যাগ কৰি আমাৰ মাজৰ পৰা চিৰ বিদায় লোৱা সমূহ ছাত্ৰ-ছাত্ৰীৰ বিদেহী আত্মাৰ মাগফিৰাৎৰ বাবে আলোচনীখন উছৰ্গা কৰিলোঁ।

আলোচনী সম্পাদক



সময় আৰু বয়সৰ ওচৰত হাৰ নমনা, অক্লান্ত পৰিশ্ৰমী আৰু আত্ম স্বাৰ্থৰ উৰ্ধত থাকি যোৱা ৩৪ টা বসন্ত একনিষ্ঠতা আৰু বিৰামহীন ভাৱে মহাবিদ্যালয়খন দোপত-দোপে বৰ্তমানৰ পৰ্য্যায়ত প্ৰতিষ্ঠিত কৰাৰ মূল খনিকৰ আমাৰ সকলোৰে শ্ৰদ্ধাৰ অধ্যক্ষ মাননীয় আব্দুছ ছাত্তাৰ আহমেদ কৰ্মৰত অৱস্থাত।


*A. S. Ahmed*, M.A
PRINCIPAL, NABAJYOTI COLLEGE, KALGACHIA
P.O.- Kalgachia, Dist.- Barpeta (Assam)
PIN Code.- 781319
Phone : 284418 (R)
284422 (O)


***Ref***........................ Date 11/10/2004



## শুভেচ্ছাবাণী

নৱজ্যোতি মহাবিদ্যালয়ৰ দ্বাদবিংশ সংখ্যাৰ আলোচনীখন উলিয়াবৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জানিব পাৰি মই নথৈ আনন্দিত হৈছোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ইয়াৰ চাৰিওফালে থকা সমাজবোৰৰ চিত্ৰ এখন আলোচনীখনত প্ৰকাশ পোৱাৰ উপৰিও কলেজখনে সামগ্ৰীকভাবে লাভ কৰা শৈক্ষিক তথা সংলগ্ন বিষয়ৰ কৃতকাৰ্যতা ও অগ্ৰগতিৰ তথ্যাভিত্তিক দিশ সমূহ প্ৰকাশ পাব বুলি আশা কৰিলোঁ। *'Reading makes a man wise and writing a perfect.'* ইংৰাজ লিখক *John Becon* ৰ এই বাস্তৱ উক্তিৰ প্ৰতি সঁহাৰি জনাই আমাৰ ছাত্ৰ-ছাত্ৰী সকলে লিখনিৰ প্ৰতি মনোনিৱেশ কৰিব বুলি মোৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি আহ্বান থাকিল।

আলোচনী সম্পাদক মিঃ জাহিৰুল ইছলাম আহমেদক আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত লোৱা ভূমিকাক মই ধন্যবাদ জনাই আলোচনীখনলৈ মোৰ আন্তৰিক শুভেচ্ছা আগবঢ়ালোঁ। ইতি-

আঃ ছাত্তাৰ আহমেদ
অধ্যক্ষ, নৱজ্যোতি মহাবিদ্যালয়
কলগাছিয়া।

**Professor Md. Mozammel Hussain**, M.A.LL.B
Vice-Principal (Ex-member, Assam Public Service Commission)
Nabajyoti College, Kalgachia.



## MESSAGE

*I am indeed very much glad to learn that the twenty secound issue of Nabajyoti College Magazine is being Published this year. Situated purely in a rural area, the College, which is accreditated by the NAAC with grade 'B', is providing higher education of Arts & Science to the students coming from far flung areas of Assam. A College Magazine bears the testimony of the standard of literary development of the students. The students get an opportunity through College Magazine to enter the literary world. I hope and believe that the Magazine has provided and will continue to provide a scope of attaining literary development to the students and the teachers of the College.*

*I wish it a grand success.*

**Md. Mozammel Hussain**
Vice-Principal

*Dr. Bhumidhar Barman*
Minister, Health & Family Welfare,
Panchayat & Rural Development
Assam Dispur Guwahati- 781006

सत्यमेव जयते

Phone : 262294 (O)
261316 (R)

No.....................................

Dated.............15/09/04



Nabajyoti College, Kalgachia * Estd. 1974 (Assam) PO Kalgachia, Dist. Barpeta

## শুভেচ্ছাবাণী

নৱজ্যোতি মহাবিদ্যালয় অসমৰ সংখ্যালঘু অধ্যুষিত এলেকাৰ প্ৰথম আৰু অগ্ৰণী শিক্ষানুষ্ঠান। এইখন মহাবিদ্যালয়ৰ সৈতে মোৰ এক আত্মিক সম্পৰ্ক আছে। অতি কমদিনৰ ভিতৰত মোৰ চেনেহৰ এই শিক্ষানুষ্ঠানখনিয়ে নিজক এক অগ্ৰণী মহাবিদ্যালয় হিচাপে পৰিগনিত কৰাত মই অত্যন্ত সুখী। এই মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰী সকলে প্ৰকাশ কৰি থকা নিয়মীয়া আলোচনীখনিৰ পৰৱৰ্তী সংখ্যাটো অলপতে প্ৰকাশ পাব বুলি জানিব পাৰি মই অত্যন্ত আনন্দিত হৈছোঁ।

মই আলোচনীখনিৰ সৰ্বতোপ্ৰকাৰৰ সফলতা কামনা কৰিলোঁ।

(ডাঃ ভূমিধৰ বৰ্মন)
মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ,
উচ্চ শিক্ষা আৰু কাৰিকৰী শিক্ষা ইত্যাদি
অসম চৰকাৰ।

A. F. GOLAM OSMANI
BARRISTER-AT-LAW
Member of Parliament (Lok Sabha)
**Member :**
Standing Committee on Human Resource Development
Consiltative Committee, Ministry of Rural Development
Committee on Papers Laid on the Table
Committee of the JPC of Wakf Boad

28, South Avenue,
New Delhi- 11 00 11
Phones :
Delhi : (011) 23792164
Guwahati : (0361) 2263137
Silchar : (03842) 235440

Date.......09/10/2004



## MESSAGE

I am glad to learn that the 22nd issue of Nabajyoti College Magazine is being published this year. The Nabajyoti College situated purely in a rural area is a premier higher educational institution of Assam. Magazine of a College reflects the literary talents of is students and teachers and I believe that the Magazine definitely carries forward the intellectual development of the teaching learing community.

I wish a grand success of the noble efforts of the students of the College.

A. F. GOLAM OSMANI
BARRISTER-AT-LAW
Member of Parliament (Lok Sabha)

MEMBER
ASSAM LEGISLATIVE ASSEMBLY

Date.......29/11/04



## শুভেচ্ছাবাণী

নৱজ্যোতি মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ হ'ব বুলি শুনি নথৈ আনন্দিত হৈছো। মহাবিদ্যালয়ৰ নিচিনা শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্য চিন্তা তথা কৰ্ম প্ৰকাশৰ ক্ষেত্ৰত এনেকুৱা আলোচনীয়ে সুযোগ আৰু প্ৰেৰণা আগবঢ়ায়। পিছত এনে সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰীয়েই সাহিত্য ক্ষেত্ৰত নিজৰ জাতিক সমৃদ্ধ কৰিবলৈ সক্ষম হ'ব।

নৱজ্যোতি মহাবিদ্যালয়ৰ পৰা প্ৰকাশ কৰিবলৈ লোৱা সাহিত্য আলোচনীখনৰ সৰ্ব্বতো প্ৰকাৰ সাফল্য কামনা কৰিলোঁ। ইতি-

স্বাঃ এচাহাক আলী
বিধায়ক
জনীয়া বিধান সভা সমষ্টি।



## সম্পাদকীয়.................

অত্যাধুনিক মানৱ সভ্যতাৰ প্ৰযুক্তিগত প্ৰতিযোগিতাৰ কবাল সন্ধিক্ষণত যন্ত্ৰৰূপী মানৱকূলে সাময়িকভাবে সাহিত্যচৰ্চা পাহৰি গ'লেও সাহিত্যই যে সমাজৰ প্ৰকৃত স্বৰূপ দাপোনৰ দৰেই পৰিস্ফুটিত কৰি তোলে তাত হয়তো কাৰো দ্বি-মত নাই। সাহিত্য চৰ্চাৰ বাবে লাগে সুস্থিৰ মানসিকতা। এই মানসিকতাৰ গঢ় দিয়াত সমাজৰ কিছুমান ব্যক্তিৰ অৰিহণাক আমি নুই কৰিব নোৱাৰো। তেনে কিছুমান আগ্ৰহী সমাজকৰ্মীৰ জীৱন যোৱা প্ৰচেষ্টাৰ ফলতেই নামনি অসমৰ জ্ঞান মন্দিৰ স্বৰূপ এইখন মহাবিদ্যালয়ে আধুনিক সভ্যতাৰ মৃদু পোহৰ বিলাই চিৰ অৱহেলিত বিশাল জনগোষ্ঠীক পোহৰৰ সন্ধানত ব্ৰতী কৰাত সক্ষম হোৱাত সেইসকল ব্যক্তিলৈ আলোচনী সম্পাদকৰ মেজৰ পৰা হিয়াভৰা বৈপ্লৱীক অভিনন্দন আগবঢ়ালোঁ। যিসকল সমাজকৰ্মীৰ অশেষ প্ৰচেষ্টাত এইখন জ্ঞানমন্দিৰে ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে, জয় জয়তে সেইসকল ব্যক্তিক মই সোঁৱৰিছো আৰু আমাৰ সমাজৰ পৰা ইতিমধ্যে চিৰ বিদায় লোৱা মহান সমাজকৰ্মী সকলৰ বিদেহী আত্মাৰ মাগ-ফিৰাৎৰ বাবে অশ্ৰুসিক্ত নয়নেৰে আল্লাহৰ ওচৰত দোৱা মাগিছোঁ। যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে তেওঁলোকৰ বহুমূলীয়া ভোটেৰে মোক আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত কৰি আলোচনীখন তেওঁলোকৰ হাতত তুলি দিবলৈ সুবিধা দিছে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদৰ শৰাই আগবঢ়ালোঁ।

আলোচনী সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ পদৱীৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মই মহাবিদ্যালয়ৰ আলোচনীখন নিৰ্দিষ্ট সময়ৰ ভিতৰত উলিয়াম বুলি দৃঢ় সংকল্প লৈছিলোঁ। তাৰোপৰি ছাত্ৰ-ছাত্ৰী সকলক উন্নতমানৰ গুণবিশিষ্ট আলোচনী এখন উপহাৰ দিয়াৰ প্ৰচেষ্টা হাতত লৈছিলো যদিও ছাত্ৰ-ছাত্ৰী সকলৰ পৰা যোগাত্মক লিখনীৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছোঁ। আলোচনী এখন সৰ্বাঙ্গ সুন্দৰ তথা উচ্চ মানদণ্ডৰ কৰিবলৈ হ'লে প্ৰয়োজন হোৱা প্ৰধান সমল দুটা হ'ল মুলধন আৰু উচ্চ মানৰ লিখনি। এখন পূৰ্ণাঙ্গ আলোচনীৰ বাবে ছাত্ৰ-ছাত্ৰীৰ লিখনিৰ অৰিহণা যথেষ্ট গুৰুত্বপূৰ্ণ। অৰ্থৰ নাটনি আমাৰ এটা জ্বলন্ত সমস্যা। সীমিত অৰ্থেৰে উন্নত মানদণ্ডৰ আলোচনী প্ৰকাশ কৰা তেনেই জটিল কাম। বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ লিখনিত প্ৰেম আৰু বিপ্লৱৰ কথাই স্থান পোৱা দেখা যায়। সৃষ্টিশীল সাহিত্যৰ সমাদৰ চিৰসেউজ। সদাশয় ব্যক্তিসকলৰ সুদৃষ্টিৰ বাবেই হয়তো নৱজ্যোতি মহাবিদ্যালয়ৰ ২২ তম্ আলোচনীখনৰ আজি এই ৰূপ।

কাৰ্য্যভাৰ হাতত লোৱাৰ লগে লগে আহি পৰে 'মহাবিদ্যালয় সপ্তাহ' । আলোচনী বিভাগৰ দ্বাৰা কিছুমান প্ৰতিযোগিতামূলক শিতানৰ আয়োজন হৈছিল যদিও প্ৰতিযোগীৰ সংখ্যা তেনেই পুতৌ লগা আছিল। অংশগ্ৰহণ কৰা আটাইকেইজনকে উৎসাহ জনোৱাৰ উদ্দেশ্য উদগনিমূলক বঁটা আগবঢ়োৱা হয়। প্ৰতিযোগিতাৰ বাহিৰেও আলোচনীৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় ড° ভগীৰথ চন্দ্ৰ নাথ দেৱে উন্মোচন কৰা মহাবিদ্যালয়ৰ "প্ৰাচীৰ পত্ৰিকা" খনো এইবাৰ নতুন ৰূপত প্ৰকাশ কৰি উলিওৱা হয়। লিখনিৰ মাজেৰে সমাজৰ বিভিন্ন সমস্যাৰ আলোকপাত কৰি আলোচনী খনৰ শ্ৰীবৃদ্ধি কৰাত নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰীবন্ধু-বান্ধৱীলৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্য্যকালত প্ৰতিটো পদক্ষেপতে জ্ঞান গম্ভীৰ সু-পৰামৰ্শৰে অনুপ্ৰেৰণা দিয়া আলোচনীৰ ভাৰপ্ৰাপ্ত অধ্যাপক ড° ভগীৰথ চন্দ্ৰ নাথ, অধ্যাপক মোঃ শ্বাহাজামাল শ্বেইখ আৰু সমাজৰ পথ প্ৰদৰ্শক স্বৰূপ তথা স্থিতপ্ৰজ্ঞ গুণৰ অধিকাৰী আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় আঃ ছাত্তাৰ আহমেদ চাহাবৰ ওচৰত মই চিৰ কৃতজ্ঞ।

তাৰোপৰি সম্পাদনা সমিতিৰ সদস্যসকল ক্ৰমে অধ্যাপক ঘনশ্যাম ভৰালী, অধ্যাপক কায়ুম কবীৰ আহমেদ, অধ্যাপক মাচুদ হাচান, ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক মাফিজুৰ ৰহমান খান আদিৰ সোণালী স্পৰ্শই আলোচনীখন উৎকৃষ্ট মানদণ্ডৰ তথা সৰ্বাঙ্গসুন্দৰ হোৱাত সংশ্লীষ্ট ব্যক্তিসকললৈও মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কিছুমান ব্যক্তিৰ স্পৰ্শ আৰু অনুপ্ৰেৰণাই হৃদয়ত বাৰুকৈয়ে ৰেখাপাত কৰে আৰু ধনাত্মক কৰ্ম কৰাত স্পৃহা যোগায়। তেনে কিছুমান ব্যক্তি বিশেষকৈ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু অধ্যাপিকা মেহেৰুন নেছা বেগম, অধ্যাপিকা ছৈয়দা হামিদা বেগম আৰু অধ্যাপক ছোৰমান আলী, অধ্যাপক ছামচুল আলম, অধ্যাপক মিৰ্জা আব্দুল হামিদ আৰু অধ্যাপক খন্দঃ আঃ গফুৰ চাহাবলৈ মোৰ শ্ৰদ্ধাৰ নৈবেদ্য আগবঢ়ালোঁ।

বেটুপাতৰ ক্ষুদ্ৰ অংকনৰ মাজেদি বিস্তৃত পৰিসৰৰ ভাবধাৰাৰ সন্নিবিষ্টকৰণ আৰু চিত্ত আকৰ্ষনীয়তাৰ মাধ্যমেৰে আলোচনীখনৰ সৌষ্ঠৱ বহুগুণে বৃদ্ধি কৰাৰ বাবে বেটুপাতৰ শিল্পী তথা আমাৰ অতিকৈ শ্ৰদ্ধাৰ নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ মোজাম্মেল হুছেইনলৈ শলাগৰ শৰাই জ্ঞাপন কৰিলোঁ। তাৰোপৰি মোৰ কাৰ্যকালত মোক প্ৰত্যক্ষ আৰু পৰোক্ষভাবে সহায়ৰ হাত আগবঢ়োৱা আৰু গাতে ছা লাগি থকাৰ দৰে মোৰ বন্ধু-বান্ধৱীসকল বিশেষকৈ আৰ্নিচুৰ ৰহমান আজাদ (বুলু), মীনা, ৰেণু, ৰীণা, ৰুণা, বকুল, লীমা, লীনা, ডায়মণ্ড, নাজমিন, পুলি, বুলি, মুন, আফতাব, মামুনি, নাৰ্গিচ, আজমিৰি, য়ানুৰ, আনোৱাৰ, আজাদ, ওৱাহিদজুমান, বাহাৰুল, শ্বাহাদুল, ৰেজিনা, জয়নুৰ, জাহাঙ্গিৰ, অনামিকা, মাতিন, আবু তালেব, মতিদা, নজমুল, লতিফ, হাফিজুৰ, ফাইজুৰ, নেওৱাদুল, ৰশ্মি, আমিনা, জমেলা, চুফিয়া, মীনু, মনো, নাজিৰা, মাজদা, আছমা, ভন্টি, ইয়াছমিন, ৰিঞ্জু, নুৰ আলম দা, আতিকুল দা আৰু মিলন প্ৰেছৰ আলী আহমেদক মোৰ আন্তৰিক ভালপোৱা আৰু শলাগ জনালোঁ।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্যকালত জ্ঞাত আৰু অজ্ঞাতে হোৱা ভুলৰ বাবে সমূহ ব্যক্তিৰ ওচৰত ক্ষমা বিচাৰিছোঁ। নৱজ্যোতি মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ ক্ষুদ্ৰ সম্পাদকীয় সামৰিলোঁ।

*"জয়তু আই অসম"*

*"জয়তু নৱজ্যোতি মহাবিদ্যালয় আলোচনী"*

আল্লা হাফিজ-

ধন্যবাদেৰে-

**জাহিৰুল ইছলাম আহমেদ**
আলোচনী সম্পাদক
ছাত্ৰ একতা সভা
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

# সূচীপত্ৰ

## প্ৰবন্ধ শিতান ঃ-


- বায়ু প্ৰদূষণ আৰু জনস্বাস্থ্যৰ ওপৰত ইয়াৰ প্ৰভাৱ — ✍ আবু বক্কাৰ ছিদ্দিক — পৃঃ ১-৩
- কলেজীয়া জীৱনত আগবাঢ়ক আত্মবিশ্বাৱে — ✍ আনৱাৰ হুচেইন। — পৃঃ ৪-৫
- ভাৰ্মিকম্পষ্ট আৰু কৃষিক্ষেত্ৰত ইয়াৰ সম্ভাৱনা — ✍ ছাহাবুদ্দিন আহমেদ। — পৃঃ ৬-৮
- বিদ্যালয়, মহাবিদ্যালয়ত পাঠ্যক্ৰম, ভাষা পৰিকল্পনা এটি জলন্ত সমস্যা — ✍খন্দকৰ আ গফুৰ — পৃঃ৯-১১
- কেইবিধমান প্ৰধান শস্যৰ ৰোগ ৰক্ষা পদ্ধতি — ✍ মো আব্দুল খালেক। — পৃঃ ১২-১৪
- অসমৰ কলেজ সমূহত স্কাউটছ্ এণ্ড গাইড্ছ প্ৰবৰ্তন — ✍ ড° চৈয়দা জাহানাৰা বেগম। — পৃঃ ১৫-১৬


## কবিতা শিতানঃ-


- নৱজ্যোতি কলেজ - ✍নাছিৰ হুছেইন ; — হে ধৰ্ম- ✍ মো আমিৰ হুছাইন।
- সংলাপ - ✍আছিফা হাছান; — প্ৰেমৰ নামত - ✍মকিবুল হুছেইন। — পৃঃ ১৭
- দোমোজা - ✍দুলেনা খাতুন ; — নৱজ্যোতিঃ এটি প্ৰেমৰ কবিতা - ✍আব্দুছ ছালাম। — পৃঃ ১৮
- অপেক্ষা - ✍মাজমি ফৰিদা আহমেদ; — সেউজীয়া আৰু হালধীয়া - ✍মামুদ আলছাইফ উদ্দিন। — পৃঃ ১৯
- কিয় ? - ✍জাহাংগীৰ আলাম (বাবুল); — নতুন প্ৰজন্ম - ✍জাহিৰুল ইছলাম। — পৃঃ ২০
- ৰঙীন সপোন - ✍বিলকিছ্ পাৰবিন; — মানৱতা ক'ত ? - ✍সফিছ উদ্দিন। — পৃঃ ২১
- এটি কবিতাৰ সন্ধানত- ✍ছিৰিন আখতাৰ; — দুখ - ✍ৰফিকুল ইছলাম। — পৃঃ ২২
- পোহৰৰ সন্ধানত- ✍পূৰ্নিমা দাস; — তোমাক ভাবি - ✍ দেৱান হাফিজুৰ ৰহমান। — পৃঃ ২৩
- কবৰ - ✍ দেৱান মোবাজ্জেম হুছেইন (জেমচ্) — পৃঃ ২৪
- পৃঃ ২৫


## গল্প সম্ভাৰঃ


- স্পেছিয়েলিষ্ট — ✍ ড° মোঃ শ্বাহাজামাল শ্বেইখ — পৃঃ ২৬-৩০
- অব্যক্ত প্ৰেমৰ অনুভূতি — ✍ আজিজুন হক। — পৃঃ ৩১-৩২
- অভিনৱ কৌশল — ✍ মতিউৰ ৰহমান — পৃঃ ৩৩- ৩৫
- এজাক ধুমুহা — ✍ আবেদ আলী — পৃঃ ৩৬-৩৭


## চুটী গল্প ঃ


- অপেক্ষা — ✍ জাহিৰুল ইছলাম আহমেদ (বাবুল) — পৃঃ ৩৮
- শিৱ পাৰ্বতীৰ মৰত ভ্ৰমণ — ✍ নুৰ মহম্মদ — পৃঃ ৩৯


## ENGLISH SECTION (POEM)


- We need to feel more — ✍Fozlur Rahman. — Page-40
- Lasting Love — ✍ M.IsmailHussain. — Page-40
- Passion — ✍ Baharul Islam Khan. — Page-41
- Letter for a girl friend — ✍ Sariful Ahmed. — Page-41
- Quizone ? — ✍ Dewan Shahidul Islam. — Page-42


## TOPICS


- Revelance of NAAC in College and Universities. — ✍ A.S. Ahmed . — Page-43-46
- Class Room management. — ✍ Md. Ramjan Ali. — Page-47-49
- Toxicity due to Metal Ions. — ✍ Hanif Mastaque. — Page-50-51


## প্ৰতিবেদন শিতানঃ-


- সাধাৰণ সম্পাদক- — পৃঃ- ৫২
- সহঃ সাধাৰণ সম্পাদক — পৃঃ- ৫৩
- শ্ৰেণী প্ৰতিনিধি — পৃঃ- ৫৪
- উপঃ সভাপতি — পৃঃ- ৫৪
- সমাজ সেৱা- — পৃঃ- ৫৫
- গুৰুখেল সম্পাদক- — পৃঃ- ৫৫
- শৰীৰ চৰ্চা- — পৃঃ- ৫৬
- ছাত্ৰ জিৰণি কোঠা — পৃঃ- ৫৬
- ছাত্ৰী জিৰণি কোঠা- — পৃঃ- ৫৭
- লঘু খেল সম্পাদক - — পৃঃ- ৫৭
- তৰ্ক আৰু সুকুমাৰ কলা — পৃঃ- ৫৮
- সংগীত আৰু সাংস্কৃতিক সম্পাদক- — পৃঃ- ৫৮

- Winner list - — Page-59-61
- নৱজ্যোতি মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী সকলৰ তালিকা- — পৃঃ -৬২-৬৩
- Our Glory — Page- 64
- ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক আৰু সম্পাদক/সম্পাদিকা সকলৰ তালিকা- — পৃঃ -৬৫

# বায়ু প্ৰদূষণ আৰু জনস্বাস্থ্যৰ ওপৰত ইয়াৰ প্ৰভাৱ



✍ আবু বক্কাৰ ছিদ্দিক
জ্যেষ্ঠ প্ৰবক্তা, ৰসায়ন বিভাগ।

জীৱ জগতক সুস্থ, সৱল আৰু কৰ্মঠ কৰি ৰখা থা মৃত্যুৰ আগলৈকে জীৱৰ অস্তিত্ব বজাই ৰখাত যি কইবিধ সমলে সহায় কৰে, তাৰ ভিতৰত বায়ুৰ স্থান টাইৰে ওপৰত। জীয়াই থকাৰ অন্য দুইবিধ প্ৰধান কাৰক নী আৰু আহাৰ নোহোৱাকৈ আমি দুই চাৰিদিন জীয়াই কাটো সম্ভৱ হ'লেও বায়ু নোহোৱাকৈ কেইটিমান মুহূৰ্তও ষ্টি থাকিব পৰা নাযায়। পৰ্য্যবেক্ষণৰ পৰা পোৱা যায় মি প্ৰতিদিনে প্ৰায় ২২,০০০ (বাইশ হাজাৰ) বাৰ উশাহ শাহ লওঁ আৰু তাৰ বাবে প্ৰায় ১৬ কিলোগ্ৰাম বিশুদ্ধ য়ুৰ আৱশ্যক হয়। পৃথিৱী পৃষ্ঠৰ পৰা প্ৰায় ৫০০ লোমিটাৰ উচ্চতালৈ বায়ুৰ যি আৱৰণ তাক বায়ু মণ্ডল লা হয়। বায়ুমণ্ডলক ট্ৰ'প'স্ফিয়াৰ (Troposphere), টু'স্ফিয়াৰ (Stratosphere), মেছ'স্ফিয়াৰ (Meso-here) আৰু থাৰ্মস্ফিয়াৰ (Thermosphere) এই ৰিটা স্তৰত ভাগ কৰা হৈছে। ইয়াৰে পৃথিৱীৰ গাত লাগি া পৃথিৱী পৃষ্ঠৰ পৰা প্ৰায় ১১ কিলোমিটাৰ উচ্চতালৈ য়পি থকা স্তৰটোৱেই হ'ল ট্ৰ'প'স্ফিয়াৰ স্তৰ। এই স্তৰটোৰ াই প্ৰাণীয়ে শ্বাস-প্ৰশ্বাসৰ বাবে অক্সিজেন ($O_2$) গেছ আৰু দ্ভিদে সালোক সংশ্লেষণৰ বাবে কাৰ্বন ডাইঅক্সাইড ($CO_2$) ছ গ্ৰহণ কৰে। বায়ু এবিধ মিশ্ৰ পদাৰ্থ। মিশ্ৰটোত থকা াদান সমূহৰ শতকৰা পৰিমাণ তলত দিয়া ধৰণৰ।

ইট্ৰ'জেন ($N_2$) - ৭৮.০৯%, অক্সিজেন ($O_2$) - .৯৪%, পানীৰ বাষ্প ($H_2O$) - ০.১ - ৫%, আৰ্গন r) - ০.৯৩৪%, কাৰ্বন ডাই অক্সাইড ($CO_2$) - ০৩২%, নিয়ন (Ne) - ০.০০১৮২%, হিলিয়াম (He) -০.০০০৫২৪%, মিথেন ($CH_4$) - ০.০০০১৮%, ক্ৰিপ্টন (Kr) - ০.০০০১১%। ইয়াৰ উপৰিও নাইট্ৰাছ অক্সাইড ($N_2O$), হাইড্ৰজেন ($H_2$), মেন'ন (Xe), ছালফাৰডাই অক্সাইড ($SO_2$), নাইট্ৰ'জেন ডাইক্সাইড ($NO_2$), এমোনিয়া' ($NH_3$), কাৰ্বন মনক্সাইড (CO), অজ'ন ($O_3$), আয়ডিন ($I_2$) আদি গেছ খুব কম পৰিমাণে থাকে।

প্ৰদূষিত বায়ু বুলিলে আমাৰ বায়ু বিধি (Air Act-1981) ৰ মতে, বায়ু মণ্ডলত গোট খোৱা গোটা কণিকা জুলীয়া বা গেছীয় কোনো প্ৰদূষক দ্ৰব্যৰ দ্বাৰা প্ৰভাৱিত হোৱা যি বায়ুৱে মানুহ তথা অন্য জীৱ-জন্তু, উদ্ভিদ আৰু পৰিৱেশ তথা মানুহৰ সম্পদৰ অনিষ্ট সাধন কৰে, তেনে বায়ুৱেই হৈছে প্ৰদূষিত বায়ু। বায়ুৰ শতকৰা সংযুতিৰ মাত্ৰাধিক উপাদান যুক্ত হোৱা বা অন্য কোনো দ্ৰব্যৰ সংমিশ্ৰণ হ'লে বায়ু প্ৰদূষিত হোৱা বুলি কোৱা হয়।

"Excessive release of air pollutants in the atmosphere by natural and man made activities disturb the dynamic equilibrium in the atmosphere and there by affect man and his environment, is called air pollution."

বায়ু প্ৰদূষণৰ মুখ্য প্ৰদূষক সমূহ হ'ল কাৰ্বন মন'ক্সাইড (CO), নাইট্ৰ'জেন অক্সাইড ($NO_x$), মিথেন ($CH_4$), ছালফাৰ অক্সাইডৰ ($SO_x$), হাইড্ৰ'জেন ফ্ল'ৰাইড (HF), হাইড্ৰ'জেন ক্লৰাইড (HCl), হাইড্ৰ'জেন ছালফাইড ($H_2S$), অন্য হাইড্ৰ'কাৰ্বন গেছ ইত্যাদি আৰু গোটা বা জুলীয়া পদাৰ্থৰ কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ কণিকা যেনে-আৰ্ছেনিক

(As), মাৰ্কাৰি (Hg), সীহ (Pb), কেডমিয়াম (Cd), ক্ৰ'মিয়াম (Cr), যিংক (Zn) আদি যাৰ মূল প্ৰেৰক হৈছে বিভিন্ন শিল্প উদ্যোগ, কল-কাৰখানা, শক্তি উৎপাদন কেন্দ্ৰ, যান-বাহন, খনন স্থান, ছিগাৰেটৰ ধোঁৱা ইত্যাদি। প্ৰাকৃতিক পৰিঘটনা যেনে বনজুই, আগ্নেগিৰিৰ উদ্‌গিৰণ, ধুলি-বালিৰ ধুমুহা আদিৰ দ্বাৰা বায়ুমণ্ডলৰ বায়ু প্ৰদূষিত হয়। তাৰোপৰি, জনবিস্ফোৰণ উদ্যোগীকৰণ, চহৰীকৰণ, আধুনিক জীৱন প্ৰণালী আদি মানুহৰ দ্বাৰা সংঘটিত কাৰু-কাৰ্যৰ ফলতো বায়ু যথেষ্ট পৰিমাণে প্ৰদূষিত হয়। কেৱল যান-বাহনৰ পৰা নিৰ্গত প্ৰদূষকৰ দ্বাৰা ৫০% বায়ু প্ৰদূষণ সংঘটিত হয়। গাড়ী মটৰৰ পৰা নিৰ্গত ধোঁৱাৰ মাজত থাকে ক্ষুদ্ৰ পদাৰ্থ কণা, কাৰ্বন মন'ক্সাইড, নাইট্ৰ'জেনৰ অক্সাইড, ছালফাৰৰ' অক্সাইড, পলি এৰোমেটিক হাইড্ৰ'কাৰ্বন, লেড অক্সাইড, লেড্ হেলাইড, আৰ্ছেনিক, পাৰা ইত্যাদি। কেতিয়াবা দুই বা ততোধিক প্ৰদূষক দ্ৰব্যই বায়ু মণ্ডলত থকা প্ৰাকৃতিক দ্ৰব্যৰ লগত সাধাৰণ অৱস্থাত সংযোজিত হৈ আলোক-ৰাসায়নিক ধুৱলী (Photo chemical Smog) বো সৃষ্টি কৰে। এনে আভা প্ৰধানত শিল্প প্ৰধান অঞ্চলৰ ওপৰত দেখা যায়। সূৰ্য্যৰ পোহৰত নাইট্ৰ'জেনৰ অক্সাইড হাইড্ৰ'কাৰ্বন আদি অক্সিজেনৰ লগত ৰাসায়নিকভাৱে যুক্ত হৈ শক্তিশালী প্ৰদূষক জাৱক পদাৰ্থ অয'ন ($O_3$) আৰু পাৰঅক্সিএছিটাইল নাইট্ৰেট (PAN) উৎপন্ন কৰে। অন্যহাতে কৃষি তথা ঘৰৰ আৱৰ্জনা, নগৰ-চহৰৰ বৰ্জিত নিৰ্গমন, চামৰা আৰু মাংস কটা স্থান, পশুধন তথা মানুহে ত্যাগ কৰা মল-মূত্ৰ আদিৰ পৰাও বায়ু প্ৰদূষিত হয়।

বায়ু মণ্ডলত হোৱা প্ৰদূষণৰ ভিতৰত কাৰ্বন মন'ক্সাইডৰ কু-প্ৰভাৱ দেহত অতি ভয়ংকৰ। মানুহৰ তেজত থকা হিম'গ্লোবিনৰ লগত CO মিহলি হৈ কাৰ্বক্সি হিম'গ্লোবিন সৃষ্টি হয়, ফলত তেজৰ অক্সিজেন শোষণ ক্ষমতা কমি চিন্তা শক্তিৰ হ্ৰাস, মূৰৰ বিষ, মাংসপেশীৰ

দুৰ্বলতা আৰু শ্বাসতন্ত্ৰজনীত ৰোগৰ সৃষ্টি হয়। ছালৰ
ডাইঅক্সাইডে শ্বাস-প্ৰশ্বাসত বিঘ্নিত ঘটাই শ্বাস ৰে
হাওঁফাওঁৰ ৰোগ, চকু আৰু ডিঙিৰ জ্বলা-পোৰাৰ সৃষ্টি ক
নাইট্ৰজেনৰ অক্সাইডে ব্ৰঙ্কাইটিছ, হাওঁফাওঁত পানী জ
হোৱা আদি ৰোগৰ সৃষ্টি কৰে। আভা ৰাসায়নিক ক্ৰি
দ্বাৰা সৃষ্টি হোৱা পলিনিউক্লিয়াৰ হাইড্ৰ'কা
পাৰঅক্সিএছিটাইল নাইট্ৰেট (PAN) আদিয়ে কৰ্কট ৰো
সৃষ্টি, এনযাইম কাৰ্য্যক্ষম কৰা তথা বংশ ধাৰণ ক্ষম
হ্ৰাস কৰিব পাৰে। বায়ুমণ্ডলত গোট খোৱা সীহ, প
আৰ্ছেনিক আদি ধাতৱ কণাই মানৱ দেহত কিছুমান 
ৰোগৰ সৃষ্টি কৰিব পাৰে। মিথাইল আইছ'ছায়েনা
($CH_3NC$) আৰু হাইড্ৰ'জেন ছালফাইডে মগজু বি
কৰা তথা খনি বা প্ৰস্তৰ খাদ আদিৰ পৰা ওলোৱা 
কণাই হাওঁফাওঁৰ ৰোগৰ সৃষ্টি কৰিব পাৰে। বায়ু প্ৰদূ
ফলত মানুহৰ স্নায়ুতন্ত্ৰৰ ক্ষতিৰ ক্ষেত্ৰত ক'ব পাৰি ম
দিনক দিনে অসহিষ্ণু হৈ উঠিছে, নিষ্ঠুৰতা বৃদ্ধি পাইছে, মা
আচাৰ-ব্যৱহাৰৰ পৰিৱৰ্ত্তন ঘটিছে। শ্বাস-প্ৰশ্বাসৰ লগত
পৰিমাণে জাৰক প্ৰদূষক দেহৰ ভিতৰত সোমাই তে
লগত মিহলি হোৱাত মানুহৰ বাৰ্দ্ধক্যৰ হাৰ দ্ৰুত গ
বৃদ্ধি পাইছে। বায়ু প্ৰদূষণৰ বাবে শুক্ৰাণুৰ সংখ্যা হ্ৰাস
আছে, গৰ্ভাৱস্থাত সন্তানৰ ওজন হ্ৰাস পায়। দেখা 
প্ৰদূষণৰ ফলত শিশু সকলৰেই ক্ষতি হয় সৰ্বাধিক। কি
শিশুৰ হাওঁফাওঁ সঠিক ভাবে তৈয়াৰী নহয়, তাৰোপৰি 
বিলাক নৰম হৈ থাকে, ফলত শ্বাস-যন্ত্ৰৰ ক্ষতি হো
সম্ভাৱনা অধিক। মানুহৰ মস্তিস্ক আৰু ৰক্ত সংবহন 
মাজত এখন পৰ্দা থাকে ইয়াক ব্লাড ব্ৰেইন চেৰিয়েল 
হয়। নৱজাতক শিশুৰ ক্ষেত্ৰত এই চেৰিয়েল ভা
তৈয়াৰী নহয়। ভ্ৰূণ অৱস্থাত মাতৃৰ প্লাছেন্টাৰ মাজেদি 
প্ৰদূষক শিশুৰ শৰীৰত সোমাই মস্তিস্কৰ ক্ষতি সাধন ক
এইদৰে জনস্বাস্থৰ ওপৰত প্ৰদূষিত বায়ুৰ কু-প্ৰভাৱ





শয কৰিব নোৱাৰা ধৰণৰ আছে।

আমি বসবাস কৰা এই পৃথিৱীখন বৰ্তমান তথা াগন্তুক প্ৰজন্মৰ বাবে সুৰক্ষিত তথা সু-স্বাস্থকৰ বাসভূমি ৰি ৰাখিবলৈ হ'লে আমি আটাইয়ে পৰিৱেশ তথা বায়ু দূষণৰ প্ৰতি সজাগতা অৱলম্বন কৰাটো অতি প্ৰয়োজন। এইখিনিতে ১৯৭২ চনত ৰাষ্ট্ৰ সংঘৰ তেতিয়াৰ সচিব প্ৰধান ৰ্টৱাল্ডহাইমৰ কথা এবাৰ উল্লেখ কৰাটো প্ৰয়োজন- "Pollution of environment is a problem, no nation no continent, no hemisphere, no race, no system can handle alone."

গতিকে আহক আমি বিশ্বৰ আটাইয়ে একেলগে পৰিৱেশ প্ৰদূষণ তথা জনস্বাস্থৰ ওপৰত ইয়াৰ কু-প্ৰভাৱ তথা ইয়াৰ প্ৰতিকাৰ সম্পৰ্কীয় সজাগতাৰ প্ৰতি সংকল্পবদ্ধ হওঁ।◆◆

## কৌতুক



শিৰাজুল হ'ক
উঃ মাঃ ২য় বৰ্ষ (কলা)

দুটা নিবনুৱাই কাম কৰি আছে।

প্ৰথম নিবনুৱা ঃ কিমান দিন ধৰি কাম কৰি আছো মই আৰু কাম কৰিব নোৱাৰিম। মই ১৬ তলা বিল্ডিংৰ পৰা জাপ দি মৰিম।

দ্বিতীয় নিবনুৱা ঃ আমাৰ গাঁৱত ১৬ তালা বিল্ডিং নায়েই দেখোন। বেছি হ'লে ৮ তলাহে আছে।

প্ৰথম নিবনুৱা ঃ তাতে কি হ'ল দুবাৰকৈ জাপ দিম।

---

পুতেক ঃ অ' মা জানা, ভন্টিয়ে পোক এটা বুটলি খাই দিলে।

মাক (ভয়খাই) ঃ কি?

পুতেক ঃ 'চিন্তা নাই মা, মই তাইক পোকমৰা ঔষধটো খুৱাই দিলো।'

---



জেইলাৰ ঃ তোমাৰ মা-দেউতা, বন্ধু-বান্ধৱ কোনেও চিঠি নিদিয়ে?

কয়দী ঃ নিদিয়ে। চিঠি দিয়াৰ প্ৰয়োজন নাই ছাৰ।

জেইলাৰ ঃ কিয়?

কয়দী ঃ সিহঁত সকলোৱে এই জেইলতে আছে ছাৰ।

# কলেজীয়া জীৱনত আগবাঢ়ক আত্মবিশ্বাসেৰে



✍ আনোৱাৰ হুছেই
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান শাখা

আমাৰ দেশৰ ল'ৰা-ছোৱালীয়ে যি বয়সত কলেজৰ দুৱাৰ দলিত ভৰি দিয়ে মনস্তত্ত্ববিদ সকলে তাক জীৱন পথৰ এক কেঁকুৰী বুলি কৈছে। কলেজীয়া জীৱনৰ প্ৰথম দিনটোৰ নাম উচ্চাৰণ কৰিলে প্ৰত্যেকেই ৰোমাঞ্চিত হৈ উঠে। বহু উত্তেজনা আকৰ্ষণেৰে ভৰি থাকে ইয়াত। কলেজীয়া জীৱন কেতিয়াবাই শেষ কৰা জনেও স্মৰণীয় দিনৰ প্ৰসংগত এই দিনটোৰ কথা উল্লেখ কৰিবলৈ নাপাহৰে। দীৰ্ঘদিনীয়া প্ৰতিক্ষাৰ অন্তত যেতিয়া ই সমাগত হয়, মুখামুখি হ'বলৈ পূৰ্বৰে পৰা এক বিৰাট প্ৰস্তুতি কৰে। স্কুল জীৱনৰ তুলনাত কলেজীয়া জীৱনক সকলোৱেই ভাল বুলি ক'ব বিচাৰে। কিয়নো স্কুলৰ একঘেমীয়া ৰুটিন কঢ়া শাসনৰ তুলনাত ইয়াৰ পৰিৱেশ যথেষ্ট নমনীয়। মাত্ৰ সকলো দিশতে নিজকে খাপ খুৱাই ল'ব জনাটোহে আচল কথা। নহ'লে মুক্ত জীৱনৰ গুৰুত্ব উপলব্ধি নকৰাকৈ উটি 'লে ভৱিষ্যত অন্ধকাৰ হৈ পৰিব। বৰ্তমান উচ্চ, উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল বাহিৰ হোৱাৰ পিছত কলেজ সমূহত ক্লাচ আৰম্ভ হৈছে, যদি আপুনিও এই নৱাগত সকলৰ গৰাকী তেন্তে আপোনাৰ বাবে কৰণীয় কাম হ'ল (১) যদিও প্ৰথম দিনটোত ক্লাচ প্ৰায় নহয়েই তথাপিও নোট বুক, কলম, আইকাৰ্ড ইত্যাদি নিয়াত অৱহেলা নকৰিব। ২) আজিকালি বেছিসংখ্যক কলেজৰ ইউনিফৰ্ম আছে। তিকে প্ৰত্যেকদিনাই ইউনিফৰ্ম পিন্ধিব। কোনোদিনেই দৃষ্টিকটু সাজ-পোচাক পৰিধান কৰি কলেজলৈ নাযাব। (৩) প্ৰথম দিনটোত সাধাৰণতে চা-চিনাকি হ'ব খোজে, যাক আমি ৰেগিং বুলি কওঁ। জ্যেষ্ঠজনে সোধা কথা নম্ৰভা উত্তৰ দিয়া উচিত। স্মাৰ্ট দেখুৱাই বেপৰোৱা মনোভাৱ আ পাচ নাভাবি যিকোনো কথা ক'লে নিজৰে ক্ষতি হো সম্ভাৱনা। সাজ-পোচাক, চাল-চলন ইত্যাদি ইয়াৰ গুৰুত্বপূ কথা। কাৰণ এজনক চাব খুৱ বেয়া ব্যৱহাৰ কৰি আনজনক ভদ্ৰভাৱে বিদায় দিছে। (৪) প্ৰথমদিনা পাৰি ওচৰৰ সহপাঠী থাকিলে তেওঁৰ লগত খাওঁক নাইবা গৈ বিষয়ৰ মিল থকা বন্ধু-বান্ধৱী এগৰাকী গোটাই ললে নতু পৰিৱেশত অনুভৱ হোৱা অস্বস্তি বোধ নাইকিয়া হ'ব। (৫ ছিনিয়ৰ কোনোজনৰ লগত যদি পূৰ্বতে ভালদৰে চিনা হৈ ল'ব পৰা যায় তেন্তে ৰেগিংৰ পৰা বহু পৰিমাণে হা সাৰিব পাৰি। (৬) প্ৰথম দিনাই প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ ওপৰ শিক্ষকে ধাৰণা এটা কৰি লয়। গতিকে আপোনাৰ ওপৰ যাতে কোনো কাৰণতেই নেতিবাচক মনোভাৱ পোষ নকৰে তাৰ প্ৰতি চকু ৰাখিব। বহু শিক্ষকে ছাত্ৰ-ছা এগৰাকীক তেওঁৰ বিষয়ৰ লগত জড়িত থকা জ্ঞানৰ পৰিস জুখি চাবৰ বাবে সৰু অথচ প্ৰয়োজনীয় প্ৰশ্ন সোধে সেইবা প্ৰতিটো বিষয়ৰে সম্যক জ্ঞান থকা উচিত। (৭) যদিও প্ৰথ কেইদিন পাঠদান বিশেষকৈ কৰা নহয় তথাপি প্ৰফেচা সকলে কিছুমান সৰু সৰু গুৰুত্বপূৰ্ণ কথা উল্লেখ ক যিবোৰ সদায় মনত ৰাখি চলিব পাৰিলে সুফল পাব পাৰি (৮) সেই কেইদিনতে ৰুটিনখন সংগ্ৰহ কৰি ল'ব লা যাতে ক্লাচত সদায় সময়মতে উপস্থিত থাকিব পৰা যায় (৯) শেষত মনত ৰাখিব মাৰ্জিত সাজ পোচাক, নম্ৰ আচৰণ ছাত্ৰ-ছাত্ৰী এগৰাকীক শুৱনি কৰে।





**লেজীয়া জীৱনত বন্ধুত্বৰ প্ৰয়োজনীয়তা-**

ছাত্ৰ জীৱনত বন্ধু বা বান্ধৱীৰ সান্নিধ্য প্ৰথম ৱনৰ মানসিক গঠনৰ কাৰণেই প্ৰয়োজনীয়। বন্ধুত্ব কৰাৰ থমিক চৰ্ত হ'ল নিজকে প্ৰফুল্ল মনে আৰু খোলা মেলাকৈ া। নেতিবাচক বন্ধুৰ পৰা সতৰ্ক থাকিব লাগিব। তিবাচক বন্ধুৰ বাবে ভাল ল'ৰা-ছোৱালীও বিপথগামী। জন প্ৰকৃত বন্ধু চিনিব পৰাটো সহজ নহয়। যদিও কেইটামান থাৰ ওপৰত মন দিলে তেওঁৰ মনোভাৱ বুজিব পাৰি- (১) পুনি কৰিব নিবিচৰা কামটো কৰিবলৈ বন্ধুজনে জোৰ ৰ নেকি? (২) আপোনাৰ যিকোনো বিপদৰ সময়ত বন্ধুৰ া সহায় পায় নেকি। (৩) আপুনি নাথাকিলে তেওঁৰ ৰিঙা ো লাগে নেকি? (৪) আপুনি নোখোৱা (নিচাজাতীয়) বোৰ বন্ধুজনে আপোনাক খুওৱাৰ চেষ্টা কৰে নেকি? ) আপোনাৰ সুবিধা-অসুবিধা, সময়-অসময়ৰ কথা নাভাবি জনে আজে-বাজে কথাকৈ ব্যতিব্যস্ত কৰে নেকি?

ওপৰোক্ত কথাকেইটা যদি আপুনি আপোনাৰ জনৰ গাত দেখিছে তেন্তে তেওঁক প্ৰকৃত বন্ধু বুলি ভাবিব। কিয়নো এনে মানসিকতাৰে বন্ধুৰ সতে ঘনিষ্ঠতা পন কৰিলে আপুনি পাছত বিপদত পৰিব পাৰে।

**ীক্ষাৰ বাবে কেনেদৰে পঢ়া উচিত-**

পৰীক্ষা বুলি শুনাৰ লগে লগে বহু যুৱক-যুৱতীয়ে খায়। ইয়াৰ আচল কাৰণ হ'ল আগতীয়াকৈ নিজৰ পাঠ্যপুথি খৰচি মাৰি নপঢ়াটো। নিতৌ পাঠ্যক্ৰমৰ বিষয়বস্তু আতিগুৰি মাৰি নপঢ়িলে এনে হোৱাটো স্বাভাৱিক।

❖ কলেজত পঢ়োৱা বিষয় সমূহ নিতৌ ঘৰত অধ্যয়ন কৰিব লাগে। আগদিনাৰ কাম পিছদিনা কৰিব পাৰিম বুলি থৈ দিব নালাগে। এনেদৰে পিচলৈ যাওঁতে যাওঁতে পঢ়নীয় বিষয় বস্তু ভালদৰে বুজি উঠিবলৈ বহু পিচপৰি যায়। সেয়েহে ছাত্ৰ-ছাত্ৰীয়ে দৈনিক ৰুটিন বনাই পঢ়িব লাগে। নিৰ্দিষ্ট সময়সীমা বান্ধি পঢ়িব লাগে। নিৰ্দিষ্ট সময় সীমা বান্ধি পঢ়িলে সদায় পঢ়িবলৈ মন যাব আৰু অধ্যয়ন নিয়ম অনুসৰি আগবাঢ়িব।

❖ জটিল বিষয় বস্তু অধ্যয়ন কৰাৰ আগতেই সহজ যেন লগা বিষয় সমূহ আগতীয়াকৈ অধ্যয়ন কৰিব লাগে। কিয়নো প্ৰথমতে টান পাঠ ল'লে মগজু ভাগৰি পৰে আৰু লগতে পঢ়াৰ প্ৰতি একাগ্ৰতা কমি আহে।

❖ একেবাৰে দীৰ্ঘ সময় পঢ়ি নাথাকিব, মাজে মাজে জিৰণি লৈ পঢ়িব লাগে। এনেদৰে পঢ়িলে মনত ৰখাৰ সুবিধা হয়। বিষয়বস্তু বুজা আৰু মুখস্থ কৰাৰ পাৰ্থক্য আছে। কোনো এটা পাঠৰ বিষয়বস্তু অধ্যয়ন কৰি ভালদৰে বুজি উঠিলে স্থায়ীভাৱে মনত ৰৈ যায়। আনহাতে ভাটোৰ দৰে সেই একেটা পাঠকে মুখস্থ কৰি থ'লে কোনো সময়ত ইয়াক পাহৰি যোৱা হয়। ই স্থায়ীভাৱে মনত নৰয়। সেয়ে ছাত্ৰ-ছাত্ৰী মুখস্থ কৰাতকৈ পাঠৰ সাৰমৰ্ম বুজ লোৱাটোহে বাঞ্চনীয়।◆◆

'অসম্ভৱ' শব্দটো মুৰ্খৰ অভিধানত পোৱা যায়।

-নেপোলিয়ন বোনাপাৰ্ট

বিদ্যালয় এখনত কৃত্ৰিম সমাজৰ মঙ্গলজনক আৰু গুৰুত্বপূৰ্ণ দিশটোহে প্ৰতিফলিত হয়।

-পাৰ্চিনান।

আমাক সেই শিক্ষা লাগে যাৰ দ্বাৰা চৰিত্ৰ গঠন হয়, মানসিক শক্তি বাঢ়ে মেধা বৃদ্ধি পায় আৰু মানুহে নিজৰ ভৰিত থিয় দিব পাৰে।

-স্বামী বিবেকানন্দ।

# ভাৰ্মিকম্পষ্ট আৰু কৃষিক্ষেত্ৰত ইয়াৰ সম্ভাৱনা



✍ ছাহাবুদ্দিন আহমেদ, এম.এছছি, বি.এড, এম. ফি
প্ৰবক্তা, উদ্ভিদ বিজ্ঞান বিভা

যাৰ নাই ধান তাৰ নাই মান বুলি কোৱা কথাষাৰ আজিও আমাৰ সমাজত প্ৰাসঙ্গিক হৈ আছে। কিন্তু ধান উৎপাদনৰ মুখ্য আধাৰ হ'ল ভাল মাটি। উপযুক্ত মাটিত ভাল খেতি, অধিক ফচল আশা কৰিব পাৰি। জনসংখ্যা বৃদ্ধিৰ লগে লগে অধিক খাদ্যৰ প্ৰয়োজন হৈ পৰিছে কিন্তু পৃথিৱীৰ উপৰিভাগৰ মাটিৰ পৰিমাণ বৃদ্ধি হোৱা নাই। তাৰোপৰি বিভিন্ন কাৰণত কৃষিভূমিৰ পৰিমাণ হ্ৰাস পাই আছে।

অধিক উৎপাদনৰ বাবে কৃষক সকলে বিভিন্ন ৰণৰ ৰাসায়নিক সাৰ আৰু ৰাসায়নিক কীট নাশক দ্ৰব্য ব্যৱহাৰ কৰিবলৈ লৈছে। এফালেদি কৃষক সকল অধিক উৎপাদন কৰাত সক্ষম হ'লেও, অন্যহাতে অত্যাধুনিক ৰাসায়নিক দ্ৰব্য প্ৰয়োগ কৰাৰ ফলত মাটিৰ উৰ্বৰতা শক্তি ভয়ানকৰূপে হ্ৰাস পোৱা দেখা যায়। এনেদৰে এই প্ৰক্ৰিয়া অনিয়ন্ত্ৰিত ৰূপত চলি থাকিলে কৃষিভূমিৰ উপকাৰী অনুজীৱবোৰ নোহোৱা হৈ জৈৱ প্ৰতিকুল পৰিৱেশৰ সৃষ্টি কৰিব আৰু কৃষিৰ বাবে সম্পূৰ্ণ অনুপযোগী হৈ বিষময় পৰিস্থিতি সৃষ্টি কৰিব বুলি বিজ্ঞানী মহলে বিকল্পৰূপে জৈৱ সাৰ, পচন সাৰ আৰু ভাৰ্মিক'ম্পষ্ট বা কেঁচুমতা সাৰৰ প্ৰয়োগৰ বাবে সঘনে পৰামৰ্শ দিয়া দেখা যায়। কেঁচুমতা সাৰ হ'ল (Vermicompost) এক প্ৰকাৰৰ পচন সাৰ। জৈৱিক সাৰৰ ভিতৰত ই অন্যতম। ই মাটিৰ পৰিৱেশ উন্নত কৰাত বিশেষভাৱে সহায় কৰে। "কেঁচু কৃষকৰ বন্ধু" বুলি কাৰা একালৰ প্ৰৱচনটো আজি বিজ্ঞানী মহলে উপলব্ধি কৰি ব্যৱহাৰিক দিশত প্ৰয়োগ কৰিবলৈ লৈছে।

কেঁচুই (Earthworm) মাটিৰ লগত মিহলি হৈ থকা উদ্ভিদ আদিৰ পঁচা বা অৰ্ধপঁচা অংশ সমূহ খায় আৰু অৱশিষ্ট অংশ বিষ্ঠা আকাৰে ত্যাগ কৰে। উল্লেখ কৰি পাৰি যে কেঁচুই হ'ল একমাত্ৰ নিম্ন শ্ৰেণীৰ বলয়ী প্ৰাণী যি খাদ্য বস্তুবোৰ (পঁচা উদ্ভিদ বা জীৱ অংশ) বিভিন্ন খনি কণলৈ (Mineralization) সম্পূৰ্ণৰূপে ৰূপান্তৰ ঘটা পাৰে। Vermicompost বা কেঁচুমতা সাৰ হ'ল কেঁচু বিষ্ঠা (Excreta)। সাধাৰণ মাটিতকৈ কেঁচুমতা সাৰত গুণ বেছি Nitrogen, 7 গুণ বেছি Phosphorus, গুণ বেছি Potassium, 2 গুণ বেছি Magnesium আৰু 2 গুণ বেছি Calcium থাকে। ইয়াৰ উপৰিও ইয়া মূল্যবান এনযাইম, ভিটামিন আৰু জিবাবেলিন হ'ৰ থাকে। কেঁচুমতা (Vermicompost) উৎপাদনৰ বা ব্যৱহাৰ হোৱা কেঁচুৰ নাম তলত উল্লেখ কৰা হ'ল-

(i) Eisenia foetida (ii) Eudrillus eugin
(iii) Amynthas diffringens (iv) Perion excatus

অসম কৃষি বিশ্ববিদ্যালয়ৰ কাঁহিকুছি, গুৱাহাটী শাখাৰ কেঁচুৰ এই প্ৰজাতিবোৰ সংগ্ৰহ কৰিব পাৰি।

উৎপাদন পদ্ধতিঃ ভাৰ্মিকম্পষ্ট উৎপাদনৰ বাবে তল পদ্ধতিটো বৰ্ণনা কৰা হ'ল-

১। কেঁচুমতা সাৰ প্ৰস্তুত কৰিবৰ কাৰণে 10 ফুট দীঘ ফুট বহল আৰু 2.5 ফুট দ'ৰ ইটা, বালি আৰু চিমে দ্বাৰা এটা Tank বনাই লওঁক। সুবিধা বা প্ৰয়োজন অনু 2 বা 3টা টেংকী বনাই ল'ব পাৰে।





। টেংকৰ তলিত অতিৰিক্ত পানী ওলাই যাবৰ বাবে 8 বা )টা 2 ইঞ্চি ব্যাসৰ বিন্ধা ৰাখক। টেংকৰ তলিভাগো মেন্টেৰে পাতল ঢালাই কৰি দিব লাগে।

। কেঁচুবোৰে স্বাভাৱিক পৰিৱেশ পাবলৈ টেংকৰ তলিত -2 ইঞ্চি বালি নাইবা মাটিৰ এটা তৰপ দিব পাৰে।

। এতিয়া টেংকটোত আধাপঁচা গোবৰ আৰু আগতে সংগ্ৰহ ৰা অলাগতিয়াল কৃষিজাত বস্তুৰ (Agro-waste) মিশ্ৰণ ) : 60 অনুপাতত মিহলি কৰক। মিশ্ৰণটো 2 ফুট ডাঠকৈ য়োগ কৰক।

উল্লেখনীয় যে, টেংকত দিয়াৰ আগতে আধা পঁচা াবৰ অলাগতিয়াল কৃষিজাত দ্ৰব্য, শাক-পাচলিৰ অৱশিষ্ট শ, গোহালীৰ লেতেৰা খেৰ, ঘাঁহ, ধানখেৰ, নৰা, টেকা, গছৰ পাত, কলগছ (কাটি লোৱা ভাল) আদি কেলগে মিহলি কৰি টেংকত দিয়াৰ আগতে 10-20 দিন ৰি পচাব লাগে। এই আধাপঁচা মিশ্ৰণটো এতিয়া টেংকত য়ক।

। টেংকত দিয়া আধাপঁচা মিশ্ৰণটোত এতিয়া প্ৰতিবৰ্গফুটত )0 টা কেঁচু নতুবা প্ৰতিটো জাবৰ জোথৰৰ কাৰণে 2-3 .গ্ৰা. কেঁচু প্ৰয়োগ কৰিব লাগে।

পঁচা গোবৰ আৰু উদ্ভিদ আদিৰ অংশৰ পৰা চুৱে ইয়াৰ প্ৰ'টিনজাতীয় আহাৰ সংগ্ৰহ কৰি বংশ বৃদ্ধি ায়।

। এতিয়া পুৱা, দুপৰীয়া আৰু গধূলি মিশ্ৰণটোৰ ওপৰত নী ছটিয়াব লাগে যাতে মিশ্ৰণটো শুকাই নেযায় আৰু াৰ আৰ্দ্ৰতা সকলো সময়তে 60% থাকে।

। কেঁচুবোৰে তলৰ পৰা ওপৰলৈ মিশ্ৰণবোৰ খাই আহি ন ঘটায় আৰু লাহে লাহে কেঁচুমতাবোৰ ওপৰভাগত মা হ'বলৈ ধৰে।

এটা তথ্যমতে এইদৰে 40 কুইন্টল বৰ্জনীয় জৈৱ ব্যৰ পৰা 30 কুইন্টল পচন সাৰ উৎপন্ন হ'বলৈ 40-60 দিন সময় লাগে। মিশ্ৰণটোৰ বৰণ যেতিয়া কলা আৰু ভূঁচিৰ আকাৰৰ হ'ব, তেতিয়া সম্পূৰ্ণ ভাৰ্মিকম্পষ্ট হৈছে বুলি ঠাৱৰ কৰিব পাৰি আৰু তেতিয়া পথাৰত ব্যৱহাৰ কৰা উপযোগী হয়।

প্ৰস্তুত হোৱা কেঁচুমতা সাৰ চালনিৰে চালি লৈ কেঁচুবোৰ অইন টেংকলৈ দিয়া হয় আৰু সাৰখিনি বস্তাত ভৰাই ব্যৱহাৰৰ বাবে ৰাখিব পাৰি।

ইয়াতে উল্লেখ কৰিব পাৰি যে, উদ্যান শস্য (আম, কঠাল, লিচু আদি) ৰ ক্ষেত্ৰত অৰ্থাৎ এজোপা আম বা লিচুৰ গুৰিত প্ৰতিবৰ্গ ফুটত 100 টা কৈ কেঁচু প্ৰয়োগ কৰি তাৰ ওপৰত জাৱৰ-জোথৰৰ আৱৰণ দি নিয়মীয়া পানী চটিয়াই থাকি গছৰ গুৰিতে কেঁচুমতা সাৰৰ উৎপাদন কৰি, গছজোপাৰ পৰা ভাল ফল পাব পাৰি। এই ক্ষেত্ৰত জাৱৰ-জোথৰৰ পচন শেষ হ'লে আকৌ জাবৰ-জোথৰ দি প্ৰক্ৰিয়াটো চলাই থাকিব পাৰি।

ভাৰ্মিকম্পষ্ট উৎপাদনত ল'ব লগা সাৱধানতাঃ

১। কেঁচুবোৰক যাতে চৰাইয়ে খাব নোৱাৰে তাৰ বাবে লোৰ তাঁৰৰ ঢাকনি দি ল'ব লাগে।

২। পচন কাম বন্ধহোৱাৰ পিচত পানী ছটিওৱা বন্ধ কৰিব লাগে।

৩। ৰঙা পৰুৱা আৰু নিগনি আদিৰ পৰা ৰক্ষা পাবলৈ টেংকৰ চাৰিওফালে পানীপূৰ্ণ নলা ৰাখিব লাগে।

৪। বৰষুণৰ পানী আৰু পোহৰ নপৰিবলৈ খেৰৰ ছালি বান্ধি দিব লাগে।

এন্ধাৰত কেঁচুৰ খাদ্য খোৱা প্ৰৱণতা যথেষ্ট বৃদ্ধি পায়।

ভাৰ্মিকম্পষ্ট ব্যৱহাৰ কৰাৰ উপকাৰিতাঃ

১। ই মাটিৰ ভৌতিক, ৰাসায়নিক আৰু জৈৱিক গুণাগুণ বৃদ্ধি কৰে।

২। মাটিৰ গঠন আৰু প্ৰকৃতিৰ উন্নতি সাধন কৰে।

। মাটিত থকা উপকাৰী জীৱাণুৰ সংখ্যা বৃদ্ধি কৰে আৰু জী ৱাণুবোৰক সতেজ কৰি তোলে।
। মাটিৰ অম্লতা নিয়ন্ত্ৰণ কৰে।
। মাটিৰ ভিতৰত বায়ু চলাচল ক্ষমতা বৃদ্ধি কৰে।
। মাটিৰ পানী ধাৰণ ক্ষমতা বঢ়ায়।
। মাটিৰ শস্যৰ কাৰণে অনুকূল পৰিবেশৰ সৃষ্টি কৰে।
। মাটিৰ পৰা সৃষ্টি হোৱা কিছুমান বেমাৰক প্ৰতিহত কৰে।
। মাটিৰ উৰ্বৰতা বঢ়ায়।
০। ইয়াৰ উৎপাদনৰ দ্বাৰা লাভজনক ব্যৱসায়িক দিশ পাব পাৰি।

এনেদৰে, ঘৰতেই পেলনীয়া জাবৰ-জোথৰৰ পৰা ভাৰ্মিকম্পষ্ট সাৰ উৎপাদন কৰি নাৰ্চাৰীৰ পুলিবোৰত বা টাবৰ গছবোৰত নতুবা ফুলনিডৰাৰ ফুল গছবোৰত ৰাসায়নিক সাৰৰ ব্যৱহাৰ হ্ৰাস কৰি এই পচন সাৰ ব্যৱহাৰ কৰিব পাৰি। বাৰীৰ মাটিতো ইয়াক ব্যৱহাৰ কৰি মাটিৰ উৰ্বৰতা অক্ষুন্ন ৰখাৰ লগতে নিৰ্ভেজাল শাক-পাচলি উৎপাদন আৰু খোৱাৰ যতন কৰিব পাৰি।

আমাৰ কৃষি প্ৰধান দেশত Vermicompost দৰে জৈৱিক পচন সাৰ উৎপাদন কৰি আৰ্থিক দিশ লাভবান হ'ব পাৰি। হাজাৰ হাজাৰ যুৱক-যুৱতীয়ে এ জৈৱিক পচনসাৰ উৎপাদনৰ আত্ম-সংস্থাপনৰ পথ হিচাপ ল'ব পাৰে। বৰ্তমান পৰিস্থিতিত কৃষিভূমিত মাটিৰ গুণাগু সঠিক ৰাখিবলৈ জৈৱিক পচন সাৰ Vermicompost যথেষ্ট প্ৰয়োজনীয়তা আছে। বিভিন্ন বেচৰকাৰী সংগঠ আত্মসহায়ক গোট বা সচেতন কৃষক সকলে ভাৰ্মিকম্পষ্টৰ উপকাৰিতা আৰু ব্যৱহাৰৰ বিষয়ে কৃষক সকলৰ মাজত জনজাগৰণ সৃষ্টি কৰাৰ গুৰু দায়ি আহি পৰিছে আৰু তেতিয়াহে আমাৰ কৃষিভূমিৰ জৈৱি পৰিবেশ সুস্থিৰ থাকিব আৰু কৃষি উপযোগী থাকিব।◆◆

[illegible]





# বিদ্যালয়, মহাবিদ্যালয়ত পাঠ্যক্ৰম, ভাষা পৰিকল্পনা এটি জলন্ত সমস্যা



✍ খন্দকাৰ আ: গফুৰ
জ্যেষ্ঠ প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ।

ভাৰতবৰ্ষ এক বহুৰাজ্যৰ বিশাল দেশ হোৱাৰ বে ভাষা আচঁনি এটি জলন্ত সমস্যা হৈ পৰিছে। গুৱিতে াত চাৰিটা পৰিয়ালৰ ভাষাৰ মানুহ আছিল যেনে ইন্দো বিয়ান, দ্ৰাবিড়িয়ান, তিব্বতবৰ্মা আৰু ছাষ্টো এচিয়াটিক যাই ভাৰত উপমহাদেশ অঞ্চল সমূহত বিয়পি পৰিছিল। তিয়া অসংখ্য আচঁনি বিদ্যালয়ত পাঠ্যক্ৰম প্ৰস্তুত কৰণৰ লিকা লোৱা হৈছে। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ গঢ় লৈ উঠাৰ গে লগে ইয়াৰ বাবে আকৌ ত্ৰিভাষা আচঁনিৰ নীতি বিদ্যালয় হত বলবৎ কৰিছে। প্ৰায় সকলো বিলাক বিদ্যালয়ত ধুনিক অসমীয়া ভাষা (এম্ আই এল্) দ্বিতীয়তে াচিকেল) শাস্ত্ৰীয় ভাষা আৰু আন্তৰ্জাতিক ভাষা যেনে ৰাজী ভাষা বিষয় নিজকে চিনাক্ত কৰাৰ বাবে বা গ্ৰুপ নাক্ত কৰণৰ বাবে (ক্লাচিকেল) শাস্ত্ৰীয় সনাতন ভাষা তীয় সংস্কৃতিৰ মূল্যাংকনৰ বাবে আৰু আন্তৰ্জাতিক ভাষা ন্তৰ্জাতিক স্বীকৃতিৰ কাৰণে আৰু আন্তৰ্জাতিক (লিঙ্ক) ন্ধ আৰু বৌদ্ধিক গঠন আৰু পদমৰ্য্যদাৰ বাবে স্বীকৃতি ান কৰা হৈছে। ভাষা তত্ববিধ সকলে চিন্তা কৰে যে ন পদ্ধতিয়ে মানৱ সম্পদ বিকাশ কৰে আৰু ভাষাই কমাত্ৰ অতি গুৰুত্বপূৰ্ণ মানৱসমাজত বুদ্ধিমত্তা বিকাশৰ াগাযোগৰ আহিলা স্বৰূপ বিভিন্ন গ্ৰুপৰ মাজত স্বীকৃতি য়। সেয়েহে ভাষা এটা ৰাষ্ট্ৰ গঠনৰ মূল উপাদান বা হিলা যাৰ জৰিয়তে কওঁতাৰ বা আচৰণকাৰী সকলৰ জত একতা বিৰাজ কৰে। কিন্তু আধুনিক গণতান্ত্ৰিক ৃতিত বিজ্ঞানৰ ব্যাপকতা, কাৰিকৰী শিক্ষাৰ উন্নতি, ানুষ্ঠানৰ প্ৰগতি, বানিজ্যিক প্ৰসাৰতা হোৱাৰ লগে লগে চহৰ, নগৰ সমূহত বিদেশী পৰ্যটক সকলে ভ্ৰমণ কৰে। ইয়াত বিদ্যালয়ৰ প্ৰচলিত পাঠ্যক্ৰম এনে জটিল সমস্যা সমাধান কৰাত ব্যৰ্থ হৈ পৰে। কোৱা বাহুল্য যে ইংৰাজী ভাষাই আন্তৰ্জাতিক স্থান দখল কৰা বাবে ইয়াৰ গুৰুত্ব অপৰিসীম। প্ৰশ্ন হৈছে, এতিয়া বাকী দুটা ভাষাৰ অৱস্থা কি হ'ব? কেনেকৈ ভাষাগত অঞ্চল বাছনি কৰা হ'ব বা আঞ্চলিক ভাষা বা সৰ্বভাৰতীয় ভাষা বুলি কোৱা হ'ব কিয়নো ভাৰতবৰ্ষৰ গাওঁ আৰু পৰিয়াল সমূহত বিভিন্ন ভাষা ভাষিক মানুহ আছে। উদাহৰণ স্বৰূপে, উৰিষ্যাত তেলেগু দেশম ভাষা প্ৰয়োগ কৰিলে তেতিয়া হ'লে উৰিয়া, বাঙ্গালী, সিন্ধি শিশুসকলৰ ভাষা সমস্যা কি হ'ব? এতিয়া তৃতীয় ভাষা সম্পৰ্কে চোৱা যাওঁক। ছাত্ৰ-ছাত্ৰী সকলৰ বাবে সাংস্কৃতিক ভাষাই কি দৰে সহায়ক হ'ব পাৰে। কিছুমান চৰকাৰী বিদ্যালয়ত ইউৰোপীয় ভাষা যেনে ফ্ৰেন্স ভাষা বা জাৰ্মানী ভাষা সংস্কৃতিৰ পৰিৱৰ্ত্তে বিদ্যালয়ত পাঠ্যক্ৰম হিচাপে প্ৰৱৰ্ত্তন কৰা হৈছে। এনেকুৱা ভাষাই চাকৰি বাকৰি লোৱাৰ ক্ষেত্ৰত গুৰুত্ব পায়। কিন্তু ভাষাৰ বুৎপত্তিৰ নিৰিখৰ পৰিমাণ কি? শ্ৰেণী কোঠাত ছাত্ৰ-ছাত্ৰীয়ে ভাষাৰ মাধ্যমেদি বিকশিত হোৱাৰ ঢাকোন মেল খায়। যেতিয়া সি বিদ্যালয় ত্যাগ কৰে, তেওঁ চৰমভাবে তেওঁৰ ভাষাৰ লগত সম্পৰ্কবোৰ পাহৰিব ধৰে। বৰ্ত্তমান কাকতবোৰে এনে কিছুমান মানৱ সম্পদ বিকাশৰ প্ৰসংগৰ লগত জড়িত থাকে। গণতন্ত্ৰ ব্যৱস্থাত এনে কিছুমান জটিল ভাষা পৰিকল্পনাৰ বিষয়ে চিন্তা কৰে। ভাৰতীয় সংবিধানেওঁ নাগৰিকৰ ন্যায়িক, স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্বভাৱৰ নিৰাপত্তাৰ স্বীকৃতি প্ৰদান কৰিছে। যিহেতু

ভাৰতবৰ্ষ এখন সমাজবাদী ধৰ্ম নিৰপেক্ষ গণতান্ত্ৰিক গণৰাজ্য প্ৰতিষ্ঠিত হৈছে, ভাষা পৰিকল্পসকলে তেওঁলোকে বিভিন্ন সম্প্ৰদায়ৰ ভাষাৰ সমস্যাৰ আবেগক কাণসাৰ নিদিয়াকৈ নথকা অনুচিত। একে সময়তে আকৌ এইটো লক্ষ্য কৰা উচিত যে মানৱ সমাজ উন্নতিৰ বাবে তেওঁলোকে কি ভাষা বাচনি কৰিব আৰু মানৱ সম্পদ বিভাগৰ কিদৰে বিকশিত হ'ব তাৰো পৰিকল্পনা কৰা একান্ত প্ৰয়োজন। ভাৰতবৰ্ষত ইংৰাজী ভাষা দ্বিতীয়ভাষা হিচাবে পদমৰ্যদা আৰু গুৰুত্ব পাই আহিছে সেইটো অস্বীকাৰ কৰিব নোৱাৰি আৰু বিভিন্ন শিক্ষাৰ জনগোষ্ঠী আৰ্ন্তজাতিক ভাষা যোগাযোগৰ স্থান পাইছে। পৃথিৱীখন আজি বিশ্বায়নৰ ফালে গতি কৰাত ইংৰাজী ভাষাই সমাদৰ লাভ কৰিব ধৰিছে। ভাৰতবৰ্ষত কেৱল মাত্ৰ বিদ্যালয়ত ইংৰাজী ভাষাৰ শিক্ষা দিয়া হয় যদিও কিছুমান বুদ্ধিমত্তা ল'ৰা -ছোৱালীয়ে ভাৰতীয় ইংৰাজী ভাষা নিজৰ পৰিয়ালতহে ব্যৱহাৰ কৰে। অধিকাংশ বিদ্যালয় সমূহৰ কিতাপবোৰ ইংৰাজী মাধ্যম আনকি টলিভিছনৰ মাধ্যম ছিনেমা আদি আমেৰিকাৰ ইংৰাজী মাধ্যমত প্ৰচলিত হয়। ইংৰাজী মাধ্যমৰ বিদ্যালয়ত আধুনিক, মাধ্যমিক ভাষা পচন্দ কৰা ছাত্ৰ-ছাত্ৰীৰ বাবে এক জটিল কাম। বেছিভাগ প্ৰধান নগৰ বা ধৰ্ম সম্বন্ধীয় নগৰত স্বদেশ-বিদেশ ভেদ নথকা এক দিক্‌দৰ্শী চৰিত্ৰৰ। এটা শ্ৰণীয়ে কেবাটাও মাতৃভাষাত কথা ক'ব পৰা জ্ঞান অৰ্জন কৰিব পাৰে। আনকি যদিও সংখ্যাগৰিষ্ঠ ছাত্ৰ-ছাত্ৰীয়ে আধুনিক মাধ্যমিক ভাষা পচন্দ কৰে তেনেক্ষেত্ৰত বিদেশী ভাষা ইংৰাজী ভাষাৰ মাধ্যমত **(Non-native peaker)** এজনে সমস্যাৰ সন্মুখীন হয়। তেনে ছাত্ৰ-ছাত্ৰীয়ে মাতৃভাষাৰ বাহিৰে ইংৰাজী বিদেশী ভাষাৰ মাধ্যমত কঠিন হৈ পৰে। উদাহৰণ স্বৰূপে, অসমত অসমীয়া ভাষাত আধুনিক মাধ্যমিক ভাষা বড়ো ছাত্ৰ-ছাত্ৰীয়ে মাতৃভাষাত লিখিবলৈ ভাল পায়। কিয়নো অসমীয়া ভাষা আৰু বড়ো

ভাষা একে নহয়। যেনেদৰে উৰিয়া এজনে হিন্দী শিকিবলৈ
বা ক'বলৈ জটিল হয় কাৰণ হিন্দী ভাষাত তেওঁলোকে পুলিং
বা স্ত্ৰীলিংগৰ ব্যৱহাৰ আৰু বিশেষ্য আৰু সৰ্বনামৰ পাৰ্থক
কৰিব নোৱাৰে। এইবোৰৰ প্ৰয়োজনীয়তা বুলি ভাবি তামি
সকলে উৰিয়া সকলক তামিল ভাষা শিকাবলৈ যত্ন কৰি
আছে। যিহেতু উৰিয়াসকলে তামিলনাডুত বসবাস কৰে
কিন্তু এইটো নিশ্চয়তা নাই যে উৰিয়া সকলে সদা
তামিলনাডুতেই বসবাস কৰিব। যদি তেওঁ দৰ্কাৰ বশত
প্ৰয়োজনৰ তাগিদাত দেশৰ আন প্ৰান্তলৈ যাব লগা হয় তে
নিজকে ভাষাগত ভাবে নিৰাশ আৰু হতাশাত ভুগিব, তে
ক্ষেত্ৰত তেওঁ নিজৰ মাতৃভাষাওঁ প্ৰয়োগ কৰিব নোৱাৰিব
ছাত্ৰ এজনে নিজৰ মাতৃভাষাত সাহিত্যত পাৰ্গত হ'বলৈ
কষ্ট নহব। মাতৃভাষাৰ বিদ্যালয় সমূহত সকলোবিলা
বিষয়ৰ ওপৰত মাতৃভাষাৰ জৰিয়তে পঢ়া হয়। তেনেকৈ
তৃতীয় ভাষা শিকিবলৈ সমস্যা হয়। বিদ্যালয় সমূহত ইংৰাজ
নাইবা মাতৃভাষাৰ মাধ্যমেই হওঁক সংস্কৃত নাইবা আৰব
শিকায়। সংস্কৃত বা আৰবী এই কাৰণেই শিকোৱা হয় যে
এটা পিতৃব্য ভাষা আৰু এইটো ইন্দো-এৰিয়ান বা আৰবীয়
পৰিয়ালৰ ভাষা আছিল। ভাৰতীয় এতিহ্য সুৰক্ষা কৰিবলৈ
আৰু ভাৰতীয় জাতীয় সংস্কৃতি ধৰি ৰখাৰ বাবে আৰু জাতী
মূল্যায়নৰ বাবে ভাষা পৰিকল্প সকলে বিদ্যালয় সমূহ
সংস্কৃত ভাষা প্ৰয়োগৰ ওপৰত গুৰুত্ব দিছে। তেনে মহ
কামক আদৰণি জনাই তেনে ব্যৱস্থাক সন্মান জনাইছে। কি
এই জটিল সমস্যা যে সংস্কৃত ভাষাৰ ব্যাকৰণ বৰ কঠিন
ছাত্ৰ-ছাত্ৰী সকলে মুখস্থ কৰাতো জটিল হৈ পৰে। বহু ছাত্ৰ
ছাত্ৰীয়ে এনে ভাষা শিকিবলৈ লয় যদিওঁ জটিল সমস্যা
পৰে। কিন্তু, উচ্চতৰ মাধ্যমিক নাইবা কলেজ পৰ্য্যায়
পাঠ্যক্ৰম জটিল হৈ পৰে। ছাত্ৰ-ছাত্ৰী সকলে নিপুণতা
সংস্কৃত ভাষাত নাইবা এৰাবিক ভাষাত কথা কব নোৱাৰে
ছাত্ৰ-ছাত্ৰী সকলে পৰীক্ষাত ভাল নম্বৰো নাপায়। আ



নৱজ্যোতি মহাবিদ্যালয় আলোচনী/২০০৩-০৪

ওঁলোকক লিখিত আৰু কোৱাৰ বাবে নিপুণ কৰি তুলিব
গে। এইটো কাৰণ যে ছাত্ৰ-ছাত্ৰী সকলে শ্ৰেণী কোঠাৰ
হিৰে সংস্কৃত ভাষা ব্যৱহাৰ নকৰে। মাতৃভাষা হিচাবে
ৰিয়ালত কোনেওঁ সংস্কৃত ভাষা প্ৰয়োগ নকৰে। সেই
ৰণে শিকোতাই পৰৱৰ্ত্তী সময়ত সমাজত সংস্কৃত ভাষা
ধ্যমত এটা শব্দওঁ কৱ নোৱাৰে। কিছুমান বিদ্যালয়ত
স্কৃতক **(Option)** বিষয় হিচাবে লয়। এনে ক্ষেত্ৰত বহুত
ল ছাত্ৰই বেছি নম্বৰ সংগ্ৰহ কৰিবলৈ সংস্কৃত বিষয় বাছনি
ৰি লয়। আজি কালি চৰকাৰী বিদ্যালয়ত ফ্ৰেন্স, জাৰ্মান,
লিয়ান ভাষা তৃতীয় ভাষা হিচাবে ছাত্ৰ-ছাত্ৰীয়ে বাছনি
ৰি লয়। সেইদৰে যুৱক-যুৱতীয়ে ইংৰাজী মাধ্যমত
ওঁলোকৰ মনত দোধৰ-মোধৰত পৰে **(centre)** নে
**enter)** লিখিব। তেনেকৈ আকৌ তেওঁলোকৰ মাজত
চাৰণলৈওঁ দোধৰ-মোধৰ পৰিলক্ষিত হয়। আনকি
দ্যালয়ত ইংৰাজী মাধ্যমৰ ল'ৰা-ছোৱালীয়ে অসমীয়া
ধ্যমত পঢ়া ল'ৰা-ছোৱালী ইংৰাজী মাধ্যমৰ ভাষাৰ শিক্ষাৰ
তম্য পৰিলক্ষিত হয়। ইয়াৰ মূল কাৰণ এইযে ইংৰাজী
ধ্যমৰ ল'ৰা-ছোৱালীয়ে মুকলিকৈ ইংৰাজী ভাষা অধ্যয়ন
ৰ আৰু ভূগোল, বুৰঞ্জী, পৌৰবিজ্ঞান, আৰু অন্যান্য
ঠ্যক্ৰমবোৰ ইংৰাজী মাধ্যমত অধ্যয়ন কৰে। গতিকে
ংৰাজী ভাষাত কথা কোৱা উজু হৈ পৰে আৰু ইয়াৰ
ত্বওঁ অপৰিসীম। যিসকলে ইংৰাজী মাধ্যমত পঢ়ে আৰু
কয় তেওঁলোকৰ তাৰ ওপৰত প্ৰভুত্বওঁ আছে। আনকি
ংৰাজী মাধ্যমত পঢ়ি মাধ্যমিক স্তৰত ছাত্ৰ-ছাত্ৰী সকলৰ

মনত মানসিক সন্তুষ্টি চিত্ত আৰু বিচক্ষণতা দেখা যায়। কিন্তু, সেই অসমীয়া মাধ্যমত পঢ়া স্কুলৰ ল'ৰা-ছোৱালীৰ মনত ভাষাজনিত কাৰণত সেইবোৰ দেখা নাযায়। ইয়াৰ মূল কাৰণ ছাত্ৰ-ছাত্ৰী সকলে কেৱল ইংৰাজী কাকতখন ইংৰাজী ভাষাত প্ৰকাশ কৰে আৰু বাকীবোৰ বিষয়ৰ ওপৰত নিজৰ মাতৃভাষা অসমীয়া মাধ্যমত পঢ়া। ইয়াত কথিত ইংৰাজী ভাষাৰ ওপৰতো ব্যৱহাৰিক গুৰুত্ব নিদিয়ে। এনেক্ষেত্ৰত কেৱল মাত্ৰ মেধাবী ছাত্ৰ-ছাত্ৰীয়েহে ভাল কৰিবলৈ সক্ষম হয়। বাকী সাধাৰণ ল'ৰা-ছোৱালীয়ে লিখিত আৰু কোৱা-মেলাত নিম্নস্তৰৰ কাৰ্য্যকৰণ সম্পাদন কৰে। সেই কাৰণে পৰৱৰ্ত্তী সময়ত উচ্চতৰ মাধ্যমিক বা কলেজ পৰ্য্যায়ত ইংৰাজী মাধ্যম আৰু মাতৃভাষাৰ মাধ্যমৰ ল'ৰা-ছোৱালীয়ে ইংৰাজী মাধ্যমতেই পঢ়িব লগা হয় যদিওঁ, বিহাৰ, মধ্যপ্ৰদেশ, অসম, পশ্চিমবঙ্গত উচ্চ শিক্ষাৰ মাধ্যম মাতৃভাষাতেই অধ্যয়ন কৰে। পৰৱৰ্ত্তী জীৱনত অধিকাংশ ছাত্ৰই মাতৃভাষাৰ মাধ্যমত শিকি জীৱন যাত্ৰাত অসুবিধাত পৰে আৰু ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে সকলো কামতে সফল হ'ব পাৰে। ভাষা শিক্ষাবিদ সকলে এনে ঘটনাৰ ওপৰত দৃষ্টি দিয়া প্ৰয়োজন। এই বিষয়ত পৰামৰ্শ দিব পাৰি যে মাতৃভাষা মাধ্যমৰ পাঠ্যক্ৰমৰ বিদ্যালয় সমূহওঁ কিছু পৰিমানে উন্নত কৰাৰ বাবে যত্ন কৰা দৰকাৰ। আন্তৰ্জাতিক ক্ষেত্ৰত ইংৰাজী ভাষাৰ গুৰুত্ব হোৱা হেতুকে এই দিশতো ইংৰাজী ভাষাওঁ উন্নত কৰাত দৃষ্টি দিব লাগে। ❖❖

প্ৰকৃত ছাত্ৰই কেতিয়াও ক্ষমতা নিবিচাৰে, তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য। সত্য আৱিস্কাৰ কৰিবৰ বাবে তেওঁ সকলো কৰিবলৈ সাজু থাকে।

**-ছাৰ জগদীশ চন্দ্ৰ বসু**

# কেইবিধ প্ৰধান শস্যৰ ৰোগ নিৰাময় পদ্ধতি

✍ মোঃ আব্দুল খালেগ
জেষ্ঠ প্ৰবক্তা, উদ্ভিদ বিভা

প্ৰধান শস্য বুলিলে আমি ধান, গম, ঘেহু আৰু বিভিন্ন ধৰণৰ শাক-পাচলি আলু, মূলা, বিলাহী, বেগেনা, কুহিয়াৰ, মৰাপাট আদিৰ কথাই সুচাওঁ। আমাৰ প্ৰধান খাদ্য শস্য ধান, গম আদিয়ে বিভিন্ন ধৰণৰ ৰোগৰ দ্বাৰা আক্ৰান্ত হয়। গতিকে ৰোগাক্ৰান্ত শস্য নিৰাময় কৰিবলৈ হ'লে সচৰাচৰ হোৱা ৰোগৰ লক্ষণ, বীজানুৰ কাৰকৰ বিষয়ে আগতে জানিব লাগিব। সেয়েহে কেইবিধ মান শস্যৰ ৰোগৰ বীজানুৰ কাৰক, লক্ষণ আৰু ৰক্ষা পদ্ধতিৰ বিষয়ে ইয়াত উল্লেখ কৰা হ'ল।

প্ৰধান খাদ্য শস্য ধানৰ বহুত ৰোগ আছে। এইবোৰ ৰোগৰ লক্ষণ বেলেগ। ধানৰ প্ৰধান ৰোগ হ'লঃ- চিথ ব্লাইট (Sheath blight), টুংগৰ ভাইৰাজ (Tunggor Virus), বেক্টেৰিয়েল লিপ ব্লাইট (Bacterial leap blight), চিথ ৰ'ট ব্লাষ্ট ৰোগ আদি। এই ৰোগবোৰ ধান খেতি কৰা প্ৰায় সকলো দেশত হোৱা দেখা যায়। আমাৰ অসমতো এই ৰোগবোৰ হৈ যথেষ্ট পৰিমানৰ ধান উৎপাদন কমাই অৰ্থনৈতিক ভাবে খতি কৰে। এই ৰোগবোৰৰ ভিতৰত ব্লাষ্ট আৰু চিথব্লাইটৰ প্ৰকোপ বেচি হোৱা বাবে ইয়াত এই ৰোগ দুটাৰ বিষয়ে আলোচনা কৰিলো।

১) ধানৰ ব্লাষ্ট ৰোগঃ-এই ৰোগ পাইৰিকুলেৰিয়া অৰাইজি (Pyricularia oryzae) নামৰ ভেকুঁৰে সৃষ্টি কৰে। এই ভেকুঁৰে কনিডিয়াম ৰেণু উৎপন্ন কৰি ধান গছৰ বায়বীয় অংশ আক্ৰমন কৰে। প্ৰথমে ধান গছৰ পাতত সৰু সৰু কিছুমান পাতল নীলা বৰণৰ দাগ দেখা দিয়ে। পাছলৈ এই দাগবোৰ ঘুৰণীয়া হয় আৰু মাজৰ অংশ সেউজীয়া বা গেৰুৱা সেউজীয়া হয়। এই ৰোগ কাণ্ডৰ গাঠিতো দেখা দিয়ে। তাৰ পৰা ধানৰ শীহ আৰু পুষ্পবিন্যাসতো

একেধৰণৰ দাগ সৃষ্টি কৰি ৰোগ বিয়পি পৰে।
আক্ৰান্ত হ'লে শীহৰ গুৰি ওলমি থাকে আৰু পাছলৈ
পঁচি শীহ সৰি পৰে। এই ৰোগ ধানত হ'লে ধানবোৰ চিটা
পৰিণত হয় আৰু যাৰ ফলত ধানৰ উৎপাদন অধিক
যায়।

এই ৰোগৰ পৰা হাত সাৰিবলৈ তলৰ পদ্ধতিবে
অৱলম্বন কৰিব লাগে।

ক) বীজ ৰোপন কৰাৰ আগতে বীজবোৰ দুই বাৰ "ক
ছালফেটেৰে" শোধন কৰি ল'ব লাগে।

খ) ৰোগ দেখা দিয়া গছবোৰ উঘালি আনি পুৰি বা পুঁ
থব লাগে।

গ) ৰোগৰ লক্ষণ ধান গছৰ পাতত দেখাৰ লগে ল
কিছুমান ভেঁকু ৰ বিধ্বংসী ৰাসায়নিক পদাৰ্থ যেনে
দায়থেন জেদ-78 (Dithane-Z-78) বা হিন
(Hinosin) বা ব্ৰেছটেনল(Brestanol) বা জে
(Zeneb) আদি স্প্ৰে কৰিব লাগে।

ঘ) নাইট্ৰজেন জাতীয় সাৰ কম পৰিমাণে ব্যৱহাৰ ক
লাগে, কাৰণ এই জাতীয় সাৰে ৰোগ বিয়পোৱাত স
কৰে।

ঙ) ৰোগ প্ৰতিৰোধ ক্ষমতা থকা প্ৰজাতি ধানৰ খেতি ক
লাগে। যেনেঃ-(Co-25), (Co-26), জয়া, ৰঞ্জিত, মা
আদি ধানৰ প্ৰজাতিৰ ৰোগ প্ৰতিৰোধ কৰিব পৰা সঁচ ব্যৱ
এই ৰোগ নিয়ন্ত্ৰণৰ আট ইতকৈ উপযোগী পদ্ধতি।

চ) ধান চপোৱাৰ পিছত খেতি পথাৰত থকা ধান গা
নৰা পুৰি পেলাব লাগে। কাৰণ নৰাৰ লগত থকা ভেঁকু
কনিডিয়াম ৰেণু পৰৱৰ্তী খেতি আক্ৰান্ত কৰে। চিথ ব্লা
(Sheath blight), এই ৰোগ ৰাইজটনীয়া ছল





izoctonia solani), নামৰ ভেঁকুৰৰ দ্বাৰা আক্ৰান্ত
বেমাৰ।

এই ৰোগৰ লক্ষণ হ'ল ধান গছৰ পানীৰ ওপৰত
পাববোৰত দেখা দিয়ে আৰু পাছত পাতলৈ বিয়পি
বেছিহঁ। প্ৰথমে পাতৰ আৱৰণীত সেউজীয়া মটীয়া ৰঙৰ উপ-
কাৰ বা ঘূৰণীয়া চকলা চকল দাগৰ সৃষ্টি হয়। পাছলৈ
বাৰ লগ লাগি ডাঙৰ দাগত পৰিণত হয়, আৰু পত্ৰ
বন তথা গছ জোপাক বৃদ্ধিত বাধৰ সৃষ্টি কৰে। ধানৰ
অহাৰ আগত বা পাছলৈ ধান এইৰোগৰ দ্বাৰা আক্ৰান্ত
আৰু শীহবোৰ চিটাত পৰিণত হয়। ফলত ধানৰ
াদন কমে। নিৰোগী ধান গছ আক্ৰান্ত গছৰ সংস্পৰ্যলৈ
লে আক্ৰান্তহৈ ৰোগ বিয়পে উৎপাদন কমাই দিয়ে।

তলত দিয়া পদ্ধতিৰে এইৰোগ নিয়ন্ত্ৰণ কৰিব

াষ্ট ৰোগৰ বাবে বীজ শোধন কৰি।
ই ৰোগ দেখা দিয়াৰ লগে লগে বেভিষ্টিন ১গ্ৰাম ২
ৰ পানীত দি মিশ্ৰণ তৈয়াৰ কৰি প্ৰতি বিঘাই ৫০ লিটাৰৰ
৮০ লিটাৰ ১০ দিনৰ মুৰে মুৰে ছটিয়াব লাগে। নাইবা
ফেল এম ৪৫ (Endophile-M-45) ২.৫ গ্ৰাম ১লিটাৰ
ত মিশ্ৰণেৰে ছটিয়াব লাগে।
খতি পথাৰত বেচি পানী থাকিব নালাগে আৰু আক্ৰান্ত
খেতি পথাৰৰ পানী নিৰোগী খেতি পথাৰলৈ যাব
নালাগে। ৪। নাইট্ৰজেন জাতীয় সাৰ কমকৈ ব্যৱহাৰ
লাগে।
ৰোগ প্ৰতিৰোধী ক্ষমতা থকা যেনেঃ-জয়া, পঙ্কজ, মালা
সঁচেৰ খেতি কৰিব লাগে।
খতি চপোৱাৰ পিছত খেতি পথাৰত থকা নৰাবোৰ
বা পথাৰতে পুৰিওঁ এই ৰোগ নিয়ন্ত্ৰণ কৰিব পাৰি।

এতিয়া দুবিধ মান পাচলিৰ ৰোগৰ বিষয়ে
াচনা কৰিম। যেনেঃ- আলু আৰু বিলাহীৰ সচৰাচৰ
ৰোগৰ ভিতৰত বেচিকৈ হোৱা ৰোগ হ'ল লেটব্লাইট,
বলি যোৱা, পাত মুজুৰা পৰা আদি ৰোগ।

লেটব্লাইটঃ-এইবিধ ৰোগ আলু আৰু বিলাহীৰ ধ্বংসাত্মক ৰোগ। আমাৰ সাধাৰণ ৰাইজৰ মাজত এই ৰোগ ব্লাইট নামেৰে পৰিচিত। এই ৰোগ ফাইটোফথ'ৰা ইনফেছটেনছ (Phytophthora infestens) নামৰ ভেঁকুৰৰ দ্বাৰা আক্ৰান্ত হোৱা ৰোগ।

এইবিধ বেমাৰৰ লক্ষণ প্ৰথমে আলু গছৰ পাতত দেখা দিয়ে। আক্ৰান্ত হোৱা গছৰ পাতত ডাঠ মুগা বৰণৰ সৰু দাগ দেখা যায়। এই দাগবোৰ ইটো সিটো লগলাগি ডাঙৰ কলা ৰঙৰ দাগত পৰিণতহৈ সম্পূৰ্ণ পাতটো পচাই পেলায়। পাতৰ পৰা ঠাৰি, গা-গছলৈ এই ৰোগ বিয়পে আৰু গা-গছ সম্পূৰ্ণ ভাবে পচি যায়। ডাৱৰীয়া আৰু সেমেকা বতৰত উষ্ণতা ১১° ছেঃ গ্ৰেডলৈ নামিলে এই ৰোগ মহামাৰী ৰূপ লয় আৰু বনজুইৰ দৰে বিয়পি এক একৰ মাটিৰ খেতি দুই-তিনি দিনৰ ভিতৰতে ধ্বংস কৰে। গা-গছ পঁচি যোৱাৰ ফলত এই ৰোগ আলুলৈ বিয়পি উৎপাদন কমাই দিয়ে।

এই ৰোগৰ পৰা আলু ৰক্ষা কৰিবলৈ হ'লে তলৰ পদ্ধতিবোৰ প্ৰয়োগ কৰিব।

১। প্ৰাথমিক প্ৰতিকাৰ হিচাপে বেমাৰ দেখা দিয়া গছবোৰ উঘালি আনি দুৰত পুতি বা পুৰি পেলাব লাগে।

২। গছবোৰ এমাহ বয়স হ'লে বেমাৰ দেখা দিয়ক বা নিদিয়ক ডইথেন এম-৪৫ (Dithene-M-45) বা বৰডিয়ক্ মিশ্ৰণ বিঘাই প্ৰতি ৪০/৫০ লিটাৰ পানীত অৰ্থাৎ প্ৰতি ১০ লিটাৰ ৩-৪ চামুচ দি মিশ্ৰণ স্প্ৰে কৰিব লাগে। ১৫ দিন বা বেমাৰ বেচি হ'লে ১০ দিন মুৰে মুৰে এই মিশ্ৰণবোৰ স্প্ৰে কৰিব লাগে। ইণ্ডোফিল এম-৪৫ নামৰ ঔষধ ২.৫ গ্ৰাম প্ৰতি লিটাৰত দিলে ভাল ফল পোৱা যায়।

৩। সঁচ হিচাপে ব্যৱহাৰ কৰা আলু বেমাৰ দেখা নিদিয়া ঠাইৰ পৰা সংগ্ৰহ কৰিব লাগে।

৪। সদায় নিৰোগী আলু সিচিব লাগে।

৫। আলু বেমাৰ দেখা দিয়া খেতিত পৰৱৰ্তী বছৰত আকৌ আলু বা বিলাহী কৰিব নালাগে অৰ্থাৎ শস্যৰ আৱৰ্তন কৰিব

লাগে।

৬। খেতি পথাৰত পানী জমা হৈ থাকিব দিব নালাগে।

। নাইট্ৰজেন জাতীয় সাৰ যেনেঃ-ইউৰিয়া কম পৰিমাণে ব্যৱহাৰ কৰিব লাগে কাৰণ ভেঁকুৰজনীত ৰোগ বৃদ্ধি হোৱাত সহায় কৰে।

। বেমাৰ প্ৰতিৰোধী জাতৰ সঁচৰ আলু খেতি কৰিব লাগে।

। আলু খেতিত জাবৰ-জোথৰৰে ঢাকি নাইবা মাটিৰে ভাৰ তুলি দিও এই বেমাৰ প্ৰতিৰোধ কৰিব পাৰি।

এই বেমাৰ বিলাহীত হ'লে প্ৰথমে ঘুৰণীয়া কলা দাগ পৰে আৰু পিছলৈ পাতবোৰ সম্পূৰ্ণ কলাহৈ পুৰি যাৱাৰ নিচিনা হয়। পাতৰ পৰা এই ৰোগ ক্ৰমে ঠাৰি, ফুল আৰু ফল (বিলাহী)লৈ বিয়পে। বিলাহীত হ'লে ইয়াৰ ছালবোৰ মামৰে ধৰাৰ নিচিনা হৈ সোতৰা সোতোৰ হৈ পৰে। বতৰ সেমেকা আৰু ডাৱৰীয়া হ'লে এই ৰোগ মহামাৰী ৰূপ লয় আৰু বিলাহী উৎপাদন যথেষ্ট কমাই দিয়ে।

এই বেমাৰৰ প্ৰতিকাৰ আলুৰ পচন বেমাৰৰ দৰেই। লেবেলি যোৱা ৰোগ হ'ল বিলাহীৰ আন এটা মাৰাত্মক ধ্বংসকাৰী ৰোগ। সচৰাচৰ এই ৰোগ বিলাহী গছ ফুলিবৰ সময়ত দেখা দিয়ে। এই ৰোগৰ দ্বাৰা আক্ৰান্ত হোৱা ছবোৰৰ পাত লেবেলি পৰি কোজমোজ খায়। গছবোৰ নাবাঢ়ে আৰু ফুল নধৰে। যাৰ ফলত উৎপাদন কমি যায়।

এই বেমাৰৰ পৰা ৰক্ষা পাবলৈ তলত উল্লে
পদ্ধতি প্ৰয়োগ কৰিব লাগে।

১। এবাৰ বেমাৰ হোৱা খেতিত পুনৰাই কমেও ২/৩
বিলাহী খেতি কৰিব নালাগে।

২। খেতি পথাৰত পানী জমা হৈ থাকিব দিব নালাগে

৩। বেমাৰ দেখা দিয়া গছবোৰ উঘালি আনি দুৰত পু
পুৰি পেলাব লাগে।

৪। ট্ৰেপ্ট' চাইক্লিন (Trapta cycline) ঔষধ ১
৫০ লিটাৰ পানীত মিহলাই ১৫ দিনৰ অন্তৰে অন্তৰে
বোৱাৰ পৰা আৰম্ভ কৰি ফুল ধৰা সময়লৈ প্ৰয়োগ
লাগে।

৫। বেমাৰ প্ৰতিৰোধী ক্ষমতা থকা সঁচ যেনেঃ- অ
আলোক, আৱকা আভা, বিটি-১ আদিৰ খেতি কৰিব
আৰু এইটোৱে এইবোৰ বেমাৰ নিয়ন্ত্ৰণ কৰাৰ আটা
উত্তম উপায়।

এইদৰে বিভিন্ন উদ্ভিদৰ ৰোগ বিভিন্ন
হৈ আমাৰ প্ৰধান শস্যবোৰৰ যথেষ্ট ক্ষতি
কৰি আমাৰ খেতিয়ক সকলোৰ অৰ্থনৈতিক ক্ষতি
গতিকে এই ৰোগবোৰৰ পৰা আমাৰ শস্য
উপযুক্ত পদ্ধতি প্ৰয়োগৰ দ্বাৰা ৰক্ষা কৰা
পৰোক্ষ ভাবে আমাৰ দেশৰ অৰ্থনৈতিক উন্নতি সাধ
হ'ব।◆◆

"অসহনশীলতা, অনিশ্চিতা আৰু ৰুক্ষতা হৈছে সকলো সুস্থ সমাজৰ বাধা স্বৰূপ আৰু গণতান্ত্ৰিক আদৰ্শৰ পৰিপন্থি।"

- মহাত্মা গান্ধী

"ঈশ্বৰ মন্দিৰত নাই, অৰণ্যত নাই, গুহাত নাই। ঈশ্বৰ আছে মানুহৰ অন্তৰত বিচাৰিব জানিলেই হ'ল।"

- স্বামী বিবেকানন্দ







# অসমৰ কলেজ সমূহত স্কাউট্‌ছ এণ্ড গাইড্‌ছ প্ৰৱৰ্তন

ড° চৈয়দা জাহানাৰা বেগম
ৰেঞ্জাৰ লিডাৰ, নৱজ্যোতি কলেজ।

স্কাউট্‌ছ এণ্ড গাইড্‌ছ এটা স্বেচ্ছাসেৱী, অৰাজনৈতিক অনুষ্ঠান। ১৯০৭ চনতেই বিশ্বৰ বুকুত জন্ম লোৱা এই সংস্থাই ভাৰতবৰ্ষত অংকুৰিত হৈছিল ১৯১০ চনত। কিন্তু আনুষ্ঠানিক ভাৱে এই সংস্থাটো ১৯৫০ চনত ৭ নৱেম্বৰ তাৰিখেহে ভাৰত স্কাউট্‌ছ এণ্ড গাইড্‌ছ নামেৰে বিশ্বত পৰিচিত হয়। এই পবিত্ৰ অনুষ্ঠানটোৰ জন্মদাতা হ'ল লৰ্ড বেদেন পাৱেল। তেখেতৰ জন্ম হৈছিল ১৮৫৭ চনৰ ২২ ফেব্ৰুৱাৰী তাৰিখে লণ্ডন চহৰত লান কাষ্টাৰ গেট্ নামৰ ঠাইত। ই এটি সৃষ্টিশীল, গতিশীল সংস্থা যিয়ে মানুহক সুখৰ অনুভূতি অনুভৱ কৰিব শিকায়। আনৰ কাৰণে কান্দিলে যে কান্দোনতো সুখ পোৱা যায় তাক বাস্তৱ ৰূপত অনুধাৱন কৰিব শিকায়। সম্পূৰ্ণ ইচ্ছাকৃতভাৱে গভীৰ আন্তৰিকতাৰে হোৱা সদস্যইহে স্কাউট্‌ছ- গাইড্‌ছৰ সদস্য হ'ব পাৰে। ইয়াৰ মূল উদ্দেশ্য হ'ল যুৱ প্ৰজন্মক শাৰিৰীক, মানসিক, আধ্যাত্মিক আৰু বৌদ্ধিকভাৱে বিকশিত কৰা। এই বিকাশে জন্ম দিয়ে একো-একোজন সুস্থ-সম্পূৰ্ণ আদৰ্শ নাগৰিকৰ। ভাৰতবৰ্ষৰ প্ৰথম প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহেৰুৱে কৈছিল "The most important thing of a Nation is to create a good citizen." স্কাউট-গাইডৰ মূল স্তম্ভই হ'ল চৰিত্ৰ, স্বাস্থ্য আৰু সেৱা। ৫ বছৰ বয়সৰ পৰা ইয়াৰ সদস্য ভৰ্ত্তি হ'ব পাৰি। গতিকে শৈশৱৰ পৰাই যদি একোজন চৰিত্ৰবান নাগৰিক গঢ়িব পাৰি সিহঁতৰ অন্তৰাত্মাত শুদ্ধ পথৰ ঝংকাৰ তুলিব পাৰি তেন্তে আমাৰ ল'ৰা-ছোৱালীবোৰ বহুলাংশে বিপথগামী হোৱাৰ পৰা ৰক্ষা পৰিব। অসম তথা উত্তৰ পূৰ্বাঞ্চলতো বহু বছৰ আগতেই স্কাউড-গাইড আৰম্ভ হৈছে। প্ৰাইমাৰী স্কুলৰ ল'ৰা-ছোৱালীবোৰক স্কাউড- গাইডৰ ভাষাত কাব তথা বুলবুল বুলি জনা যায়। হাইস্কুল পৰ্যায়ৰ খিনিক স্কাউড-গাইড বুলি পৰিচিত। ইয়াৰ পিছৰ স্তৰৰ অৰ্থাৎ ১৮-২৫ বছৰৰ ল'ৰাখিনিক ৰ'ভাৰ আৰু ছোৱালীক ৰেঞ্জাৰ নামেৰে জনা যায়। অসমত ব্যক্তিগত খণ্ডত ৰ'ভাৰ-ৰেঞ্জাৰৰ বহুত সদস্য ভৰ্ত্তি হ'ল কিন্তু চৰকাৰী খণ্ডত অৰ্থাৎ কলেজ স্তৰত ৰ'ভাৰ ৰেঞ্জাৰৰ সদস্য ভৰ্ত্তি হোৱা নাছিল।

যোৱা ২০০২ চনৰ মে মাহত অসমৰ উচ্চশিক্ষা সঞ্চালকালয়ৰ পৰা (NOEG/MSC/23/2001/19) নিৰ্দেশযোগে অধ্যক্ষ সকললৈ নিৰ্দেশ আহিল যে অতি সোনকালে কলেজৰ ছাত্ৰ-ছাত্ৰীক ভাৰত স্কাউড-গাইডৰ সদস্য ভুক্ত কৰি এই অনুষ্ঠানটোৰ লগত ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰাব লাগে। সেই উদ্দেশ্যেই প্ৰয়োজনীয় শিক্ষক-শিক্ষয়িত্ৰী নিৰ্বাচন কৰিব লাগে। সেই বছৰৰে নৱেম্বৰ মাহত ভাৰত স্কাউড-গাইডৰ ৰাজ্যিক মূখ্য কাৰ্যালয়ৰ পৰা (BSGT/VI/97-98/1/217/3933-78) নিৰ্দেশমৰ্মে অসমৰ ২০ খন কলেজ আৰু ৬ খন হায়াৰ চেকেণ্ডাৰীৰ মুঠ ৩২ গৰাকী শিক্ষয়ত্ৰীলৈ আমন্ত্ৰণ পত্ৰ আহিল ট্ৰেনিংৰ বাবে। সেইমৰ্মে ২০০২ চনৰ ডিচেম্বৰ মাহৰ ১৬ তাৰিখৰ পৰা ২২ তাৰিখলৈ সোণাপুৰৰ চামতা পথাৰত প্ৰথমবাৰৰ বাবে অসমত ৰেঞ্জাৰ লিডাৰৰ বেচিক ট্ৰেনিং অনুষ্ঠিত হ'ল। সৌভাগ্যক্ৰমে এই লিখিকাৰো নৱজ্যোতি মহাবিদ্যালয়ৰ পৰা অংশগ্ৰহণ কৰাৰ সুযোগ হৈছিল। এই ট্ৰেনিং সমাপ্ত হোৱাৰ পিছত আমি অনুধাৱন কৰিছিলো ইমান সুন্দৰ জীৱন

ব্যৱস্থা এটাৰ লগত আমাৰ ছাত্ৰ-ছাত্ৰীখিনিক পৰিচয় হোৱাৰ পৰা বিৰত ৰাখি আমি যেন অন্যায় কৰিছিলো। ট্ৰেইনিং সমাপ্তিৰ পিছত এটি অতি পবিত্ৰ-সুন্দৰ অনুষ্ঠানৰ দ্বাৰা আমাক প্ৰতিজ্ঞাবদ্ধ কৰাইছিল আমি যেন নৱ প্ৰজন্মক অতি শুদ্ধ আৰু সঠিকভাবে প্ৰশিক্ষণ দি সুস্থ সৎ নাগৰিক হোৱাৰ পথ দেখুৱাও। সেই প্ৰতিজ্ঞা সাৱোগত কৰি আমি প্ৰত্যেকগৰাকী প্ৰশিক্ষণ প্ৰাপ্ত ৰেঞ্জাৰ লিডাৰে কলেজ সমূহত ৰঞ্জাৰ গ্ৰুপ খুলি স্কাউট্ছ-গাইড্ছৰ পাতনি মেলিলো। ভাৰত-স্কাউট্ছ গাইডৰ মূখ্য কাৰ্যালয়ত আমাৰ কলেজৰ ৭ জনীয়া গ্ৰুপটো 'নৱজ্যোতি কলেজ ৰেঞ্জাৰ গ্ৰুপ' নামেৰে পঞ্জীয়ণ ভুক্ত হ'ল।

স্কাউট্ছ এণ্ড গাইড্ছৰ জনক লৰ্ড বেদেন পাৱেলে আজিৰ পৰা যোল্ল দশক আগতে তেখেতে উৰ্বৰ মস্তিষ্কৰ সুচিন্তাৰে এই অনুষ্ঠানটিৰ জন্ম দিছিল। তেখেতে এটি প্ৰতিজ্ঞা' আৰু নটা আইন সকলো সদস্যই পালন কৰাটো বাধ্যতামূলক কৰিছিল। তেখেতৰ প্ৰধান উদ্দেশ্য আছিল সমাজৰ এটি নিম্নতম অংশইয়ো যদি এই নিয়মবোৰ পালন কৰে তেন্তে সমাজখন বহু পৰিমাণে বিশুদ্ধ হ'ব। বিশেষকৈ যুৱ শক্তি"ৰ অফুৰন্ত শক্তি অপব্যয় নহৈ সমাজৰ প্ৰগতিৰ কামত ব্যৱহৃত হ'ব। বেদেন পাৱেলে দি যোৱা সেই বিখ্যাত প্ৰতিজ্ঞাটো হ'ল- "On my honour I promise that I ill do my last to do my duty to God and my ountry to help other people and to obey the cout/guide how."

এই প্ৰতিজ্ঞাটোতেই স্কাউট্ছ-গাইড্ছৰ লক্ষ্য, উদ্দেশ্য সোমাই আছে। পবিত্ৰ আন্তৰিকতাৰে এই প্ৰতিজ্ঞা কৰাজনে কেতিয়াও সমাজ তথা দেশৰ অন্যায় কৰিব নোৱাৰে। এই প্ৰতিজ্ঞাৰ লগতে ৯ টা আইন (Law) স্কাউট্ছ-গাইড্ছৰ সদস্যই মনাটো বাধ্যতামূলক। সেইকেইটা হ'ল- 1. A scout/guide is Trustworthy. 2. A Guide/ Scout is loyal 3. A Scout / guide is a friend to all and brother/ sister to every other Scout/Guide. 4. Aguide is Courteous . 5. Aguide is a friend to animals and love nature 6. A guide is disciplined and helps to protect public property. 7. A guide is courageous. 8. A Guide is thrifty. 9. A Guide is pure in thought, word and deed.

প্ৰতিজন নাগৰিকৰ যদি এই আইনকেইটা সম্পৰ্কে সম্যক জ্ঞান থাকে, প্ৰতিগৰাকী স্কাউট্ছ-গাইডে যদি সেইকেইটা পালন কৰে তেন্তে আমাৰ ঘূনে ধৰা সমাজখন, আমাৰ চৌদিশৰ পৰিবেশ সুস্থ্য, সৱল আৰু প্ৰদূষণ মুক্ত হোৱাটো নিশ্চিত। ইয়াৰ জল্‌জল পট্‌-পট উদাহৰণ হ'ল পশ্চিমীয়া দেশসমূহ আমেৰিকাই হ'ল বৰ্তমান বিশ্বত সৰ্বাধিক স্কাউট-গাইড থকা দেশ। ইয়াৰোপৰি ইউৰোপত ইয়াৰ প্ৰসাৰ সৰ্বাধিক। সেয়েহে সেইবোৰ দেশত ইমান শৃঙ্খলতা, ইমান পৰিস্কাৰ পৰিচ্ছন্নতা আৰু আকাশলংঘী প্ৰগতি ভাৰতবৰ্ষৰ দৰে বিশাল, জনবহুল দেশখনক উন্নয়নশীলৰ পৰা উন্নত দেশলৈ পৰিৱৰ্তন কৰাত আমাৰ প্ৰতিজন নাগৰিকৰ দায়িত্ব আছে। একবিংশ শতিকাৰ ইলেকট্ৰনিক তথা কম্পিউটাৰৰ যুগত ইলেকট্ৰনিকতকৈও বেগী হ'ব লাগিব আমাৰ ধ্যান-ধাৰণা তথা চিন্তা-চৰ্চা। এই উদ্দেশ্য আগত ৰাখিয়েই অসমৰ উচ্চ শিক্ষা সঞ্চালক তথা ৰাজ্যিক মুখ্য কাৰ্যালয়ৰ আয়ুক্ত ড° এইচ, কে চাহুৰে অসমৰ কলেজ সমূহত ২০০২ চনৰ পৰা স্কাউট-গাইড প্ৰৱৰ্তন কৰে। কলেজৰ ৰ'ভাৰ-ৰেঞ্জাৰ গ্ৰুপবোৰে তেওঁলোকৰ গুৰু দায়িত্ব বহন কৰি কলেজ তথা সমাজৰ বাতাবৰণ সুস্থ তথা প্ৰদূষণমূক্ত কৰিব পাৰিলে, যুৱ শক্তিৰ অফুৰন্ত শক্তিৰ উপযুক্ত প্ৰয়োগ হ'লে লৰ্ড বেদেন পাৱেলৰ সপোন বাস্তৱত ৰূপায়িত হ'ব।◆◆



আলোচনী সম্পাদনা সমিতি



বাওঁফালৰ পৰা ক্ৰমে ঃ অধ্যাপক, খ্ৰীঘনশ্যাম তড়ালী (সদস্য), জাহিৰুল ইছলাম আহমেদ (আঃ সম্পাদক), অধ্যাপক, মাহ্ফুজ হাচান (সদস্য), অধ্যাপক, ড° ভবীৰথ চন্দ্ৰ নাথ (তত্ত্বাৱধায়ক), আব্দুছ ছাত্তাৰ আহমেদ (সভাপতি), অধ্যাপক, মৈয়দ কায়ুম কবীৰ আহমেদ (সদস্য), অধ্যাপক, ড° শ্বাহজাহান শ্বেইখ (সদস্য)।

# আমাৰ মহাবিদ্যালয়ৰ মাননীয় শিক্ষাগুৰু সকলৰ একাংশ



<u>থিয় হৈ (বাওঁফালৰ পৰা)</u> ▮ অধ্যাপক, সাহাবুদ্দিন আহমেদ, অধ্যাপক, আবুছায়েদ আহমেদ, অধ্যাপক, ছৈয়দ কায়ুম কবীৰ, অধ্যাপক, মাচুদ হাচান, অধ্যাপক, আলীমুদ্দিন আহমেদ, অধ্যাপক, ছুৰমান আলী, অধ্যাপক, আবুল কালাম আজাদ, অধ্যাপক, নজৰুল ইছলাম।

<u>বহি থকা (বাওঁফালৰ পৰা)</u> ▮ অধ্যাপক, মতিয়ৰ ৰহমান, অধ্যাপক, হানিফ মুস্তাক আহমেদ, অধ্যাপক, ব্ৰজকিশোৰ শ্যামল, অধ্যাপক, আছিফুল হ'ক, অধ্যাপক, ওমৰ আলী আহমেদ, অধ্যাপক, সুশীল কুমাৰ সৰকাৰ, অধ্যাপক, ড° ভগীৰথ চন্দ্ৰ নাথ, অধ্যাপক, ড° ছোলেমান মণ্ডল, অধ্যাপক, এম, মোজাম্মেল হ'ক (উপাধ্যক্ষ), অধ্যাপিকা, ছৈয়দা হামিদা খাতুন, অধ্যাপিকা, ছৈয়দা মেহেৰুন্নিছা বেগম, অধ্যাপক, আব্দুছ ছালাম, অধ্যাপিকা, ৰুণু আখতাৰ, অধ্যাপিকা, ড° ছৈয়দা জাহানাৰা বেগম।



## কবিতা শিতান



## নৱজ্যোতি কলেজ - ২০০৪

✍ নাজিৰ হুচাইন

স্নাতক ১ম বৰ্ষ (কলা)

জানাকী পৰুৱা খেদিখুৱা ল'ৰালিৰ দিনৰে পৰা
তামাৰ প্ৰেমত পৰিছিলো নৱজ্যোতি কলেজ, হে প্ৰিয়তমা
ষ্টি আৰু সুন্দৰৰ ৰঙীণ ভাৱনা।
যৌৱন প্ৰাপ্ত হ'লেই ল'ৰাবোৰে তোমাৰ প্ৰেমত পৰে,
ষাড়শী গাভৰু হ'লেই ছোৱালীবোৰে তোমাৰ প্ৰেমত পৰে
তামাৰ প্ৰেমৰ কি যে ৰাগিনী কি প্ৰেম দিব জানা তুমি
ন্মতেই যৌৱনময় নৱজ্যোতি কলেজ তুমি চিৰন্তন যৌৱন;
প্ৰম আৰু চেতনাৰ অপৰূপ ভাৱনা।
সউজীয়া পোচাক পিন্ধি তুমি কোন কাননৰ সুদৰ্শনা পখিলা
তামাৰ চুমাৰ পৰশত পথাৰবোৰ ঋতুমতী হয়, নদীয়ে সলায় গতি;
চৰা চোৰা সপোনবোৰ তোমাৰ কোলাত লুকাই কান্দিছে
মি সপোনৰ মাতৃ তোমাৰ স্তনত সপোনৰ পিয়াহ
মি সপোনৰ পিতৃ তোমাৰ বুকুত সপোনৰ হিয়াহ
মি সপোনৰ ভগ্নী তোমাৰ চকুত সপোনৰ চাৱনি
মি সপোনৰ ভাতৃ তোমাৰ তেজত প্ৰেম আৰু বিদ্ৰোহৰ অগ্নি
ৱজ্যোতি কলেজ হে মোৰ সোণোৱালী সপোন বসন্ত কুলিৰ মাত
ৰ পাৰানে তোমাৰ বালিচৰত কিমান মৰুদ্যান, কিমান মৰুভূমি
ৰ পাৰানে কিমানটা বসন্ত সৰকিলে যৌৱনপ্ৰাপ্ত হয় মানুহ
ৱজ্যোতি কলেজ হে মোৰ উনৈশ শ একসত্তৰৰ প্ৰিয়তমা
ৱজ্যোতি কলেজ হে মোৰ দুই হাজাৰ চাৰিৰ যৌৱনা
াৰ বাবে গাইছা তুমি গান জীৱনৰ জয়গান।।◆

## হে ধৰ্ম

✍ মোঃ আমিৰ হুছাইন

স্নাতক ৩য় বৰ্ষ (কলা)

হে ধৰ্ম,
কিয় তুমি
ৰাক্ষসী প্ৰতাৰিকৰ
ৰূপ ধৰি
সমগ্ৰ বিশ্বক গ্ৰাস কৰিলা?
কিয় তুমি
গোলাপ কোমল ওৰণীৰ
কোমল পৰশেৰে যুক্তিবাদী সকলক
নিৰৱতাৰ কোলাত শুৱাই ৰাখিলা?
কিয় তুমি
আতংকবাদৰ ৰূপ ধৰি
মানৱীয় প্ৰেমক দ্বিখণ্ডিত কৰিলা?
কিয় তুমি
মানৱতাৰ কলিজাত
গোলাবৰ্ষণ কৰি নিজকে কলংকিত কৰিলা?
কিয় তুমি
সাম্প্ৰদায়িকতাৰ সৃষ্টি কৰি
"আমি মানুহ" কথাষাৰৰ সলনি
হিন্দু মুছলমান নাম দিলা?
কোন মন্ত্ৰণাৰে তুমি
মানুহক বলীয়া কৰিলা,
একে তেজ মাংসৰে
মানৱ জীৱন গঢ়া
কথাষাৰ পাহৰাই দিলা?◆

# সংলাপ

✍ আছিফা হাচান
স্নাতক ৩য় বৰ্ষ (কলা)

কি যে হৃদয় বিদাৰক
সংলাপ
আমাৰ যে মৃত্যু অনিবাৰ্য্য
বাটৰ কাষত মানুহৰ
চিঞৰ বাখৰ।
ওলাই দেখিলো
এজন সুঠাম ডেকাৰ ৰক্তাক্ত মৃতদেহ
পৰি আছে আন এক মৃতকৰ ওচৰত;
জোতাৰ চাপ
বন্দুকৰ গুলিৰ চিন
উৎকীৰ্ণ আছে নিৰ্দয় ভাৱে
অস্ত্ৰৰে কৰা আঘাত।
ৰক্তাক্ত মৃত দেহটো দেখি
দুই নয়নেৰে নিগৰিছে চকুলো
জলন্ত চিতাৰ শেতেলীত,
দুটি প্ৰেতাত্মাৰ হিয়াৰ মাত।
কি যে হৃদয় বিদাৰক সংলাপ
বিক্ষুব্ধ হৃদয় আৰু শব্দৰ সংঘৰ্ষৰ
মিঠা উত্তাপ,
মানস কুণ্ডত দোলা দি উঠে
স্মৃতিৰ জোনৰ পোহৰ।
মানুহৰ হৃদয়ৰ গোপন
শলিতা গছি,
নিমিষতে মৰিশালীত ধুলিকণাৰ
সতে বিলীন হৈ গ'ল,
নিপিড়িত হৈছে
দেশৰ নিৰপৰাধী।
হেজাৰ জনতা
মানুহৰ হৃদয়ত মাত্ৰ জাগিছে
মৃত্যুৰ বাতৰি,
কি যে হিয়া বিদাৰক সংলাপ
দুই নয়নৰ অশ্ৰুৰ বিলাপ। ◆



# প্ৰেমৰ নামত

✍ মকিবুল হুছে
উঃ মাঃ ২য় বৰ্ষ (ক

তোমাৰ পৰা বিচ্ছেদ কি সম্ভৱ ?
তুমি যে দুচকুত মোৰ চিৰন্তৰ
ইমান তীব্ৰ হেঁপাহ হৃদয়ৰ প্ৰতি
এয়া বাৰু প্ৰেম নেকি ?
তোমাৰ আহ্বান কি তীব্ৰ সন্মোহন ?
সকলো নেওচি যাও মাথোন তোমাৰ বাবে
প্ৰেমৰ কি যে শক্তি
কেৱল তোমাৰে সন্তুষ্টি।
তোমাৰ অশ্ৰুত আছে মোৰ গভীৰ বিশ্বাস
কাৰণ মই মিছাকৈ কান্দিব নেজানো।।
হিয়াত নাপাতিবা প্ৰেমৰ থাপনা
সময়ত চাবা হৃদয়কে হেৰুৱাবা।
এতিয়া কলৈ যাবা
প্ৰেমহীন প্ৰাসাদলৈ
নে প্ৰেমপূৰ্ণ অঘৰী হিয়ালৈ। ◆





# দোমোজা

✍ দুলেনা খাতুন
স্নাতক ১ম বৰ্ষ (কলা)

মাৰ পদূলিত ফুল ফুলিছিল
অসংখ্য, অযুত ফুল
হাচনাহানাৰ তীব্ৰ গোন্ধ
মোৰ ভাল লাগিছিল।
অনুভৱ কৰিছিলো
জীৱনৰ জীয়া বাস্তৱখিনিয়ে তোমাক
বাৰাই আনিব খোজে
মোৰ হৃদয়লৈ।
অনন্ত বিষাদ আৰু অফুৰন্ত হাঁহিলৈ
বৈ যাওঁ মই তোমাৰ ওচৰত
পৰ, দুপৰ অনন্ত কাললৈ।
ঠাৎ মোৰ ব্যস্ততাত
যতি পৰিল।
ৰ নীলিম আকাশৰ
সীমান্তত বহি
বলিটো সৰি পৰিছিল।
ততিয়া জুই জ্বলিছিল চৌদিশে
ৰক্তিম আধেয়!
নাৰ হৃদ.ত মোৰ চেতনাত
নুভৱ কৰিছিলো মাথোন
উত্তাপ আৰু উত্তাপ!
াৰণ
তোমাৰ পৰা উভতিবলৈ
াৰ যে বহুত সময় লাগে। ◆

# নৱজ্যোতি ঃ এটি প্ৰেমৰ কবিতা

✍ আব্দুছ ছালাম
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান শাখা)

তুমি নৱজ্যোতি–
তোমাৰ চৌপাশে অক্টোপাছৰ হাতোঁৰা,
জ্ঞানৰ বোধিবৃক্ষ শিপা
মেঘময় এন্ধাৰ আতঁৰাই
প্ৰজ্বলিত কৰিছা শিখা।
শিক্ষাৰ মৰুতৃষ্ণা আতঁৰাই দিলা
ৰক্তদান শিবিৰ গঢ়িলা
ৰক্তহীনৰ বাবে
দৃষ্টিদান কৰিলা
দৃষ্টিহীনৰ বাবে।
হে নৱজ্যোতি–
মই তোমাৰ প্ৰেমত মতলীয়া
তোমাৰ জৰায়ুত স্থান দিলা
ইন্টাৰনেট, কম্পিউটাৰ
ডাক্তৰ, ইঞ্জিনীয়াৰ ;
তোমাৰ পদধূলিত প্ৰাণ পাই উঠিছে
কলগাছিয়া, জনতা ইত্যাদি বহুতো।
হে নৱজ্যোতি–
তোমাৰ অসীম আয়ুস কামনাৰে
পাৰ কৰি মোৰা হেঁপাহেৰে
ৰূপালী, সোণালী, প্লেটিনাম ইত্যাদি......
নৱজ্যোতি, প্ৰেমৰ কাৰেঙ ঘৰ–
অনুসন্ধিৎসু মনক প্ৰবোধ দিয়া
তুমি সহনশীল প্ৰেমৰ কবিতা।। ◆



## অপেক্ষা

✍ মাজমিন ফৰিদা আহমেদ
স্নাতক ২য় বৰ্ষ (বিজ্ঞান বিভাগ)

সাগৰতকৈয়ো যে গভীৰ
মোৰ এই নিসঙ্গতা,
অনবৰতে এই নিসঙ্গতাই
মোৰ সতে পাতে কথা।
পাৰ হৈ যোৱা দিনৰ
মধুৰ স্মৃতিৰে মোক,
সঘনাই কৰে বলীয়া
নিৰিবিলি জোনাকী সন্ধিয়া,
শেৱালী জোপাৰ তলৰ
সেই সেউজীয়া দলিচা;
মই আৰু মোৰ নিসঙ্গতাই........।
তোমালৈ কৰো অপেক্ষা.....।
অপেক্ষাৰ অনন্ত পাৰত বহি
পকা জামু খাওঁ
তোমাৰ আগমন নঘটে
বিষাদৰ কলীয়া ডাৱৰে,
চৌদিশে আগুৰি ধৰে। ◆



## সেউজীয়া আৰু হালধীয়া

✍ মামুন আলছাইফ উ
স্নাতক ২য় বৰ্ষ (ক

এতিয়াও তুমি প্ৰেমত পৰানে ? নিজৰা
সেউজীয়া পথাৰৰ বোকা পানীৰ গোন্ধ বিচৰা উন্মাদ ক
পুৱাৰ উদিত সূৰুযৰ সপোন যিয়ে ভাঙিব পাৰে টো
তেনে সপোনৰ প্ৰেমত,
সেউজীয়া নে হালধীয়া তোমাৰ প্ৰিয় আছিল
হালধীয়া মানুহজনক সেউজীয়া ভাল পাবলৈ শিকাই
পাহাৰৰ অকাঁপকা বাটত সেউজীয়া সপোন বুটলো
আপোন পাহৰা হৈছিলো কেঁচা মাটিৰ গোন্ধত।
হেপাঁহৰ জোনাকে উজ্বলাই তোলা যুগ আলসুৱা
মৰমবোৰ বুটলিবলৈ ধৰোতে ফাগুনৰ অঘৰী
বতাহজাকৰ আহবান শুনি, তুমি উঠি গৈছিলা
কাৰোবাৰ বন্য প্ৰেমৰ সোঁতত,
মোৰ বাবে এটা আধৰুৱা সপোন হৈ........
নিজৰা যিটো বাটেদি তুমি মোৰ হৃদয়লৈ আহিছিল
তাৰ দুৱাৰত কেতিয়াবাই মই শলখা লগাই দিলো
য'ত মই শুনিবলৈ পাইছিলো নদীৰ কলধ্বনি.....
সেইশূণ্য কোঠতএতিয়া মাথোনীৰৱতা নিঃসঙ্গতাবিৰাজক
কোনে কৈছিল জানো-
"এই পৃথিৱীত সেইজনহে আটাইতকৈ শক্তিশালী
যিজন অকলশৰীয়া।" ◆





## কিয় ?

✍ জাহাংগীৰ আলম
উঃমাঃ ২য় বৰ্ষ (কলা)

আশা বুকুত বান্ধি লৈ
আছিলো বৈ তোমাৰ বাবে মই।
ভীৰ নিশাত আহিবা বুলি,
ুমি দিছিলা প্ৰতিশ্ৰুতি ।
আকাশত জোনটো,
শীৰিচ গছৰ মাজেৰে ।
হা দেখিলো এখন কাঁচিহে ,
ঠাৎ শুনিলো প্ৰভাতি ,
খীৰ কোলাহল ।
সই বাবে গুছিগলো ,
াৰু বৈ থাকিব নোৱাৰিলোঁ ।
গুছি গলো বহু দূৰলৈ ,
াকৌ উভতি নাহো তোমাৰ ওচৰলৈ।
াজি যে জোনাক নাই
ৰ নাথাকিবা তুমি
াৰ বাবে বহি। ◆



## নতুন প্ৰজন্ম

✍ জাহিৰুল ইছলাম
উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান শাখা)

আছে নেকি নতুন প্ৰজন্মৰ গাত মহত্বৰ চিন ?
হত্যা, অপহৰণ, লুণ্ঠনে ছানি ধৰিছে পৃথিৱীক
নাই ঐক্য, সংহতিৰ ছাপ নতুন প্ৰজন্মৰ গাত
মিথ্যা, অপবাদ, ৰাজনৈতিক বিশৃংখলতা
অতিষ্ঠ কৰিছে মৰ্ত্য বাসীক
চৌদিশে বন্দুকৰ গুৰুম্ গুৰুম্ শব্দ,
বতাহ কলুষিত হৈ পৰিছে দুস্কৃতিৰ কাৰ্য্যৰেই
বতাহ স্পন্দিত হৈ আহি আছে বিশৃংখলতাৰ শব্দ,
মানৱ জাতি আজি অধিক সভ্য হৈছে কিন্তু
মুচিবলৈ এৰি দিব পৰা নাই দুচকুৰ চকুলো।
চাৰিওদিশে নিৰ্মম হত্যাৰ হাহাকাৰ উঠিছে জাগি
নতুন প্ৰজন্মৰ গাত মহত্বৰ চিন নাই আজি,
সৰল মানুহৰ জীৱনটো হৈ পৰিছে কঠিন ভয়ংকৰী।
আল্লাহ, ভগৱানক বিশ্বাস নকৰি
নতুন প্ৰজন্মই গঢ়লৈছে যমদূত, হাতত মাৰনাস্ত্ৰ ধৰি।
ঐক্য, সংহতিৰ গান ভৰিৰে গছকি
কণ্ঠত শালি লৈছে, বিশৃংখলাতৰ ধ্বনি।
আছা যদি অসমী আইৰ সৎ সন্তান টোপনিত পৰি
কলমক অস্ত্ৰ বনাই উঠি আহা নিদ্ৰা ভংগ কৰি,
হিংসা অনৈক্যৰ বিৰুদ্ধে যুঁজি
পৰিশ্ৰম কৰি মূল পথলৈ ঘূৰাই আনিবলৈ যাও নতুন প্ৰজন্মক। ◆

## ৰঙীন সপোন

বিলকিছ পাৰবিন
স্নাতক ১ম বৰ্ষ (কলা)



শীতত কঁপি কঁপি ............
গ্ৰীষ্মত গলি গলি ............
টা গোলাপ ফুলৰ দৰে
ফুটি উঠিছে মোৰ জীৱন,
ধূলি গোলাপ জোপাৰ
তলত বৈ আছিলো ;
আবেলিৰ বেলিটোতে ফুলটোৱে
আন এটি ৰঙলৈ ৰূপান্তৰিত হৈছিল।
শীতত কঁপি কঁপি ............
গ্ৰীষ্মত গলি গলি ............
মোৰ চকুত তিৰবিৰ আৱৰণীয় সপোন
তোমাৰ সুগম পথেৰে
মোৰ যাত্ৰা
কাটি কোটি বুকুৰ সপোনেৰে
এটি ৰঙীন কবিতা। ◆



## মানৱতা ক'ত?

সফিজ উদ্দিন
স্নাতক ২য় বৰ্ষ (কলা)

মানুহ তুমি ক'ত তোমাৰ মানৱতা
নিজ স্বাৰ্থৰ হকে আনক ঠগিছা
অকণি সুখৰ আশাত শত
হৃদয়ত দুখ যাচিছা
আনন্দ - উল্লাসৰ নামত
বেদনাৰ সোঁত বোৱাইছা
ভালপোৱা প্ৰেমৰ ঠাইত
হিংসা - প্ৰৱঞ্চনা বীজ ৰুইছা
মৰম ভৰা সুন্দৰ হিয়াত
বিষাদৰ ছবি আঁকিছা
ভ্ৰাতৃৰ সেনেহ য'ত
কন্দল লগাইছা
আনক ৰাখি হেয় জ্ঞানত
মহান হ'ব খুজিছা
মানৱতা তোমাৰ ক'ত
এবাৰ জানো ভাবিছা ◆





## এটি কবিতাৰ সন্ধানত

ছিৰিন আখতাৰ
স্নাতক ১ম বৰ্ষ (কলা)

টি কবিতাৰ সন্ধানত
আছো মই
তিয়ালৈ বিচাৰি পোৱা নাই
ৰ্ণ ;
কোটা কবিতাৰ জন্ম মানেইতো
ৰ ভিতৰত যুদ্ধৰ সৃষ্টি।
টি কবিতাৰ সন্ধানত মই
আছো,
কোটা কবিতাৰ জন্ম মানেইতো
ৰ জয়যাত্ৰাৰ আৰম্ভ।
টি কবিতাৰ সন্ধানত
, একোটা কবিতাৰ জন্ম মানেইতো
এক জীৱিত চেতনা
ৰু চেতনাৰ নহয় বেচা-কিনা।
টি কবিতাৰ সন্ধানত
আছো মই,
ৰ কবিতাৰ জন্ম মানেইতো
ৰ ভিতৰত নৱ জাগৰণৰ সৃষ্টি
জাগৰনে লৈ যাব মোক
ন পথলৈ,
পথত নাই কোনো
া-বমা, কাইটেৰে আৱৰা
পথে সৃষ্টি কৰিব
ৰ কবিতাৰ নতুন ছন্দ।
য়ে এটি কবিতাৰ সন্ধানত মই।। ◆



## দুখ

ৰফিকুল ইছলাম
উঃ মাঃ ২য় বৰ্ষ (কলা)



সপোন বোৰ হ'বনে
পুৰঠ ধান বৰণীয়া,
ধূসৰতাই ঢাকি ৰখা জীৱনৰ
প্ৰতিটো ঋতুতে কেৱল
দুখৰেই আৱাহন।
তথাপি মই ভালপাওঁ
ৰাতি ফুলা ফুল
চৰাইৰ শুৱলা সংগীত,
শৰতৰ শেৱালী হাতত লৈ
অনুভৱ কৰো তোমাৰ
বুকুৰ মিঠা মৰমবোৰ
এতিয়া সকলো ক্ষণতেই ভাবো
তোমাৰেই কথা।
ছটফটাই থাকি উজাগৰি নিশা
শুনি থাকো কালান্তৰৰ
সেই মিঠা মিঠা গীতবোৰ,
তোমাৰ সৈতে সপোনত
সাজিব বাৰু পাৰিমনে-
শিমলু ৰঙৰ সেই ঘৰলৈ
সপোন বৰণীয়া হৃদয়েৰে
এই বহাগত।। ◆

## পোহৰৰ সন্ধানত

✍ শ্ৰীপূৰ্ণিমা দাস
উঃ মাঃ ২য় বৰ্ষ (কলা)



কান্দিছা কিয় বিনাই বিনাই
সময় যে আৰু বৈ থকা নাই ;
উভতি আহিছা কিয় এতিয়া তুমি
নিজৰ ভুল বুজি পাই ।
যতিয়া তুমি হিংসাৰ অস্ত্ৰ ধৰি
বীৰদৰ্পে আগুৱাই গৈছিলা
মানুহৰ অন্তৰত অগনি জ্বলাই
দুখৰ বোজা জাপিছিলা ।
চাঁদিশে বিয়পাই দিলা বাৰুদৰ ধোৱা
যাৰ নাই কোনো সমাধান
হিংসাৰ কাইটীয়া পথ ত্যাগ কৰি
সুন্দৰ পৃথিৱীৰ ৰচা সপোন ।
তেতিয়াহে তুমি নিজৰ লক্ষ্য স্থানত
উপনিত হ'ব পাৰিবাই,
হিংসাৰে মানুহৰ মন নহয় যে জয়
অহিংসাৰে যাবা আগুৱাই ।
গান্ধীজীয়ে অহিংসাৰে সকলোৰে অন্তৰ
কতাৰ বান্ধোনেৰে কৰিছিল জয়
কান্দি কান্দি নহবা তুমি দিশহাৰা
বান্ধিবা অসীম বল মনত কিহৰ সয় ।
বাপুজীৰ বানীৰে তুমি সদায়
সজ পথে যাবা,
ৰিনটো সেন্দুৰীয়া কৰি মৌকোহ
তেতিয়াহে বুটলিব পাৰিবা । ◆

## তোমাক ভাবি

✍ দেৱান হাফিজুৰ ৰ
স্নাতক ২য় বৰ্ষ (ক

তুমিয়ে কৈছিলা মনৰ থাপনাত
নথকা কাহানিও ৰঙা ফুলৰ মালা,
ৰঙা ফুল হেনো শুভ নহয়
বেদনাৰ জলন্ত প্ৰতীক ;
শুভ্ৰ বগা গোলাপ নতুবা
নিয়ঁৰ স্নিগ্ধ শেৱালী, বকুলৰ মালা
আলফুলে গাঁঠি হিয়াৰ থাপনাত
সজতনে ৰাখিবা ।
সময়ে যেতিয়া মূৰ দুপিয়াই
মিচিকীয়া হাঁহিৰে জনাবা সহঁাৰি
সময় সমাগত বুলি ;
আবেগ বিহ্বলেৰে গোপনে গোপনে
গুছি আহিম তেতিয়াই
মই তোমাৰ কাষলৈ ;
কিন্তু সময় বৰ নিষ্ঠুৰ
প্ৰতাৰণা কৰে বাৰে বাৰে । ◆





## কবৰ

✍ দেৱান মোৱাজ্জেম হুছেইন

এটি পকা কবৰ
এজন জীৱন্ত মানুহ
এটি আত্মা,
আৰু এটি শৰীৰ
কবৰত শুই থকা
সেই গলি পচি যোৱা
শৰীৰৰ প্ৰতিটো অংগই
মাটিৰ লগত যুজিলেও
পৰাজয় অনিবাৰ্য্য ।
হেৰাই গ'ল সেই শৰীৰটোৰ
আত্ম অহংকাৰ, প্ৰেম, হিংসা
মাথোন বৈ গ'ল তাৰ প্ৰতিধ্বনি
মুখৰ পৰা ওলোৱা শব্দমালাৰ ।
সেই শৰীৰ দ্বিতীয় কবৰটো
আছে অপেক্ষাৰত কাৰ বাবে
কোন সেই সুস্বাস্থ্যৰ গৰাকী
আজিও হয়তো নেজানে ।
কি ? দুখত দুখী
সেই দুৰ্ভগীয়া জন
যাক পৃথিৱীয়েই দিব বিদায়
গঢ়িব আৰু এটি পকী কবৰ । ◆



**গল্প সম্ভাৰ**



# স্পেছিয়েলিষ্ট

✍ ড° মোঃ শ্বাহাজামাল শে...
অধ্যাপক, প্ৰাণী বিজ্ঞান বি...

আহাৰ মাহৰ দবাপিটা বৰষুণৰ এটি সন্ধিয়া। একমাত্ৰ সন্তান মূৰ্চা যোৱাত বলিয়াৰ দৰে হ'ল এশ্বাদ মাষ্টৰ। ঘৰৰ পৰা কমেও ২০ কিলোমিটাৰ দূৰত হাস্পাতাল। ঠায়ে ঠায়ে মথাউৰি ছিগি প্লাৱিত হৈছে বিস্তৃত গ্ৰামাঞ্চল। প্লাৱিত হৈছে শ শ বিঘা ধান, মৰাপাট আদিৰ খেতি। নাঁৱো নচলে ভৰিও নচলে। এনে অৱস্থাত মাষ্টৰ বাৰুকৈ বিমোৰত পৰিল। কিংকৰ্তব্য বিমূঢ় হৈ একমাত্ৰ সন্তান বাপকণক বুকুৰ মাজত সাৱটি লৈ পলিথিনৰ মোনা এখন মুৰত দি হাস্পাতালৰ ডাক্তৰ জীৱনৰ কোৱাৰ্টাৰলৈ ঢাপলি মেলিলে।

মাষ্টৰৰ হুৱাদুৱাত ডাক্তৰ জীৱন ওলাই আহি বিতুষ্ট ভৰা কণ্ঠেৰে ক'লে এৰা আপোনাৰ কি হৈছে? ইমান হুলস্থুল কৰিছে কিয়? সবিনয়ে মাষ্টৰে ক'লে 'ছাৰ মোৰ ল'ৰাজনক বচাওক। হঠাতেই অজ্ঞান হৈছে। টকা-পইচা যি লাগে মই দিম। প্ৰয়োজন হ'লে মাটি বাৰী সকলো বিক্ৰী কৰিম।'

নেৰানেপেৰা চেষ্টাৰ অন্তত ডাক্তৰ জীৱনৰ সান্ত্বনা 'বুজিছে মাষ্টৰ মোৰ ক'বলগীয়া একো নাই। সৰ্বপ্ৰকাৰ চেষ্টা কৰিলো। মূৰ্চা যোৱাৰ প্ৰকৃত কাৰণ কিনো হ'ব পাৰে ঠিক ধৰিব নোৱাৰিলো। চেতনাদায়ক সকলো ঔষধেই প্ৰয়োগ কৰিলো, তথাপিও ৰোগীৰ অৱস্থা ইমপ্ৰুভ নোহোৱাটো সঁচাকৈয়ে বৰ চিন্তনীয়। ইয়াত পলম কৰি সময় নষ্ট কৰাটো ঠিক নহ'ব। মোৰ বোধেৰে নিউৰোলজিকেল চেন্টাৰত ভৰ্তি কৰোৱাটো ভাল হ'ব। তাত স্কেনিংৰ অত্যাধুনিক সুবিধা আছে। গতিকে কালবিলম্ব নকৰাকৈ নাৰ্চিং হোমলৈ ট্ৰানফাৰ কৰক।' ডাক্তৰৰ কথাত মাষ্টৰে হতাশ হৈ ক'লে 'ছাৰ মেডিকেল কলেজলৈ ... কেনে হ'ব?' ডাক্তৰে কিছুসময় চিন্তা কৰি ক'লে 'মেডি... কলেজলৈ নি একো লাভ নাই। তাৰ সকলোবোৰ ড... আজিকালি প্ৰফেচনাল হ'ল। মেডিকেলৰ ডিউটি নাম... কৰি নাৰ্চিংহোম আৰু প্ৰাইভেট চেম্বাৰত ৰোগী চোৱা... বেছিকৈ আত্মনিয়োগ কৰে। প্ৰফেছৰ সকল ৰোগীৰ ওচ... নাহে। ছাত্ৰ-ছাত্ৰীবোৰেহে কিছু দেখা শুনা কৰে। অ... দিনৰ এনভায়ৰণমেন্ট এতিয়া নাই। ছুইপাৰ, নাৰ্চৰ... আৰম্ভ কৰি সকলোকে লাগে মাথোন টকা। অৱশ্যে নি... ডাক্তৰ কিছু নথকা নহয়। চৰকাৰে পৰ্যাপ্ত সুবিধা ... নকৰে। মন্ত্ৰী বিধায়কৰ হস্তক্ষেপ নহ'লে কেবিনত... পোৱাটো দূষ্কৰ। অত্যাধুনিক যন্ত্ৰ-পাতিও সিমান ... গতিকে ৰোগীক সোনকালে নাৰ্চিংহোমলৈ সিফ্‌ট ক... মই ৰেফাৰ কৰি দিলো। আপোনাৰ অসুবিধা একো ন... ডাক্তৰ হুছেইনক দেখুৱালে ভাল হ'ব।'

ৰেজিষ্ট্ৰেচন কাউন্টাৰত আপোনাৰ পেচেন্ট... হৈছে? কোনজন ডাক্তৰক দেখুৱাব? ক'ৰ পৰা আহি... এই ফৰ্মখনত চহী কৰক, বৰ্তমান দুশ পঞ্চাশ টকা দি... হ'ব, পেচেন্টক নাৰ্চিংহোমত ভৰ্তি কৰালে দহ হাজাৰ... এদভাঞ্চ দিব লাগিব আদি একুৰি প্ৰশ্নৰ উত্তৰ দিয়া ... নানান ফৰ্মেলিটিচ কৰি মাষ্টৰে হাবাথুৰি খালে। ও... ক্ৰমত দুই ঘন্টামান বহাৰ পিছত মাষ্টৰে ডাক্তৰ হুছে... কায চাপিবলৈ সমৰ্থ হ'ল।

মিচিকিয়া হাঁহিৰ অধিকাৰী ডাক্তৰ হুছেইনে ... দৃষ্টিৰে মাষ্টৰক ক'লে 'ৰোগীৰ অৱস্থা বৰবেছি ভাল ... হয়তো মাইনৰ অপৰেচন এটা কৰিব লাগিব। স্কেনিং ৰি... পালেহে ক'ব পৰা যাব। গতিকে সোনকালে ছিটিস্কেনিং কৰাওক আৰু তেজ, শৌচ আদি পৰীক্ষা কৰাওক। আজি পৰীক্ষা পাতিবোৰ কৰি কাইলৈ একেটা সময়তে মোৰ লগত দেখা কৰিব আৰু এতিয়াই আপোনাৰ পেচেন্টক আমাৰ ইয়াত ভৰ্তি কৰাওঁক।' ডাক্তৰ হুছেইনৰ কথাবোৰে মাষ্টৰৰ হৃদয়ত দুঃচিন্তাৰ খলকনি তুলিলে। যথা সময়ত ৰিপোৰ্টৰ কাগজবিলাক আগুৱাই দি মাষ্টৰে ডাক্তৰক অনুৰোধ কৰি ক'লে ছাৰ সোনকালে কিবা এটা কৰক। ৰোগীৰ অৱস্থা দ্ৰুত অৱনতি হৈছে। মাষ্টৰৰ অনুৰোধত ডাক্তৰ হুছেইনৰ আশ্বাস 'স্কেনিং ৰিপোৰ্টত মস্তিষ্কৰ কোনোধৰণৰ বিজুতি দেখা নাযায়। ৰিপোৰ্টমতে সকলো নৰ্মেল। বিষয়টো চিন্তা কৰিবলগীয়া বিধৰ। হতাশ নহ'ব। তেজত ক্ৰিয়েটিনৰ পৰিমাণ কিছু বেছি। গতিকে বৃক্ক স্পেছিয়েলিষ্ট ডাক্তৰ নৰ্মেনৰ লগত আলোচনা কৰা ভাল হ'ব। মই ৰেফাৰ কৰি দিলো। পলম নকৰিব।' বৃক্ক স্পেছিয়েলিষ্টলৈ ৰেফাৰ কৰাত মাষ্টৰ বাৰুকৈয়ে চিন্তাত পৰিল। এই কম বয়সতে ...ৰাৰ বৃক্ক দেমেজ কথাযাৰ চিন্তা কৰি মাষ্টৰে ফেঁকুৰি ফেঁকুৰি কান্দিবলৈ ধৰিলে।

ডাক্তৰ নৰ্মেনৰ চেম্বাৰৰ জিৰণি কোঠাত ৰোগীৰ ...ৰ পৰিছে। চকিদাৰক বাৰাম্বাৰ অনুৰোধ কৰাৰ স্বত্বেও ...কুৰি ৰোগীৰ পাছতহে মাষ্টৰৰ পাল পৰিল। আগৰ ৰিপোৰ্টখিনি চোৱাৰ পিছত ডাক্তৰ নৰ্মেনে পুনৰ তেজ আৰু ...চাব পৰীক্ষা কৰিব দি ক'লে 'পাৰিলে বৃক্কৰ স্কেনিং এটাও ...ৰিব। ৰিপোৰ্ট চোৱাৰ পিছতহে কিবা এটা কৰিব পাৰিম। ...মাৰ ইয়াতে পৰীক্ষাখিনি কৰক। বৰবেছি এটা খৰচ নহয়।'

সকলোবোৰ ৰিপোৰ্ট পঢ়ি চাই ডাক্তৰ নৰ্মেনে ...স্তিৰ নিঃশ্বাস পেলালে। তেওঁৰ মতে 'ৰিপোৰ্ট নৰ্মেল। ...চেন্টজন বৰ ভাগ্যবান। কিডনিৰ কোনোধৰণৰ সমস্যা ...ই। তেজত চুগাৰ আৰু ক্ৰিয়েটিনৰ পৰিমাণো নৰ্মেল। ...এছ, আৰ, ডাব্লুবিছি আদিও নৰ্মেল।' সমস্যাটো ক'ত হ'ব ...ৰে ঠিক ধৰিব নোৱাৰি ইনজেকশ্বন কেইটা লোৱাৰ আৰু ঔষধখিনি খোৱাৰ এসপ্তাহ পাচত দেখা কৰাৰ উপদেশ দিলে।

এসপ্তাহ পাচতো ৰোগীৰ অৱস্থা কোনোধৰণৰ উন্নতি হোৱা দূৰৰ কথা পেটৰ বিষ, পিঠিৰ বিষ, কঁকালৰ বিষ, মুৰৰ কামোৰণি আদি নতুন নতুন সমস্যাই দেখা দিয়াত মাষ্টৰ পুনৰ ডাক্তৰ নৰ্মেনৰ শৰনাপন্ন হ'ল। ডাক্তৰ নৰ্মেনে বিক্ৰ নলৈ ফৰেইনৰ পৰা উপাধি লৈ অহা গেষ্ট্ৰএন্টাৰাইটিছ স্পেছিয়েলিষ্ট ডাক্তৰ খান্নালৈ ৰেফাৰ কৰি দিলে।

একমাত্ৰ ল'ৰাৰ ৰোগমুক্তিৰ আশাৰে নিউলাইফ ফাৰ্মাচিৰ ৰেজিষ্ট্ৰেচন কাউন্টাৰত পঞ্চাছ টকা ৰেজিষ্ট্ৰেচন ফি আৰু ডাক্তৰৰ ভিজিট দুশ পঞ্চাছ টকা জমা দি প্ৰেচক্ৰিপচন হাতত লৈ মাষ্টৰ ডাক্তৰ খান্নাৰ ওচৰ পালে। ডাক্তৰ খান্নাই ডাক্তৰি ঢংত 'চিন্তা নকৰিব, সোনকালে এণ্ডচকপি কৰাওঁক, আগফাল আৰু পিছফাল দুয়োফালেই এণ্ডচকপি কৰাব লাগিব, কেচ কাউন্টাৰত যোল্লশ টকা জমা দিয়ক, পুৱাৰ পৰা যদি লঘোনে আছে তেতিয়াহ'লে এঘন্টা পাছত এণ্ডচকপি কৰাম, ৰিপোৰ্ট চাইহে ঔষধ দিম' আদি উপদেশ দি পেচেন্ট চোৱাত মগ্ন হ'ল।

খৰালিৰ লাওপাতৰ দৰে লেৰেলি যোৱা ল'ৰাৰ কাষত বহি এণ্ডচকপিৰ তিক্ত অভিজ্ঞতাবোৰ ৰোমন্থন কৰি আছিল মাষ্টৰে। দুঘন্টামান বহাৰ পাছত ডাক্তৰ খান্নাই মাষ্টৰক মাতি নি বুজাব ধৰিলে "আপোনাৰ ল'ৰাৰ আগফালত কোনো ধৰণৰ প্ৰব্লেম নাই। পাচফালত সামান্য স্পট এটা পৰিছে। পাইলছৰ লক্ষণেও দেখা দিছে। পাইলছৰ বাবে পাইলছ স্পেছিয়েলিষ্ট ডাক্তৰ ডেকাক দেখুৱাওক। কিন্তু স্পটটোৰ কাৰণে মোৰ বোধে বায়পছি কৰা ভাল হ'ব। যিহে দিনকাল পৰিছে, ক'ত কি হয় ক'ব নোৱাৰো। অত্যাধুনিক ক্লিনিকত বায়পছি কৰিলে ভাল হ'ব। মই ৰেফাৰ কৰি দিলো লগতে ফোন এটাও কৰিম। আপোনাৰ কোনো ধৰণৰ অসুবিধা নহ'ব। বায়পছি ৰিপোৰ্ট পালেহে ব্যৱস্থা ল'ব পৰা যাব। তথাপিও প্ৰিভেনশ্বনৰ বাবে এই

ঔষধখিনি খুৱাব।’

কোনোদিনে নুশুনা শব্দ এটা শুনি মাষ্টৰৰ বুকুখন চিৰিংকৈ উঠিল। ডাক্তৰ খান্নাৰ কথামতে মাষ্টৰে বায়পছি স্পেছিয়েলিষ্ট ডাক্তৰ বৈৰাগীৰ কাষ চাপিল। বায়পছি কৰা ইমান জটিল বুলি মাষ্টৰে কেতিয়াও ভবা নাছিল। ফৰ্মত চহী কৰা, তেজ, শৌচ, পেচাব আদি লোৱা, এনেছথেছিয়াদি স্পটৰ পৰা মাংস কাটি লোৱা আদি কাৰ্যত মাষ্টৰ বাৰুকৈয়ে হতাশ হ'ল। বায়পছি ৰিপোৰ্টখন সোনকালে পোৱাৰ বাবে মাষ্টৰে বায়পছি স্পেছিয়েলিষ্টক কাবৌ কৰাত ডাক্তৰ বৈৰাগীৰ বিৰক্তিৰ উক্তি ‘হেৰি ইমান অধৈৰ্য্য নহ'ব, পৰীক্ষা বিলাক কৰিব লাগিব নহয়, অকল আপোনাৰ কেচেই নহয় দিনে কমেও এশটা এনে কেচ আহি থাকে।’ বায়পছি স্পেছিয়েলিষ্টৰ কথাত মাষ্টৰে একো প্ৰতিবাদ নকৰি মনে মনে ওলাই আহি পাইলছ স্পেছিয়েলিষ্ট ডাক্তৰ ডেকাৰ কাষ চাপি ক'লে ‘ডাক্তৰ খান্নাই আপোনাৰ ওচৰত ৰেফাৰ কৰিছে, মোৰ ল'ৰাটোৰ বোলে পাইলছৰ প্ৰব্লেমে দেখা দিছে। গতিকে সোনকালে কিবা এটা কৰক।’

লিৰিকি বিদাৰি নিৰীক্ষণ কৰাৰ পিছত ডাক্তৰ ডেকাৰ মন্তব্য ‘কেচটো সিমান জটিল নহয়। ঔষধ দিলেও প্ৰব্লেম ছলফ হ'ব। কিন্তু চিকিৎসা বিজ্ঞানত এষাৰ কথা আছে -ওৱান অপাৰেছন ইচ বেটাৰ দেন হানড্ৰেড মেডিচিন। তদুপৰি লক্ষণ অনুযায়ী অনুমান হয় ৰোগীৰ এপেণ্ডিচাইটিছৰ প্ৰব্লেম আছে। আপুনি আজিয়েই এস্কৰে এটা কৰাওঁক। ভাবিছো পাইলছৰ অপাৰেচনৰ সময়ত অদৰকাৰী অংগটো একেবাৰে কাটিয়েই পেলাম। ভৱিষ্যতে একো অসুবিধা নহ'ব। আচলতে ফৰেন কান্ট্ৰি বিলাকত জন্মৰ সময়তে এই অদৰকাৰী অংগটো কাটি পেলায়। গতিকে এইখন লিষ্টমতে ঔষধ আৰু আন আন বস্তুসমূহ কিনি আনক আৰু তেজ তথা পেচাবৰ এই পৰীক্ষা কেইটা কৰাওঁক। তাৰোপৰি এনেছথেচিয়া স্পেছিয়েলিষ্ট ডাক্তৰ আহমেদ, স্নায়ু স্পেছিয়েলিষ্ট ডাক্তৰ হুছেইন, যন্ত্ৰ-পাতি স্পেছিয়েলিষ্ট ডাক্তৰ শৰ্মা আৰু নাৰ্চ আদিৰ ল যোগাযোগ কৰক। কাইলৈ পুৱাৰ ভাগতেই অপা কৰিম। অপাৰেচনৰ আগমূহুৰ্তত এনেমিয়াদি চুলি পেচেন্টটোক পৰাপক্ষত সোনকালে সাজু কৰি ৰাখি

সুদীৰ্ঘ চাৰি ঘন্টাৰ পিছত অপাৰেচন থিয়ে পৰা ওলাই আহি ডাক্তৰ ডেকাই চিগাৰেট এটা জ্বলাই এটা মাৰি ক'লে- ‘অপাৰেচন ছাকছেচফুল। অৱশ্যে পে বুকুৰ তলত সামান্য বিষ অনুভৱ কৰিছে বুলি ক সমস্যাটো মোৰ বিভাগৰ বাহিৰত। তথাপিও মই ৰেফাৰ কৰি দিলো। বুকুৰ তলৰ বিষৰ বাবে স্পেছিয়েলিষ্ট ডাক্তৰ বৰ্মনক দেখুৱাটোৱে শ্ৰেষ্ঠ হ

নতুন নতুন বেমাৰৰ আৱিৰ্ভাৱত মাষ্টৰ বাৰু বিপাঙত পৰিল। ডাক্তৰৰ পৰামৰ্শ মানিবই ল বাপকণক বচাবই লাগিব। নিজৰ ভাগ্যক থিয়াই বৰ্মনৰ ওচৰত বাপকণক লৈ আহি মাষ্টৰৰ বিনম্ৰ অ ‘ছাৰ ডাক্তৰ ডেকাই আপোনাৰ ওচৰলৈ পঠাইছে তলৰ বিষৰ বাবে ৰোগীয়ে একো খাব নোৱাৰে। সোন কিবা এটা কৰক।’

ভালদৰে টিপি হেচি চাই ডাক্তৰ বৰ্মনৰ ‘ঔষধ দিয়াৰ আগতে লিভাৰৰ ছনোগ্ৰাফী কৰিব ৰিপোৰ্ট চোৱাৰ পিছতহে ঔষধ দিম। মাথোন অল ধৰিব লাগিব। ৰোগীৰ একো নহয়। ছনোগ্ৰাফীৰ বৰবেছি টকা খৰচ নহ'ব। সাতশ মান টকা লাগিব। আজিয়েই ৰিপোৰ্টখন দেখুৱাব।’

কছাইখানাৰ ছাগলীৰ নিচিনা মাষ্টৰেও কথামতে কাম কৰিবলৈ বাধ্য হ'ল। আদৰৰ ল'ৰাৰ লাভৰ খীন আশাৰে ছনোগ্ৰাফী ৰিপোৰ্টখন আনি বৰ্মনক দি মিনতি কৰি ক'লে ‘সোনকালে কিবা এটা ছাৰ।’ ৰিপোৰ্ট চাই ডাক্তৰ বৰ্মনে স্বস্তিৰ নিঃশ্বাস আশ্বাস দিলে ‘আপোনাৰ ৰোগী বৰ লাকী মানুহ। নৰ্মেল। চিন্তাৰ একো কাৰণ নাই কিন্তু প্ৰিভেনচন হেপাটাইটিছ বিৰ ভেক্‌চিনটো লৈ থোৱা ভাল। সকতে লোৱাটো উত্তম যদিও যিকোনো বয়সৰ মানুহেও ল'ব পাৰে। ইণ্ডিয়ান মেইডটো নল'ব। জেনেটিকেলি ইঞ্জিনিয়াৰ্ডটো ল'ব। মোৰ ইয়াতে আছে।’

ডাক্তৰৰ পাচত ডাক্তৰ, ঔষধৰ পৰিবৰ্তে ঔষধ, হাস্পাতাল, ফাৰ্মাচী আদিৰ সান্নিধ্যত বাপকণৰ ৰোগৰ জটিলতাও আকাশে বং সলোৱাৰ দৰে সলাব ধৰিলে। ডাক্তৰ বৰ্মনৰ ঔষধ খোৱাৰ পিছৰে পৰা বাপকণৰ দেহৰ চালৰ বিজবিজনিৰ নতুন সমস্যাই দেখা দিলে আৰু ৰঙা পৰি ভীষণ ভাবে উখহি যোৱাত অৱস্থা তেনেই শোচনীয় হৈ পৰাত মাষ্টৰে ডাক্তৰ বৰ্মনক ঔষধৰ ৰিয়েকশ্বন হোৱা বুলি ডাঠি কৈ ওজৰ জনোৱাত ডাক্তৰ বৰ্মনৰ দৃঢ় প্ৰতিবাদ এয়া মোৰ ঔষধৰ বিয়েকশ্বন হ'ব নোৱাৰে। আগৰ পৰাই প্ৰব্লেম আছিল যেন পাওঁ। এলাৰ্জি হ'ব পাৰে। গতিকে আপুনি চৰ্মৰোগ স্পেছিয়েলিষ্ট ডাক্তৰ সৰকাৰৰ লগত এবাৰ আলোচনা কৰা ভাল হ'ব।’

তন্ন-তন্নকৈ ৰোগৰ হিষ্ট্ৰী শুনাৰ পিছত ডাক্তৰ সৰকাৰে মাষ্টৰক ভালদৰে বুজাব ধৰিলে ‘এলাৰ্জি নানা কাৰণত হ'ব পাৰে। খোৱা বস্তু, ধুলি-বালিকণা, ফুলৰ ৰেণু, ৰাসায়নিক পদাৰ্থ আদিৰ পৰাও হ'ব পাৰে। গতিকে আপুনি এই সকলোবোৰ দিশ মন কৰিলেহে প্ৰকৃত কাৰণটো ধৰা পৰিব। গতিকে ধুলি-বালি, ধোঁৱা আদিৰ পৰা সাৱধানে থকাৰ যত্ন কৰিব। এইবোৰৰ উপৰিও ছাইক'লজিকেল এলাৰ্জিও কিছু ক্ষেত্ৰত হয়। মই কেইটামান এন্টিহিষ্টামাইন টেবলেট লিখি দিলো। নিশ্চয় ভাল হ'ব। কিন্তু পুনৰায় একে সমস্যাই দেখা দিব পাৰে।’

ডাক্তৰ সৰকাৰৰ ঔষধত ছালৰ খজুৱতি কমিল যদিও মুৰৰ চুলি সৰা আৰু পকাৰ নতুন সমস্যাই দেখা দিলে। প্ৰতিকাৰৰ উপায় বিচাৰি মাষ্টৰে ডাক্তৰ সৰকাৰক অনুৰোধ জনালে। নিজৰ ফিল্ডৰ বাহিৰত ডাক্তৰ সৰকাৰে কোনো ধৰণৰ ৰিস্ক ল'ব খোজা নাই। তাৰ বাবেই হয়তো চুলি স্পেছিয়েলিষ্ট ডাক্তৰ টেগুনৰ ওচৰত ৰেফাৰ কৰিবলৈ বাধ্য হ'ল তেওঁ।

সাতে পাঁচে চৈধ্য গণি বাপকণক লগত লৈ মাষ্টৰ ডাক্তৰ টেগুনৰ ওচৰ পালে। ডাক্তৰ টেগুনে গোফৰ ফাঁকেদি মিছিকিয়া হাঁহি এটা মাৰি ক'ব ধৰিলে ‘চুলি পকা আৰু চুলি সৰা আজিৰ দিনত একো ডাঙৰ কথা নহয়। বৰ্দ্ধিত পৰিৱেশ প্ৰদূষণ, খাদ্যত ভেজাল, হাইপাৰ টেঞ্চন, অতিমাত্ৰা জীৱন সংগ্ৰাম আদি নানা কাৰণত চুলি পকে। গেষ্ট্ৰএন্টাৰাইটিছ প্ৰব্লেম, ছেক্স হৰ্মণ, কৃত্ৰিম বস্তুৰ ব্যৱহাৰ, উচ্চ চোকৰ চাবোন ব্যৱহাৰ আদি নানা কাৰণত চুলি সৰিব পাৰে। এনেছথেছিয়া ব্যৱহাৰ কৰিলেও চুলি পকিব পাৰে। গতিকে এইবোৰলৈ বেছি চিন্তা কৰি লাভ নাই। তথাপিও হেয়াৰ ভাইটেলাইজাৰ, আমলখি, বিশুদ্ধ সৰিয়হৰ তেল আদি ব্যৱহাৰ কৰিব পাৰে। দেখিছেই নহয় মোৰ মুৰৰ চুলিৰ অৱস্থা। স্কুলীয়া দিনতেই চুলি পকা আৰম্ভ কৰিছিল। মই নিজেই ভদ্ৰতপা। আপোনাক কিনো কম।’

কেইদিনমানৰ পৰা বাপকণে অসহ্য কঁকালৰ বিষ অনুভৱ কৰি আছে। অকল সেয়াই নহয় বহিলে উঠিব নোৱাৰা আৰু উঠিলে বহিব নোৱাৰাৰ বাবে বাপকণে জীয়াতু ভোগাত উপায় নাপাই মাষ্টৰে হাড় স্পেছিয়েলিষ্ট ডাক্তৰ সিংৰ ওচৰ চাপিবলৈ বাধ্য হ'ল। ডাক্তৰ ডেকাই ৰেফাৰ কৰিছে বুলি সদৰি কোৱাত হাড়ৰ বিভিন্ন সন্ধিস্থলবোৰ টিপি হেঁচি ডাক্তৰ সিংৰ মন্তব্য ‘অকল এটা নহয় বহু কাৰণত কঁকালৰ বিষ হয়। চিন্তা নকৰিব। কঁকালৰ এক্সৰে এটা কৰাব লাগিব। ৰিপোৰ্ট চোৱাৰ পিছতহে সিদ্ধান্ত ল'ব পাৰিম। আমাৰ ইয়াতো কৰাব পাৰে নাইবা অত্যাধুনিক ক্লিনিকতো কৰাব পাৰে। বেলেগৰ ৰিপোৰ্টত কম গুৰুত্ব দিব বুলি ভাবি ডাক্তৰ সিংৰ ক্লিনিকতে কঁকালৰ এক্সৰে কেইটামান কৰালে। ৰিপোৰ্ট চাই ডাক্তৰ সিংৰ সগৌৰৱে ঘোষণা ‘হাড়ৰ জইন্টৰ বৰ বেছি এটা প্ৰব্লেম নাই। অৱশ্যে লাম্বাৰ স্পনডলাইটিছ বুলি অনুমান হয়। কেইটামান এক্সছাৰছাইচ নিয়মিতভাৱে

নৱজ্যোতি মহাবিদ্যালয় আলোচনী/২০০৩-০৪

কৰিব লাগিব। তথাপিও এবাৰ মেডিচিন স্পেচিয়েলিষ্ট ডাক্তৰ নাথৰ লগত আলোচনা কৰাটো উত্তম হ'ব।' নদীৰ ওলোটা পাকত পৰা ডিঙা নাঁৱৰ দৰে ডাক্তৰৰ চক্ৰবেহুত পৰি একমাত্ৰ ল'ৰাৰ জীৱন ৰক্ষাৰ ক্ষীণ আশা বুকুত বান্ধি ডাক্তৰ নাথৰ শৰণাপন্ন হ'ল মাষ্টৰ। ভালদৰে লিৰিকি-বিদাৰি চাই ডাক্তৰ নাথে উদ্বিগ্নতাৰে ক'লে 'মোৰ ওচৰলৈ আগতে অহা হ'লে ভাল আছিল। তথাপিও চিন্তাৰ কোনো কাৰণ নাই। এই পেইন কিলাৰ ইনজেকশ্বন কেইটা ল'ব আৰু টেবলেট কেইটাও খুৱাব। পৰাপক্ষত খালী মজিয়াত বহিব নিদিব আৰু গধূৰ বস্তু দাঙিব নিদিব। এমাহ পিছত আকৌ এবাৰ চেক আপত আহিব।' বহুদিনৰ মুৰকত এজন অভিজ্ঞ ডাক্তৰৰ ওচৰলৈ অহা বুলি মাষ্টৰৰ অনুমান হ'ল। স্বাভাৱিকতে স্বস্তিৰ নিঃশ্বাস পেলাই মাষ্টৰ ঘৰমুৱা হ'ল।

এপষেক কাল পিছত মাষ্টৰ পুনৰ ডাক্তৰ নাথৰ ওচৰলৈ আহি ক'লে 'ছাৰ ল'ৰাটোৰ কঁকালৰ বিষ অলপ কমিছে যদিও বুকুৰ ধপধপনি বৰ বেছি হৈছে। মাজে সময়ে অলপ বিষো অনুভৱ কৰে। অনুগ্ৰহ কৰি কিবা এটা কৰক। বহুতেই কয় এয়া বোলে পেইন কিলাৰৰ ৰিয়েকশ্বন। ৰাগীৰ লেটেষ্ট ডেভেলপমেন্টত ডাক্তৰ নাথ বাৰুকৈ বিমোৰত পৰিল। তেওঁৰ ধাৰণা 'কথাটো চিন্তা কৰিবলগীয়া বিধৰ। হাৰ্ডৰ কথা ক'ব নোৱাৰি ক'ত কি হয়। গতিকে হাৰ্ড স্পেছিয়েলিষ্ট ডাক্তৰ বৰুৱাক দেখুৱাটোৱে উত্তম হ'ব।' ল'ৰাৰ হাৰ্টৰ প্ৰব্লেমৰ কথা ভাবি মাষ্টৰৰ হাৰ্টৰ স্পন্দনো ক্ষীপ্ৰতৰ হ'ব ধৰিলে।

ডাক্তৰ বৰ্মন আৰু ডাক্তৰ নাথৰ লগত সুৰ মিলাই ডাক্তৰ বৰুৱাই মাষ্টৰক অভয় দি কলে 'মানুহে আজিকালি ৷হৰীৰ হাৰ্টটো লগাব পৰা পৰ্য্যায়ত উপনীত হৈছে গতিকে চিন্তাৰ কোনো কাৰণ নাই। পেচ্চেক সোনকালে ইন্টেনচিভ কেয়াৰ ইউনিটত ভৰ্তি কৰাওঁক। অতি কমেও আঠচল্লি ঘন্টা ননষ্টপ ইচিজি কৰাব লাগিব। তাৰোপৰি হাৰ্টৰ স্কে এটা কৰালেও ভাল হ'ব। সকলো ৰিপোৰ্ট পালেহে সিদ্ধান্ত উপনীত হ'ব পৰা যাব। অৱশ্যে সম্পূৰ্ণ প্ৰক্ৰিয়াটো অ ব্যয়বহুল হ'ব পাৰে।'

ডাক্তৰৰ কথামতেই কাম। যাৱতীয় পৰীক্ষা ক হ'ল। ৰিপোৰ্ট চাই ডাক্তৰ বৰুৱাৰ মন্তব্য 'আপোন পেচেন্টৰ হাৰ্টৰ বৰ বেছি প্ৰব্লেম নাই। পেজমেকাৰ অ দুৰ্বল হোৱা যেন লাগিছে। ভৱিষ্যতে সমস্যা হ'ব পা গতিকে সময় থাকোতেই এটা কৃত্ৰিম পেজমেকাৰ বহু লোৱাই ভাল হ'ব। খৰচ বৰ বেছি নহব। যাঠী হাজাৰ পৰিব। এই ঔষধখিনি খাব দিব আৰু সিদ্ধান্তটো সোনকা জনাব।'

অজান আশঙ্কাত এশয়াদ মাষ্টৰৰ অন্তৰা বিৰবিৰাব ধৰিলে। 'হে আল্লাহ এইবাৰ বোধহয় ৰক্ষা ন ডাক্তৰৰ পিছত ডাক্তৰক দেখুৱালো। ক্ৰমান্বয়ে জটি বাঢ়িছেহে। আন বেমাৰ হ'লে কথা নাছিল হাৰ্ট কণ্ডেম মানে সোনকালে ভেলোৰলৈ যোৱাই ভাল হ'ব। টকা প মাটি-বাৰী দি কিনো কৰিম।'

ভৱাৰ দৰেই কাম। যমৰ লগত অন্তিম যুঁজ দি মানসেৰে মাষ্টৰে বাপকণক লৈ ভেলোৰ পালে অতদিনৰ যাৱতীয় তথ্য-পাতিবোৰ ডাক্তৰক দেখুওৱা হ এপষেক কাল বিতং অনুসন্ধান চলিল। বাপকণক আ স্পেছিয়েলিষ্টৰ তন্ন-তন্ন পৰীক্ষা চলিল। হাৰ্ট, ছাল, পাকস্থলী, চকু, কিড্‌নি, দন্ত, স্নায়ু, মনস্তা ৰেডিঅ'লজিষ্ট, এনেছথেছিয়ল'জিষ্ট, হাড়, চুলি ঔষধ স্পেছিয়েলিষ্টৰ মাজত গভীৰ আলোচনা হ'ল। অ সিদ্ধান্ত ৰং ট্ৰিটমেন্ট।।◆◆







# অব্যক্ত প্ৰেমৰ অনুভূতি

✍ আজিজুল হ'ক
স্নাতক ১ম বৰ্ষ (কলা)।

কবিতাক দেখিলেই মোৰ মনটো হঠাৎ কঁপি উঠে। য়ত যেন উদয় হয় সহস্ৰ প্ৰশ্ন। জাগি উঠে এক শিহৰণ। ৎ হৈ পৰো অপ্ৰস্তুত। কিবা যেন ক'ব বিচাৰিও ক'ব ৰাৰো। মন যায় আৰু এবাৰ ঘুৰি চাবৰ। তাই মিচিকিয়াই হে আৰু আঁতৰি যায়। মন যায় তাইৰ হাঁহি ধৰি ৰাখিবৰ। কেনেকৈ? তাইৰ হাঁহিটো সৰি পৰা গোলাপ পাহি য় যে, মই বুটলি গোটাই ৰাখিম। মইতো তাইৰ প্ৰেমত া নাই হঠাতে। মইতো কবি নহয় যে তাইৰ প্ৰেমত পৰিম। ৰ নামটোৰ বাহিৰে মই তাইৰ বিষয়ে কিনো জানো? এসপ্তাহ হ'ল কলেজলৈ অহা আৰু তাইক লগ পোৱা। লজৰ কেন্টিনত তাইক লগ পাইছিলো সীমাৰ সৈতে। ন ধুনীয়া আছিল তাই! যেন সঁচাকৈয়ে কোনোবা কবিৰ তা। মই অপ্ৰস্তুত হৈ হাঁহিছিলো যেতিয়া সীমাই পৰিচয় বলৈ কৈছিল অশোকদা এয়া কবিতা মোৰ বান্ধৱী। বোৰ ভাবোতেই হঠাৎ বাস্তৱলৈ ঘূৰি আহিল অশোক। টোলৈ চালে ৰাতি এঘাৰ বাজিছে। কিতাপৰ যিটো পাত ল পঢ়িব বহিছিল সেই পাতটোৱেই সন্মুখত আছে। প্ৰথম শাৰী পঢ়াৰ পিছত কেতিয়া কেনেকৈ তেওঁ এইবোৰ ৱলৈ লৈছে ক'বই নোৱাৰে। লাইটটো বন্ধ কৰি বিচনাত পৰিল তেওঁ।

পুৱা সোনকালে উঠিব লাগিব। অন্ততঃ বৰুৱা ৰ পঢ়াখিনি পঢ়ি যাব লাগিব। অহাকালি এক বজাৰ পৰা নাই। সুযোগ পালে কথাবোৰ কবিতাক খুলি ক'ব ব। মই ভালপাওঁ বুলি ক'লে তাই বেয়া নাপায়তো? ীমাৰ সহায় ল'ম। নাই যি হয় হ'ব। মইয়ে ক'ম কথাবোৰ ভাৱি অশোক নিদ্ৰাৰ লগত একাত্ম হৈ পৰিল। পিছদিনা অশোকে ক্লাচ শেষ কৰি চাহ একাপ খাই ল'লে। কেন্টিনত ল'ৰা-ছোৱালীৰ অহা-যোৱা খোৱা-লোৱাত ব্যস্ত। "সীমাহত চোন আহিব লাগিছিল। কিন্তু, কিয় অহা নাই?" অশোকে ভাবিব ধৰিলে সিহঁত বাৰু ক'ত থাকিব লাগে। অধৈৰ্য হৈ কথাবোৰ ভাবোতেই এজাক ছোৱালী কেন্টিনলৈ সোমাই আহিল। সিহঁতৰ হাঁহি আনন্দলৈ অশোকৰ মন নাই।

ঃ অশোকদা কিবা টেনচ্‌ন নেকি? ছোৱালীজাকৰ মাজৰ পৰা এজনীয়ে ক'লে।

ঃ নহয় অ' এনেয়ে। ৰীণা তই সীমাহঁতক দেখিলিনে?

ঃ অ' কবিতাৰ লগত লাইব্ৰেৰীত বহি কিবা লিখি আছে। কথাষাৰ কৈ ৰীণা বাকী ছোৱালীবোৰৰ লগত বহি পৰিল।

অশোকে লাহে লাহে লাইব্ৰেৰীলৈ বুলি খোজ পেলালে।

কলেজৰ প্ৰকাণ্ড গেটখন পাৰ হৈ এজোপা ডাঙৰ বৰগছ আছে। বৰগছজোপাৰ তলত বহি কিছুমান ল'ৰাই জিৰণি লয়। সেই সময়তো অশোক সেই ঠাই পোৱাৰ লগে লগে দেখিলে কবিতা আৰু সীমা লাইব্ৰেৰীৰ পৰা আহি আছে। অশোক ৰৈ গ'ল। কবিতাই ওচৰ আহি পোৱাৰ লগে লগে অশোকৰ হৃদয়ৰ স্পন্দন ক্ৰমাত বৃদ্ধি পাব ধৰিলে। অশোকে সাহস গোটাই সেপ গিলিলে। 'যিয়ে নহওঁক আজি কমেই।' অশোকে মনে মনে ভাবিলে।

ঃ "অশোকদা। আপোনাৰ ক্লাচ শেষ নহয় নে?" সীমাই ক'লে।

ঃ হয়। "পিছে তুমি কেন্টিনলৈ যোৱা। কবিতাৰ লগত মোৰ দুটামান কথা আছে।"

ঃ ময়ো আপোনাকে বিচাৰি আছো । কবিতাই ক'লে।

কবিতা, তই থাক। মই আহিছো। কৈ সীমা কেন্টিনলৈ 'ল।

পৰিবেশটো ঠিক নহয় বুলি অলপ দূৰত থকা জবাফুল গছজোপালৈ ইঙ্গিত কৰি অশোক কবিতাক আহিবলৈ ক'লে। দুয়ো গ'ল।

মই...... মানে........ তুমি......... । অশোকে ক'ব বিচাৰি ক'ব নোৱাৰিলে। বুকুখন কঁপি উঠিল।

কি ক'ব বিচাৰিছে অশোকদা। মইতো একো বুজি পোৱা নাই। অলপ ভালকৈ কওঁকচোন। কৈ কবিতাই মিঠা হাঁহি টা মাৰিলে। অশোক অপ্ৰস্তুত হৈ পৰিল। তেওঁ কি ক'ব বিচাৰিছিল পাহৰি গ'ল।

কিনো কম?

আপুনি জানে।

বেয়া নোপোৱাতো।

কি ক'ব বিচাৰিছে। কবিতাই অলপ চিন্তা কৰিলে। অশোক দুৰ্বল হৈ পৰিল। নাই কথাযাৰ নকওঁ তাই বেয়া পাব পাৰে। কালি চিঠি এখনকে লিখি লৈ আহিম। অশোকে ভাবিলে।

কি ভাবিছে অশোকদা, মই কিন্তু একো বুজি পোৱা নাই। কবিতাই ক'লে।

বুজিবলৈনো কিটো আছে। মই এখন নাটক লিখিছো। তামাক এটা চৰিত্ৰত অভিনয় কৰিবলৈ দিম বুলি ভাবিছো। তুমি কৰিবানে নাই সেইটোহে ক'ব বিচাৰিছিলো। কিন্তু কনেকৈ কম তাকে ভাবি আছো। প্ৰসঙ্গ সলাই পৰিবেশটো স্বাভাৱিক কৰিবলৈ অশোকে ক'লে।

মোক কিয় বাচি ল'লে। কবিতাই ক'লে।

তাৰ মানে চৰিত্ৰটোৱে নাটকত মাজে মাজেই মিছিকিয়াই হাঁহিব লাগিব। আৰু তুমি হাঁহিলে খুব ধুনীয়া লাগে সেই কাৰণে।

ঃ বেছি কোৱা নাইতো। আকৌ হাঁহি কবিতাই ক'লে। খাই কৈছো। পিছে কোৱাচোন কি ক'বা তুমি। মোক বিচাৰি আছা?

ঃ তাৰমানে, আপুনি মোৰ বাবে এটা কাম কৰিব ল মোৰ ক্লাচ শেষ হওঁতে পোষ্ট অফিচ বন্ধ হ'ব। গ আপুনি যদি অলপ কষ্ট কৰি মোৰ চিঠিখন পোষ্ট কৰি তেন্তে..... ।

ঃ হ'ব দিয়া। দুমিনিট নালাগে। কৈ অশোকে পকেট বাইকৰ চাবিটো উলিয়ালে। যাক ইমান ভালপাওঁ ত সামান্য কামটো কৰিব নোৱাৰিমনে? অশোকে মনে ভাবিলে।

ঃ এয়া লওঁক সীমা আহি আছে। আমাৰ ক্লাচ আৰু গতিকে যাওঁ বেয়া নাপাব। চিঠিখন উলিয়াই অশোক দি হাঁহি এটা মাৰি গুচি গ'ল। অশোক একে থৰে পিনে চাইয়েই থাকিল। যেন কোনোদিনেই দে তাইক। ধেৎ তেৰি, আজিও কোৱা নহ'ল। বাঃ কি তাইৰ খোজ। অশোকে চাইয়েই ৰ'ল।

ঃএই অশোক। কি কথা পাতি আছিলি তহঁতে। খুব দেখোন। বেচেৰীৰ বিয়া নোহোৱা হ'লে। তাম দিগন্তই ক'লে।

ঃতাৰ মানে তাইৰ বিয়া হৈছে নেকি? অশোকৰ মুখ ভাগি পৰা যেন লাগিল।

ঃ দুমাহ হ'ল। গিৰিয়েকজন দিল্লীত চাকৰি কৰে। ক'লে।

ঃ তাৰ মানে তাই দিয়া চিঠিখন...... । অশোকে চালে। দিল্লী- ৬। অশোকৰ মুৰে কাম নকৰা হ'ল

চিঠিখনৰ ঠিকনাটো ভালকৈ পঢ়িবলৈ অশোক নহ'ল। ভৰ দুপৰীয়াই সূৰ্যটো মাৰ যোৱা যেন লাগি





# অভিনৰ কৌশল

✍ মতিউৰ ৰহমান
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান শাখা)।

ং ক্ৰিং ক্ৰিং ...........................

বিৰক্ত হৈ উঠিল অনিল। গোটেই দিন অফিচৰ স্তা। তাতে আকৌ ৰাতি বাৰটালৈ কিতাপ এখন পঢ়ি ইমাত্ৰ শুইছেহে। বিৰক্তিৰে বেডচুইছটো অন কৰি বুলখনৰ কাষলৈ গ'ল। এবাৰ তেওঁ টেলিফোনটোলৈ লে। ওচৰতে টেবুল ঘড়ী। তেতিয়া বাৰ বাজি ত্ৰিশ মিনিট ছে। নিশা বাৰবাজি ত্ৰিশ মিনিট।

কেতিয়াবা অনিলৰ টেলিফোনটো দলিয়াই লাই দিবৰ মন যায়। কি যে আপদীয়া বস্তু। বিছিভাৰ লে ক্ৰিং ক্ৰিং ক্ৰিং কৰিয়েই থাকে।

অনিলে অৱশেষত ৰিছিভাৰটো উঠালে। "হেল্ল' ৰো ওৱান টু থ্ৰি ফৰ ছিক্স ফাইভ ছিক্স?

ইয়েচ্‌.............অনিল কলিতা স্পিকিং

অ'......... নমস্কাৰ।"

নমস্কাৰ।"

ইমান ৰাতি ফোন কৰাৰ বাবে বেয়া নাপাব"।

ঠিক আছে, কি কথা আছিল?"

মানে, আপোনাৰ লগত কেইটামান কথা আছিল।".

পিচে আপুনি কোনে কৈছে, জানিব পাৰো নে?"

মোৰ নাম বিপুল ৰাজবংশী।"

অনিলৰ বিৰক্তিয়ে তুংগ পাইছিলগৈ। ক'লে "কিন্তু য়া কথা পতাৰ সময় আছে জানো? মই শুৱলৈ লৈছো। পৰি মই আপোনাক চিনিও নাপাওঁ।"

ঃ "মই কিন্তু আপোনাক চিনি পাওঁ। পেশাত পুনি হ'ল এজন ডাক্তৰ। এই ঘৰটোত আপোনাৰ বাস এবছৰ মানহে হৈছে। পূৰ্বত আপুনি ভাড়া ঘৰত আছিল। য়া নিজাকৈ ঘৰ হোৱাত ইয়ালৈ গুছি আহিছে। আপুনি কৰোৱা আজি পাঁচ মাহ হৈছে। আপোনাৰ পত্নী বৰ্তমান মাকৰ ঘৰত আছে। তেখেতৰ মাকৰ ঘৰ যোৰহাটত। তেখেত পেশাত উকীল। মই সঁচা কৈছো নে বাৰু?"

অনিল আচৰিত হৈ পৰিল। ক'লে-

"ইমান বিলাক কথা কেনেকৈ জানিলে আপুনি?"

ঃ "ধৰি লওঁক এয়া মোৰ এক বিশেষ ক্ষমতা। এতিয়া কওঁকচোন মোৰ কথা কেইটা শুনিবলৈ আপুনি ইচ্ছুক নে?"

ঃ "বৰ বেছি সময় লাগিব নেকি?"

ঃ "নালাগে। অৱশ্যে যদি কথোপকথন চলে, কিছু সময় লাগিবও পাৰে।?

ঃ "হব, ঠিক আছে, কওঁক।"

ঃ "আজিৰপৰা সাত বছৰ আগৰ কথা কৈছো। সেই সময়ত আপোনাৰ পত্নী অৰ্থ্যাৎ মিচেছ মনিমালা কলিতা গুৱাহাটী ইউনিভাৰ্চিটিৰ আইন বিভাগৰ ছাত্ৰী আছিল। আৰু আপোনাৰ বৰ্তমান পত্নী সেই সময়ত মোৰ সহপাঠী তথা ভাল বন্ধু আছিল।"

ইতিমধ্যে অনিলৰ খঙে চুলিৰ আগ পাইছিল গৈ। কলেঃ "সেই বুলি কি হল। কেতিয়াবা ঘৰত আহি পৰিচয় হৈ লবা। এতিয়া থৈছো।

"ৰব। মই পৰিচয় হোৱাৰ বাবে টেলিফোন কৰা নাই। অন্য কাৰণতহে ফোন কৰিছো। বাৰু আপুনি আপোনাৰ পত্নীৰ বিয়া হোৱাৰ আগতে এযোৰ দামী নেকলেচ হেৰুওৱাৰ কথা জানে নে?"

ঃ "অ মনিমালাৰ মুখৰ পৰাই সেয়া জানিছো। বহু বিচাৰ - খোচাৰ কৰিও হেনো নেকলেছ ডাল পোৱা নাছিল। পুলিছেও ইয়াৰ কোনো সন্ধান পোৱা নাছিল।"

ঃ "নেকলেছডাল এতিয়া মোৰ ওচৰত আছে।"

ঃ "কি? আপোনাৰ ওচৰত? আপুনি হেনো তাইৰ ভাল বন্ধু আছিল। নেকলেছডাল চুৰি কৰিলে কিয়?"

"চুৰিৰ কথা নক'ব। নেকলেছডালৰ বিষয়ে এটা মুখৰচক কাহিনী আছে। যদি ধৈৰ্য্য ধৰে নিশ্চয় শুনিব পাৰিব।"

"বাৰু কৈ যাওঁক শুনি আছো।"

মই আগতেও কৈছো মই আৰু মনিমালা ভাল বন্ধু আছিলো। সেইবুলি আপুনি নেভাবিব আমাৰ মাজত প্ৰেম আছিল। আমাৰ মাজত আৰু এজন বন্ধু আছিল তপন। আমি তিনিজন ইমান নলে-গলে লগা বন্ধু আছিলো যে ইউনিভাৰ্চিটিত আমাক সকলোৱে 'ত্ৰিভুজ' বুলি জাকাইছিল। মই আৰু তপন আছিলো মালিগাৱৰ ভাড়া ঘৰত। মণিমালা আছিল মালিগাৱত থকা তাইৰ মাহীয়েকৰ ঘৰত আৰু আমি ভাড়া লোৱা ঘৰটো আছিল তাইৰ মাহীয়েকৰ। গতিকে সদায় আমাৰ মাজত দেখা দেখি হৈছিল।

"আজে বাজে কথা বাদ দিয়ক। এতিয়া আচল কথালৈ আহঁক।"

" ধৈৰ্য্য ধৰক মই আগতেও কৈছো কথাব মাজত কথোপকথন হ'লে অলপ দেৰি হ'বই। বাৰু সেইবোৰ তিয়া বাদ দিয়ক।

........................

মণিমালা আছিল অলপ জেদী ধৰণৰ ছোৱালী। আপুনি হয়তো ইতিমধ্যে গম পাইছেই তাইৰ নেকলেছ ডাল অৱশ্যে আমিয়ে লগত থাকি কিনি দিছিলো। কিনাৰ সময়ত এনেয়ে ধমালিৰ ছলত তাইক কৈছিলো "নেকলেছ ডাল যদি কনেবাকৈ হেৰাই যায় তুমি তেতিয়া দুখ কৰিবা নেকি?" তাই প্ৰত্যুত্তৰত কৈছিল- "ইয়াত দুখ কৰাৰ প্ৰশ্নই নাহে, কিয়োনো নেকলেছ ডাল মোৰ তত্ত্বাৱধানত থাকিলে কেতিয়াও নেহেৰায়।" তেতিয়া মোৰ লগৰ বন্ধুজনে কৈছিল- ছোৱালী মানুহে নিজৰে নিৰাপত্তা দিব নোৱাৰে, নকলেছডালৰ নিৰাপত্তা দিব কেনেকৈ?" প্ৰায় খঙেৰেই মণিমালাই কৈছিল- "মোক তেনে ছোৱালী বুলি নেভাবিবা। মাৰ পৰা নেকলেছ ডাল যদি হেৰাইও যায় তেতিয়া ইয়াক পুণৰুদ্ধাৰ নকৰাকৈ নেথাকিম।"

" সোনকালে মূল কথালৈ আহঁক। ইমান বৰ্ণনাৰ প্ৰয়োজন নাই।"

ঃ "জেদী মণিমালা শলঠেকত পেলাবৰ কাৰণে অৱশে আমি দুই বন্ধুৱে নেকলেছডাল হস্তান্তৰ কৰিলো। আমি নেকলেছডাল নিছো তাৰ তিলমানো প্ৰমান থৈ নাছিলো। প্ৰথমে অৱশ্যে মণিমালাই আমাক স কৰিছিল। কিন্তু আমাৰ নিখুত অভিনয়ৰ বাবে অৱশে আমাৰ ওচৰত মিচা অভিযোগ অনা বাবে ক্ষমা খুজি

ঃ "আপুনিতো সেইটো ধেমালিত নিছিল। পিছত ঘূ নিদিলে কিয়?"

ঃ "সেয়া অন্য এক কাহিনী। নেকলেছ ডাল হেৰোৱাৰ বহুত অনুসন্ধান কৰা হ'ল। আনকি পুলিচকো খবৰ হ'ল। পুলিচেও অনুসন্ধান কৰি ইয়াৰ কোনো শুংসুত্ৰ উ নোৱাৰিলে। তাৰ এমাহ মান পিছত আমি বস্তুটো দিব খুজিছিলো। কিন্তু ভাবিলো তেতিয়া যদি ঘূৰাই হয় সকলোৱে আমাক বেয়া পাব, ভুল বুজিব। নেকলেছডাল আৰু ঘূৰাই দিয়া নহ'ল।"

ঃ "বাৰু ৰ'বচোন, আপোনাৰ নাম কি বুলি কৈছিল?

ঃ "বিপুল ৰাজবংশী।"

ঃ "আৰু আপোনাৰ বন্ধুজনৰ নাম?"

ঃ "তপন ভৰালী।"

ঃ নাম দুটা চিনাকি চিনাকি যেন লাগিছে। ক'ৰবাত দুটা যেন পাইছিলো।"

ঃ "বাৰু মনত পেলাওকচোন।"

অনিলে অলপ সময় চিন্তা কৰাৰ পিছত ঘ নাম দুটা মনত পৰি গ'ল। কলে- "পৰিছে, মনত প

ঃ "পৰিছেনে মনত?"

ঃ "যোৱাকালিৰ বাতৰি কাকতৰ প্ৰথম প আপোনালোকৰ নাম দুটা প্ৰকাশ পাইছিল। ৩৭ নং ঘাইপথত এখন এম্বেছেডৰ আৰু ট্ৰাকৰ মাজত মু সংঘৰ্ষত এম্বেছডৰত থকা তিনিজন যাত্ৰীৰ মৃত্যু। তা হ'ল গাড়ীখনৰ চালক আৰু আন দুজন হ'ল অতি বন্ধু বুলি পৰিচিত তপন ভৰালী আৰু বিপুল ৰাজ

ঃ "আপুনি ঠিকেই পঢ়িছে। মইয়েই সেই বিপুল ৰাজ

ঃ "আ......... আপুনি ...............তাৰমানে.........।"

ঃ "তাৰমানে আপুনি যি ভাৱিছে সেয়াই।"





"কিন্তু............ এয়া যে অসম্ভৱ।"

" কেনেকৈ অসম্ভৱ হ'ব? চাওঁকচোন কিবা শব্দ শুনিছে নেকি?"

"হয় হয় শুনিছো।"

"কিহৰ শব্দ?"

" মোৰ..... ঘৰৰ দুৱাৰত কোনোবাই যেন টুকুৰিয়াইছে।"

নিশাৰ নিৰৱতা ভেদি সেই শব্দবোৰ অনিলৰ ণত স্পষ্টকৈ পৰিছে। টক........... টক........... ক............। তাৰ পিছত টেলিফোনত পুনৰ বিপুলৰ কণ্ঠ।"

"আপোনাৰ লগুৱাটোক দুৱাৰখন খুলি দিব কওঁক।"

"কি............. কিয় খুলি দিব লাগে?"

"কিয়নো আপোনাৰ পত্নীৰ নেকলেছডাল ঘুৰাই দিবলৈ পন ইতিমধ্যে গৈ আপোনাৰ দূৱাৰৰ সম্মুখত উপস্থিত হৈছে।"

"অৱশ্যে তপনৰ দূৱাৰ খোলাৰ কোনো প্ৰয়োজন নহব। য়নো দূৱাৰ নোখোলাকৈ ঘৰৰ ভিতৰত প্ৰৱেশ কৰাৰ মতা তাৰ আছে।"

ইতিমধ্যে অনিল ভীষণ আতংকীত হৈ পৰিছিল। তৰ পৰা ৰিচিভাৰ সৰি পৰিছিল। লগুৱাটোক নেমাতি তওঁ নিজেই গৈ দৰ্জাখন খুলি দিছিল যাতে প্ৰেতাত্মাই কানো অপকাৰ নকৰে।

দৰ্জাখন খোলাৰ লগে লগে ক'লা চেহেৰাৰ, গাত ঘল দীঘল নোম, হাতৰ আঙুলি ডাঙৰ ডাঙৰ এটা ছাঁৰ চিনা কিবা এটা সোমাই আহিল। অনিলে দেখা নেদেখাকৈ টোৰ হাতত এডাল নেকলেছ দেখা পালে। সেয়েহে মনলৈ লপ বল আহিল। ছায়া মূৰ্তিটোৱে সুধিলে- "আপোনাৰ লমাৰিৰ চাবিটো ক'ত?"

অনিলে ভয়ে ভয়ে সুধিলে- "চাবিটো কিয় লাগে?"

"কিয়নো মই নিজে গৈ, নিজ হাতেৰে নেকলেছডাল লমাৰিত ভৰাইথৈ যাম।"- ছায়ামুৰ্তীটোৱে ক'লে।

অনিলে প্ৰেতাত্মাৰ ৰোষত পৰাৰ ভয়ত চাবিপাত আনি দিলে। ছায়ামূৰ্ত্তীটোৱে অট্ট্যহাস্য কৰি উঠিল। এইবাৰ অনিল আৰু থিৰেৰে থাকিব নোৱাৰিলে। মাটিত বাগৰি পৰিল। লগে লগে জ্ঞানশূন্য হৈ পৰি থাকিল।

ক্ষন্তেক পিছতে টেলিফোনৰ বিকট চিঞৰত অনিলৰ জ্ঞান ঘুৰি আহিল। ভয়ে ভয়ে ৰিচিভাৰটো উঠালে। সিফালৰ পৰা মাত ভাহি আহিল।

ঃ "আপুনি দেখিছো বৰ ভয়াতুৰ। ডাক্তৰ মানুহ হিচাপে ইমান ভয়াতুৰ হ'ব নেলাগিছিল।"

ঃ "আ............ আকৌ কিয় আমনি দিছে।"

ঃ "আমনি নহয়, বিদায় ল'ব আহিছো।"অনুগ্ৰহ কৰি নিশ্চয় আলমাৰীৰ ওচৰলৈ এবাৰ যাওক। আপোনাক আকৌ ধন্যবাদ জনালো। বিশেষকৈ আপোনাৰ ভয়াতুৰ মনটোক।"

ৰিচিভাৰ থোৱাৰ শব্দ শুনা গ'ল। অনিলে ৰিচিভাৰটো থৈ আলমাৰীৰ কাষলৈ গ'ল। আলমাৰীৰটো তেতিয়াও খোলা অৱস্থাত আছিল। আলমাৰীৰ ভিতৰৰ থাকবোৰলৈ চকু পৰাত অনিলৰ চকু কপালত উঠিল। কিয়নো তাত টকা-পইচা একো নাছিল। একেবাৰে উদং। অনিলে ভাৱিলে, প্ৰেতাত্মায়ো বস্তু বাহানী লুট কৰে নে ? কিন্তু ওচৰতে পৰি থকা চিঠি এখনেহে ভুল ভাঙি দিলে।

মাননীয় কলিতা,

শ্ৰদ্ধা ল'ব। আচলতে আমি কোনো প্ৰেতাত্মা নহয়। আমি হলো দুজন বেকাৰ যুৱক। চাকৰি-বাকৰি নোহোৱাত আমাৰ আৰু কোনো পথ নাছিল। আপোনাৰ পৰিয়ালৰ বিষয়ে সবিশেষ জানি আপোনাৰ ধন-সম্পত্তিবোৰ আমাৰ কৌশলেৰে লুট কৰিলো। বেয়া নেপাব। ইয়াৰ বাহিৰে আমাৰ আৰু উপায় নাই। ধন্যবাদ।।

আপোনাৰ দৃষ্টিত প্ৰেতাত্মা

অনিলে চিঠিখন পঢ়ি ভেবা লাগি উদং আলমাৰীটোলৈ চাই ৰ'ল।◈◈



# এজাক ধুমুহা

✍ আবেদ আলী ম
উঃ মাঃ ২য় বৰ্ষ (কল

‘প্ৰেম এক ঐশ্বৰিক দান।’ বাস্তৱত অত্যন্ত গহীন। প্ৰেম নিজে সজীৱ। ৰিমঝিম বৰষুণৰ দৰে সজীৱ, শেৱালী ফুলৰ সুগন্ধিৰ দৰে সজীৱ। তাতে বাস্তৱ জীৱনলৈ অহা মিঠা মিঠা, তিতা-মিঠা প্ৰেমৰ মূহুৰ্তবোৰ আৰু অধিক সজীৱ হৈ থাকে প্ৰতি ক্ষণে ক্ষণে। নহয়নে? প্ৰেমৰ সজীৱতাই আচলতে আমাৰ জীৱনটোক সজীৱ কৰি ৰাখে। কোনোবা এজন মহান লিখকে কৈছে যে, চৰাইয়ে যেনেকৈ পাখি গজিলে উৰিব শিকে তেনেকৈয়ে মানুহবো এটা সময় আহিলে প্ৰেমৰ অনুভৱ কৰিবলৈ শিকে আপোনা-আপোনি। হৃদয়ত ভাল পোৱাৰ গভীৰতা অনুভৱ কৰিবলৈ শিকে। প্ৰত্যেক ল'ৰা-ছোৱালীৰ জীৱনলৈ এই ভাল পোৱা আহে সংগোপনে। জীৱনত প্ৰেম নহ'লে আচলতে কোনো মানুহ সফল হ'ব নোৱাৰে। কিন্তু, বৰ্তমানৰ প্ৰেম যেন সলনি হৈছে, প্ৰেমৰ সলনি হ'ব নোৱাৰে। সলনি হৈছে ইয়াৰ পদ্ধতি। আগতে প্ৰেম অন্ধ বুলি কৈছিল আৰু কব পৰা আছিল। এতিয়াৰ প্ৰেমত চকু আছে। বৰ্তমান ছোৱালী এজনে প্ৰেম কৰাৰ আগতে ল'ৰাজনৰ ধন-সম্পত্তি, বেংক বেলেন্স চায়, বাইক আছেনে নাই? অংক কৰি যদি সঠিক উত্তৰ ওলায় তেন্তে প্ৰেমৰ অভিনয় কৰে। আগতে প্ৰেম হৈছিল হৃদয়ৰ পৰা কিন্তু, আজি কালি জন্ম হয় মগজুৰ পৰা। হায়; বিধাতা তোমাৰ যে কি লীলা! ২০০০ চনৰ মাজ ভাগৰ কথা। মই তেতিয়া দশম মান শ্ৰেণীৰ ছাত্ৰ, প্ৰেমত পৰাৰ বয়স এয়া! ধুবুৰীৰ ভিনদেউৰ ঘৰত থাকি পঢ়িছো। তেতিয়া সেই সময়তে ছোৱালী এজনীক মোৰ ভাল লাগি গ'ল। ছোৱালীজনীৰ বায়েক মোৰ লগতে একে লগে পঢ়ে। তাই মোৰ ভাল বান্ধৱী। এদিন সেই বান্ধৱীৰ লগত ভনীয়ে আহিল আমাৰ ঘৰলৈ ফুৰিবলৈ। ভনীয়েক জনীৰ চকু হা চাইয়ে ভাল লাগি গল। তাইৰ ৰঙা নীলা উজ্জ্বল চকু যেন মই মোৰ হৃদয়খন হেৰাই পেলালো। কিয়, লাগিছে নেজানো। হয়তো ভাল লগাৰ কাৰণ, প্ৰেমৰ মোৰ প্ৰথম অনুভৱ। কোমল, মিঠা অনুভৱ আবেগিক তাই নৱম শ্ৰেণীৰ ছাত্ৰী। সেইবাৰ তাইৰ স্কুলত বা অধিবেশন। অধিবেশনত আমাৰ স্কুলৰ ছাত্ৰ-ছাত্ৰীক নি জনালে। গলো নিৰ্দিষ্ট দিনা। মোৰ কল্পনাৰ গ স্বেচ্ছাসেৱীকা। চাঁদৰত বেচ মাৰি আমাক আপ্যায়ন ক ব্যস্ত। সুবিধা বুজি দুই এটা কথা পতাত লাগিলো। প্ৰ কথাত যেন ৰোমাঞ্চ জাগি উঠে মনৰ মাজত। হৃদপিণ্ডৰ ধপধপনি যেন সকলোৱে শুনিছে। মই ব তোমালোকৰ ঘৰলৈ যাম এদিন। এদিন যাম দুদিনমানৰ পিছতে তেওঁলোকৰ ঘৰলৈ ওলালোঁ এদিন যেন মোৰ বাবে দুবছৰৰ নিচিনা লাগিল। তেওঁ ঘৰলৈ যোৱাৰ পিছত ঘৰৰ প্ৰতিটো বস্তুত যেন মই স্পৰ্শ অনুভৱ কৰিলো। মই বহা চকীখনতো যেন সুগন্ধিয়ে আৱৰি আছে। তাইৰ গোলাপী দুই ওঁঠেৰে নি প্ৰতিটো শব্দই যেন অদৃশ্য জ্যোতিৰে উজ্বলাই তোলে মন। আমি বহু কথা পাতিলো; চকুৰ নাচোন আৰু মাজেৰে। বহু কষ্টৰ বলত এদিন মনত সাহস গোটাই মই মোৰ মনৰ সকলো কথা বিৰৱি কলো। প্ৰথমে অলপ ৰলাগি মোলৈ চাই আছিল। কিছু সময় নি বিৰাজ কৰিলে পিছত তাই লাহেকৈ এবাৰ মিচিকীয়া

এটা মাৰি আই লাভ ইউ বুলি কৈ গুচি গ'ল। মনে বিচৰা কিবা এটা সহজে লাভ কৰিলে কিমান যে আনন্দ হ'ব পাৰে অলপ ভাবকচোন। মোৰ হয়তো আনন্দত চকু পানী ওলাই ল কিন্তু, সেই বুলি সকলোৱে আগত ক'ব নোৱাৰি। ন্তত্ত বয়সে নকয়। প্ৰেম আমিহে কৰিছো অন্তৰখন মামাৰহে উত লি উঠিছে। কিন্তু, আমাৰ অন্তৰৰ কথা জানো কলোৱে সহজভাবে ল'ব? সেয়ে প্ৰেম আৰম্ভ হ'ল। কাৰণ তিদিনে মোৰ প্ৰেমিকাক মই লগ পাব লাগিব, কথা পাতিব াগিব হেঁপাহ পলুৱাই। সেয়েহে তাই স্কুলৰ পৰা অহাৰ ময়ত প্ৰায় ডেৰ ফাৰ্লং মান বাট চাইকেলখনত হাফ্‌পেডেল ৰি তাইৰ লগত মনৰ কথা পাতি আহি থাকো। কিতাপৰ জত প্ৰেম পত্ৰ আদান-প্ৰদান চলিলে। প্ৰায় একবছৰ মান ৰ হ'ল এনে দৰেই প্ৰেমৰ সাগৰত। আমাৰ প্ৰেম পঁকো কো হৈছে তেনেতে মই অনুভৱ কৰিবলৈ ল'লো তাই ন মোক অলপ ‘এভইড’ কৰাৰ দৰে কৰিছে। মোৰ পৰা ই আতৰি আহিব বিচাৰিছে। মোক লগ পাবলৈ তাই যেন মনি পাইছে। মোক বাটত আগৰ দৰে লগ নধৰা হ'ল। তাইক এবাৰ লগ নকৰাকৈ, এবাৰ নেদেখাকৈ থাকিব াৰাবো। কি কৰো এতিয়া মই। তাই বাৰু মোৰ লগত নকুৱা কিয় কৰিছে? কি অপৰাধৰ শাস্তি দি আছে মোক। কা ভাবিব নোৱাৰিলো। মনত ভয় সঁচাকৈ তাই মোক ল নেপায় নেকি? তাই যদি সঁচাকৈ মোক ভাল নেপায়। তিয়া মই কি কৰিম, কি হ'ব মোৰ? নাই মই তাইক লগ ৰাকৈ থাকিব নোৱাৰিলো। মই তাইৰ ঘৰলৈ গ'লো। ন্তু, কি আচৰিত মই অবাক হৈ গ'লো যে তাই দেখোন তো মোৰ লগত আগৰ দৰে কথা নেপাতে। মোক চাই তৰি আতৰি থাকে। তেতিয়া মোৰ চিঞৰি চিঞৰি কান্দিবৰ মন গ'ল। তথাপিও নোৱাৰিলো। কি হ'ল, তাই মোক স্পষ্ট ভাবে নকয়। এনেকৈ নহব এদিনৰ কাৰণেও, লাগিলে আকৌ আগৰ দৰে এবাৰ লগ ধৰিব লাগিব আৰু মোৰ পৰা আতৰি যোৱাৰ কাৰণ সুধিব লাগিব। সেয়ে ছাইকেলখন লৈ ঠিক আগৰ দৰে একে ৰাস্তাত থিয়হৈ আছো যে তাইৰ লগত মুকলি ভাবে কথা পাতিম আৰু তাইক বুজাম। এনেতে হঠাৎ দূৰৈত দেখিলো মোৰ প্ৰেয়সীৰ লগত হাফ্‌পেডেল মাৰি কোনোবা ল'ৰা এজনে কথা পাতি আহি আছে। দুয়ো যেন আনন্দত আত্মহাৰা হৈ আহিছে। একেই বাট, একেই প্ৰেয়সী মাথোঁ সলনি হৈছে যুৱকজন। মোৰ সলনি নতুন কোনোবা একেই হাফ পেডেলত। চকুপানী ওলাই আহিছে ক'ব নোৱাৰা কৈয়ে। সুধিবলগীয়া কিবা থাকিল জানো এয়া দেখাৰ পিছত মোৰ প্ৰেয়সী মোৰ পৰা এই বিশাল পৃথিৱীত হেৰাই গ'ল কৰোবাত কাৰোবাৰ মাজত। নীৰবে তেওঁলোকে গম নোপোৱাকৈ গুচি আহিলো। প্ৰেয়সীৰ সলনি তেতিয়া মোৰ লগত মোৰ চকুপানীয়ে কথা পাতি আছে আৰু কেৱল এটা কথাই হৃদয়ত চিঞৰি চিঞৰি গাই আছে-

“সিদিনা আছিলা হিয়াৰ লগৰী,
মৰম দিছিলা বুকু উজাৰি,
নুবুজিলো কিয় গলা আতৰি
চিঙি মোহাৰি মোৰ আশাৰ পাপৰি।
নালাগে এতিয়া আহিব উভতি
আনৰ মৰমক নেওচি।”

ঠিক সেইটো সময়ত মোৰ অনুভৱ হ'ল যেন কৰবাৰ পৰা এজাক ধুমুহা আহি পৃথিৱীখন অলপ সময়ৰ কাৰণে এন্ধাৰ কৰি ৰাখি সকলো স্মৃতি আকাশলৈ উৰুৱাই লৈ গ'ল।◆◆



# অপেক্ষা

✍ জাহিৰুল ইছলাম আহমেদ (বো
স্নাতক ১ ম বৰ্ষ (ক
আলোচনী সম্

দুপৰীয়া ভাত কেইটা খাই উঠি ফোনৰ ওচৰত বহোতেই ঘটংকৈ গেট খোলাৰ শব্দ শুনিলোঁ। ভাৱিলো পিয়নটোৱে অনামিকাৰ চিঠি লৈ আহিছে। মনত পৰিল 'অ' তেনেহলে ঔষধে কাম দিছে। নিদিব কিয়? মই যিটো কৰোঁ ভা বি চিন্তিয়েই কৰোঁ। পৰিণতি সদায় ধনাত্মক। কিন্তু এটা কামৰ বাবে মোৰ মনক প্ৰয়োভৰ দিব নোৱাৰোঁ। মোৰ কাৰণে কলেজৰ কিমান ছাত্ৰ- ছাত্ৰীৰ বন্ধুত্ব গঢ়ি উঠিল, অথচ নিজৰ ক্ষেত্ৰত এটা বিৱাট শূণ্য। কিয় এনেকুৱা হয়? সেই দিনা ঘৰৰ পৰা বিদায় লৈ মেছত আহিম বুলি বাছ গাড়ীত আহি বহিলো। মনত অকনো শান্তি নাই। মানস পটত ভাঁহি আহিল অনামিকাৰ চাতকি চকুযুৰি। একেবাৰে সৰু ছোৱালীৰ দৰে তাইৰ অভিমান। ইমান কোৱা সত্বেও তাই নুবুজে। বুজিছা এইবাৰ তাইক লগ পালে কাণ তলিয়া চৰ এটা মাৰি মইয়ো কান্দি দিম চাওঁ কি হয়।

অস্বাভাবিক ভাবে গাড়ীখন বৈ যোৱাৰ বাবে ড্ৰাইভাৰকে বেয়াকৈ ধমকি দিছিলো। ভাবসামতা হেৰুৱাই আগফালে চিটিকি পৰিবলৈ লওঁতেই ভুতনীৰ দৰে অনামিকাৰ আৰ্বিভাৱ। উধাতু খাই অনামিকাই মোৰ কাষৰ খালী আসন খনত বহি পৰিল। অলপ সময় নিৰৱতা। কোনেওঁ কাৰো ফালে নাচাও; কথাওঁ নাপাতো। মনতে ভাবিলো ছোৱালী এজনীক তোষামোদ কৰি লাভ ন অন্তৰাত্মাৰ খন্তেকীয়া যুজত মই হাৰ মানিছিলো। অথ গৌৰৱ কঢ়িয়াই অনা কৃতকাৰ্য্যতাৰ বাবে তাইক কংগ্ৰেচু নিদি নোৱাৰিলো।

ইজনে সিজনৰ মুখৰ পিনে চাই হাঁহি দি অনামিকাৰ পাতল হাঁহিত সৃষ্টিৰ বহুতো মাধূৰ্যতাই বি পালো। এজাক মলয়া বতাহ শৰীৰটো জোকাৰি গাড়ীখনৰ গতি বঢ়াত খিড়িকীৰ বাহিৰ ফালে চালো। সূ পশ্চিম দিশত ৰক্তিম আভা ছটিয়াই মেলানি মাগিছে। বিচ্ছুৰীত পোহৰত অনামিকাৰ মুখখন সচাঁকৈয়ে যাত্ৰী আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হৈ পৰিছিল। চকুযোৰ মু দি ভাবি প্ৰেমৰ আদি আৰু অন্ত বিন্দু ক'তনো বাৰু অৱস্থিত।

হেণ্ডিমেনৰ চিঞৰত থত্মত্ খাই উঠি গাড়ীখন মেছৰ ওচৰত আহি স্তব্ধ হ'ল। "ধেৎ! দুয়ো পৰা নামিলো। সচাঁকৈয়ে পিয়নটোৱে ৰুমত আহি এটা খাম হাতত দিলে। বকছিছ অলপ দি পিয়ন জনক খেদি ৰুমটো বন্ধ কৰি আত্মহাৰা হৈ অনামিকাৰ চিঠিখন পঢ়ি

ধুনীয়া আখৰেৰে লিখা আছে, অভিদা মোৰ আপোনাৰ আৰু পাঁচ বছৰ অপেক্ষা কৰিব লাগিব। নেপাৰ প্লিজ

> ল'ৰা-ছোৱালীক প্ৰকৃত মানুহ হ'বলৈ শিক্ষা দিব লাগে। ভদ্ৰলোক বা ভদ্ৰ মহিলা হ'বলৈ নহয়।
>
> -পদ্মনাথ গোহাঞি বৰুৱা







# শিৱ পাৰ্বতীৰ মৰত ভ্ৰমণ

✍ নুৰ মহম্মদ
স্নাতক মহলা ১ম বৰ্ষ (বিজ্ঞান শাখা)।

প্ৰত্যেক ব্যক্তিয়ে কম-বেচি পৰিমাণে ব্যক্তিগত মস্যাৰ সমাধান পাবলৈ কিছুমান সপোন দেখা পায়। যিদৰে াৰিৰীক অসুস্থতা থাকিলে-সাপে বেৰি ধৰা, বতাহত উৰা সপোনত আগ বাঢ়িব নোৱাৰা ইত্যাদি সপোন দেখা ায়। অৰ্থাৎ সপোনবো আছে এক ৰহস্যময় জগত। কিন্তু, পোন এক অবাস্তৱ যোগাযোগ মাধ্যম।

শনিবাৰৰ দিনা মোৰ অলপ পৰিশ্ৰমৰ বাবে ন্ধিয়া আঠ বজাতে টোপনী ধৰিলে। আঠুৱা তৰিবলৈ াহৰিছিলো। সেইবাবে ম'হৰ দংসনৰ বাবে মই নিদ্ৰা গতৰ পৰা উভতি আঠুৱা তৰি বাগৰ দিলো।

ৰাতি শেষ হোৱাৰ আগে আগে সপোনত খিলো শিৱ-পাৰ্বতীৰ আগমন। শিৱ-পাৰ্বতীয়ে ৰথেৰে ৰি আহি আছে। ময়ো সপোনত তেৰাসৱক অনুসৰণ ৰিলো। মাজে সময়ে পাৰ্বতীয়ে শিৱক প্ৰশ্ন কৰিছে "হে ালু স্বামী! ইমান বছৰৰ পিছত আপুনি কিয় মৰতলৈ হি আছে?

ৱঃ- মোৰ ভক্ত এজনে মোক একাগ্ৰহ চিত্তে তপস্যা কৰি ছে।

ৰ্বতীঃ- হে স্বামী! এতিয়াও এই পৃথিৱীত আপোনাৰ নো প্ৰিয় ভক্ত আছেনে?

ৱঃ- "আছে আছে! জানিবা যিদিনা মোৰ এজনো ভক্ত পৃথিৱীত নাথাকিব তেতিয়া পৃথিৱী ধ্বংস হ'ব। পাৰ্বতী, মি এইওখ অট্টালিকাৰ ওপৰত নামিব লাগিব। ৰথৰ টান লৈ পৰিছে।"

এইদৰে ৰথ থমকি ৰল অট্টালিকাৰ ওপৰত। তীক হাতত ধৰি নমাই আনিলে শিৱই। সোমালে এক এন্ধাৰ কোঠাত। মই পিছে পিছে অনুসৰণ কৰিলোঁ। দেখা পালো ধ্যানত মগ্ন হৈ থকা এজন ডেকা ল'ৰা। সুঠাম দেহ, মুখখন দেখি ধাৰনা হ'ল ভক্তজনৰ ভিতৰত যেন কিবা এক অলৌকিক গুন আছে, শিৱই ওচৰত গৈ সুধিলে।

শিৱঃ- ঔম শান্তি! ঔম শান্তি কি বৰ বিচাৰি মোক মাতি আছা বৎস। তোমাক ধন লাগেনে সোণ লাগে, নে মন্ত্ৰীত্ব।

ভক্তঃ- হে প্ৰভু মোক এইবোৰ একোকে নালাগে।

শিৱঃ- তেন্তে তোমাক কি বৰ লাগে?

ভক্তঃ-জয় প্ৰভুৰ জয়। মই বৰ্ত্তমান যুগত বিশেষ এটা বস্তুৰ প্ৰয়োজন অনুভৱ কৰিছোঁ, আশা কৰো আপুনি অমান্তি নহ'ব।

পাৰ্বতী আৰু শিৱঃ- কি বস্তু বৎস?

ভক্তঃ-মানৱ জাতিটোৰ পিছফালে ৰাজহাড়ৰ তলত একোচা চুলি সহ এডাল নেজ বিচাৰো।

শিৱঃ-মানুহ এনেই দিনে দিনে পশুৰ দৰে আচৰণ দেখুৱাই ফুৰিছে। মৰম-চেনেহ নাইকীয়া হৈছে। যদি নেজ দিয়া যায় তেন্তে মানৱ জাতি দেখোন পশু হ'ব।

ভক্ত ঃ-সত্য বাবা ভোলানাথ। য'তেই যাওঁ তাতেই অতিমাত্ৰা ম'হৰ প্ৰকোপ। ম'হৰ তাড়নাত গুৱাহাটী এৰিলো। গাওঁখনতো ম'হ। সেয়ে ভাবিছো নেজ এডাল থাকিলে বাগৰ মাৰি থাকিলেওঁ অন্তত ম'হ মাখিবোৰ খেদি বিশ্ৰাম ল'ব পাৰিলোহেঁতেন। বৰ্ত্তমান বজাৰৰ পৰা কিনা 'গুড নাইট' আৰু ধূপ-ধুনাই ম'হ খেদিব নোৱাৰা হৈছে।

শিৱঃ- ধন্য ধন্য ভক্ত। আমি এতিয়া যাবৰ সময় হৈছে। ইয়াৰ পিছত মানৱৰ কোনো পৰিবৰ্ত্তন হ'লে ভাবিবা সেয়া ময়েই কৰি দিছো।

ঃঃঔম শান্তি ঔম শান্তিঃঃ

> শিক্ষক, এডাল মমবাতিৰ দৰে, যি নিজে গলি আনক পোহৰ দিয়ে।
>
> -সুভাষ চন্দ্ৰ বসু।

English Section

# We Need To Feel More



✍Fozlur Rahman Khan
H.S. 1st Year (Science)

e need to feel more to understand others.
e need to love more to be loved back
e need to cry more to cleanse ourselves
e need to laugh more to enjoy ourselves
e need to establish the values of humanity.
hen interacting with people
e need to establish a strong ethics
s a way of life
e need to see more
than our own little fantasies
e need to hear more
nd listen to the needs of others
e need to give more and take less
e need to share more and own less
e need to realize the importance of family
s a backbone to stability
e need to look more,
nd feel that we are not so different.
e need to create a world where
e can all peacefully live
nd trust each other.◆

# Lasting love

✍S. M. Ismail Hus
T.D.C.3rd year .(A

Love becomes love,
When we give and receive
Love becomes friendship,
When we return love for love
Love becomes romance,
When we share its feelings.
Love becomes giving,
When we sacrifice our life.
Love becomes hatred,
When we count its limit.
Love becomes sorrow,
When we place it at a distance.
Love becomes perfect,
When we trust and believe.
Love becomes healthy ,
When we openly express our feelings.







# PASSION

✍Md. Baharul Islam Khan
H.S. 2nd year (Arts)



O! My friend
can't explain
How much do I love you .
But all I can say is
That I love you
More than anything else.
Three years have passed
But not a single day
Nor a single moment has passed
When I did not remember you
The only thing I realised
s that I love
really love you.◈

# "LETTER FOR A GIRL FRIEND"



✍Sariful Ahmed
H.S Ist Year, (Science)

Dearest and loveing friend : Hi ! Recalling Your beautiful face over your beloved smile Today at this moment I'm going to write few words with great expectation that you will go through it in your modest charm. I've fallen in love with you.

Oh ! Dear friend, love grows from the heart wend nothing begins and end's without god's will. The first time I saw you, you did something to me that no one else has done . You are the best lass I've ever met and you are the one I want to love ."Tum Bin", I can't survive . Oh ! Dear "Mujhe Kuch Kahna Hai", but "Dil Kya Kare." I feel lonely without you becouse "Hum Dil De Chuke Sanam". I have fallen in love with you becouse I think "Tera Jadoo Chal Gaya." And I think you also love me "Chori Chori Chupke Chupke" . Then please "Kaho Na Pyar Hai " .

You are in my every nbeat of "Dhadhkan". Then we can together say that "Love Ke Liyea KuchBhi Karega ." And you are in my "Sapnay." My love is "Sirf Tum" . Take care of your self. Your loveing "lad".◈




# QUIZONE

# ?

*Collected by-*
Dewan Shahidul Is
H.S.Ist Year ( Scie

1. What are the first words spoken by God in the Bible ?

**Ans** : Let there be light.

2. He won a Scholarship to study computer graphics in the University of Califo (U.S.A ). He helped Shah Rukh Khan with his make-up in the movie Koyla. His cat's name is 'Tiger'? Who is he?

**Ans** : Hrithik Roshan .

3. Whom did both the Encyclopaedia Britannica and the Encyclopaedia America as the greatest experimental genius the world has ever known ?

**Ans** : Michael Faraday .

4. From which Country did Romania gain its independence ?

**Ans** : Turkey .

5. Who is the only Indian music composer to have perfomed with the Royal philharmonic Orchestra in London ?

**Ans** : Illaiyaraja .

6. Where picture is found printed on every document of Ms Corporation ?

**Ans** : Augusta Ada Byron .

7. What is the Orginal name of Tabu ?

**Ans** : Tabbasum Fatima Hashmi .

8. Who is the first Indian Female pilot ?

**Ans** : Durba Banerjee.

9. She is the heroine of the film " My fair lady". Who is she?

**Ans** : Audly Hepburn.



নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ তত্বাৱধায়ক/অধ্যাপক-অধ্যাপিকা সকল-



া (বাওঁফালৰ পৰা) ঃ অধ্যাপক, শ্ৰীঘনশ্যাম ভড়ালী, অধ্যাপিকা, ছৈয়দা মেহেৰুন্নিছা বেগম, ৰেজাউল হ'ক, অধ্যাপক, ড০ ভগীৰথ চন্দ্ৰ নাথ, অধ্যাপক, ছোবমান আলী, আব্দুছ ছাত্তাৰ
দ (অধ্যক্ষ), অধ্যাপক, সুশীল কুমাৰ সৰকাৰ, অধ্যাপক, আব্দুছ ছালাম (সভাপতি, ছাত্ৰ-একতা সভা), মাফিজুৰ ৰহমান খান (সাঃ সম্পাদক), অধ্যাপক, মতিয়ৰ ৰহমান।
থকা (বাওঁফালৰ পৰা) ঃ জাহিৰুল ইছলাম আহমেদ, ৰফিকুল ইছলাম, আমিনা খাতুন, দুলেনা খাতুন, আবেদ আলী মণ্ডল, মোস্তাফিজুৰ ৰহমান, খলিলুৰ ৰহমান।
